Prof - H.G. Deka.
History deptt

# দুধনৈ মহাবিদ্যালয়ৰ আলোচনী

১৯৯৮ - ১৯৯৯ বৰ্ষ



সম্পাদক -

শ্ৰী যশোৱন্ত নাথ

Hargobinda Deka

# দুধনৈ মহাবিদ্যালয়ৰ আলোচনীৰ
# দুধনৈ
# ১৯৯৮-৯৯ বৰ্ষ

শ্ৰী হৰকুমাৰ নাথ
তত্বাবধায়ক অধ্যাপক

শ্ৰী যশোৱন্ত নাথ
সম্পাদক

## দুধনৈ মহাবিদ্যালয়ৰ আলোচনীৰ তত্বাবধায়ক সমিতি

শ্ৰী হৰকুমাৰ নাথ, তত্বাবধায়ক, অধ্যাপক
শ্ৰী দশৰথ কাকতি, সদস্য, অধ্যাপক
শ্ৰী অশোক ৰঞ্জন ভট্টাচাৰ্য্য, সদস্য, অধ্যাপক
শ্ৰী জীৱেশ্বৰ কোচ, সদস্য, অধ্যাপক
শ্ৰীমতী দীপালি ডেকা, সদস্যা, অধ্যাপিকা

**বেটু পাট ঃ- দুধনৈ মহাবিদ্যালয়ৰ সন্মুখ ভাগ**

**মুদ্ৰণ ঃ- ইম্প্ৰেছন প্ৰেছ, কালাপাহাৰ, গুৱাহাটী - ১৮**

# দুধনৈ মহাবিদ্যালয়ৰ শ্বহিদ স্তম্ভ
## দুধনৈ



Phone : 78531(O)
78560 (R)

*Sri Karuna Kanta Rabha M.A.*
Principal
Dudhnoi College
P.O. :- Dudhnoi-783124
Goalpara, Assam.



*প্ৰিয় সম্পাদক ডাঙৰীয়া,*

*১৯৯৮-৯৯ শিক্ষাবৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ আলোচনীখন সময়মতে প্ৰকাশ হব বুলি জানিব পাৰি সুখী হৈছো। চালুকীয়া দুধনৈ মহাবিদ্যালয়ৰ সীমিত পূঁজিৰ মাজেদি এখন ব্যয় বহুল মহাবিদ্যালয়ৰ আলোচনী কেতিয়াও আশা কৰিব নোৱাৰি। তথাপি তত্ব গধূৰ সৰু কলেজৰ এখন আলোচনী প্ৰকাশ পোৱাটো শুভ লক্ষণ। এই ক্ষেত্ৰত সম্পাদক ডাঙৰীয়াৰ আশা-শুধীয়া প্ৰচেষ্ঠা আৰু নিষ্ঠাক শলাগীব লাগিব।*

*দুধনৈ মহাবিদ্যালয়ৰ প্ৰকাশৰ পথত বৈ থকা আলোচনী খনৰ সাৰ্বৰ্ন্দ্বীন কামনা কৰিলো।*

*জয়তু দুধনৈ মহাবিদ্যালয়ৰ আলোচনী।*

শ্ৰী কৰুনা কান্ত ৰাভা
অধ্যক্ষ
দুধনৈ মহাবিদ্যালয়
দুধনৈ



# সম্পাদকীয়

প্ৰথমতে অসমী আইৰ অস্তিত্ব, হৃত ভাষা আৰু স্বাধীনতা উদ্ধাৰৰ বাবে কলিজাৰ কেঁচা তেজেৰে দেশৰ মাটি সিক্ত কৰা বীৰ শ্বহীদ সকলৰ প্ৰতি শত কোটিবাৰ প্ৰণাম জনাইছো।

সাহিত্য এটা জাতিৰ দাপোন স্বৰূপ। এটা জাতিৰ পৰিচয় পোৱা যায় সেই জাতিৰ সাহিত্য সংস্কৃতিৰ মাজেৰে। ভল্টেয়াৰে কৈছিল - "কোনো বৰ্বৰ জাতিৰ বাহিৰে সমগ্ৰ ভুখণ্ডৰ মানৱ জাতিক পৰিচালিত কৰে কিতাপে। এটা জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰে সাহিত্যই। মানুহৰ কলাত্মক লিখনিয়ে হৈছে সাহিত্য। এই সাহিত্য বিলাসৰ সামগ্ৰী নহৈ হ'ব লাগিব দেশৰ প্ৰকৃত মঙ্গলকাৰী।

শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল ব্যক্তি তথা সমাজক কুসংস্কাৰ মুক্ত কৰি উন্নতিৰ চৰম বিন্দুত উপনীত কৰোৱা। ইয়াৰ বাবে জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটোৱাটো অতি প্ৰয়োজনীয়। কিন্তু বৰ্তমান ভাৰতৰ নিম্নমুখী শিক্ষা ব্যৱস্থাই সমাজৰ বিশে, উন্নতি বা পৰিবৰ্তন কৰিব বুলি মনে নধৰে. বৰ্তমানৰ শিক্ষা ব্যৱস্থাই সমাজত জন্ম দিছে দুৰ্নীতি, উশৃংখলতা, নিবনুৱা সমস্যা ইত্যাদি। বৰ্তমান আমি একবিংশ শতিকাত ভৰি দিবলৈ ওলাইছো। এই সময়চোৱা হৈছে প্ৰতিয়োগীতাৰ যুগ। সেই কাৰণে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীক নানা বৃত্তিমুখী শিক্ষা প্ৰযুক্তি বিদ্যাৰ জ্ঞান দিব লাগিব, যাতে আন আন উন্নত দেশৰ লগত আমি ফেৰ মাৰিব পাৰো।

আজি অসমৰ পৰিস্থিতি অগ্নিগৰ্ভা। অসমত বৰ্তমান বন্দুক বাৰুদৰ অবাধ ৰাজত্ব। শোষণকাৰী ৰাষ্ট্ৰযন্ত্ৰই আজি অসমৰ কোনো উন্নতি কামনা নকৰে। অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক এক উপনিবেশ হিচাপে ৰখা হৈছে। ভাৰতৰ তথাকথিত স্বাধীনতা ৫০ বছৰ পূৰ্ণ হ'ল কিন্তু ইয়াৰ জনসাধাৰণৰ কিবা পৰিবৰ্তন হ'ল নে ? জনসাধাৰণৰ অৱস্থা আগতকৈ বেয়াহে হ'ল। দেশৰ শাসনৰ বাঘজৰী মাথো বগা চামৰাৰ শোষক শ্ৰেণীৰ পৰিবৰ্তে কলাচামৰাৰ এচাম শোষক তথা সাম্ৰাজ্যবাদীৰ ভৃত্যৰ হাতলৈ হস্তান্তৰিত হ'ল। বৃহত্তৰ অসমৰ ৰাইজৰ দুখ দুদৰ্শা দেখি বিষ্ণু প্ৰসাদ ৰাভাদেৱে তাহানিতেই এই স্বাধীনতা ভুৱা বুলি চিএঞৰিছিল। কিন্তু ভাৰত ৰাষ্ট্ৰৰ এচাম বুৰ্জোৱা নেতাই ৰাভা দেৱক দেশদ্ৰোহী আখ্যা দিছিল। ৰাভাদেৱে বুজি পাইছিল জনসাধাৰণৰ মৰ্মবেদনা। সেয়ে তেওঁ সিদ্ধান্ত লৈছিল এখন শ্ৰেণীহীন শোষণহীন সমাজ গঢ়াৰ। তেওঁ শোষিত জনসাধাৰণৰ মঙ্গলাৰ্থে হাতত ষ্টেনগানলৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সংগ্ৰামৰ বতৰা কঢ়িয়াইছিল।

তেতিয়াৰ পৰাই সাম্ৰাজ্যবাদী শক্তিৰ বহতীয়া ভাৰত ৰাষ্ট্ৰই অসমত জাতিধ্বংশী অভিযান আৰম্ভ কৰে। সেয়ে জাতি হত্যাৰ পৰিকল্পনাৰে অসমক খণ্ড বিখণ্ড কৰা হ'ল। আজি অসমত যি মুক্তি সংগ্ৰামে মুৰ ডাঙি উঠিছে তাক নিশেষ কৰাৰ বাবে উঠিপৰি লাগিছে। সামৰিক দমননীতিৰ উপৰিও ৰাষ্ট্ৰযন্ত্ৰই গঢ়ি তুলিছে এচাম প্ৰতি বিপ্লৱী শক্তি।

ইতিহাসে প্ৰমাণ কৰে যে যিকোনো আন্দোলন সফল কৰাৰ ক্ষেত্ৰত সাহিত্যই অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই সম্পৰ্কে বিশিষ্ট ভাষাবিদ বাণীকান্ত কাকতি দেৱে কৈছিল - "সকলো জাতীয় আৰু মহাজাতীয় আন্দোলনক সাহিত্যই বনপোৱা জুইক বতাহে সহায় কৰাৰ দৰে সহায় কৰে আৰু সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰিলে কোনো আন্দোলন তিষ্টি থাকিব নোৱাৰে। সেয়েহে অসমৰ.পৰিবৰ্তনকামী তিষ্ঠি থাকিব নোৱাৰে। সেয়েহে অসমৰ পৰিবৰ্তনকামী সকলে বন্দুক বাৰুদক প্ৰাধ্যান্য দিয়াৰ পৰিৱৰ্তে সাহিত্য আৰু সংস্কৃতিৰ মাজেৰেহে জনসাধাৰণৰ আৰু কাষ চাপিব পাৰি।

বিভাগীয় দুষাৰ ঃ

মোৰ এটা সপোন আছিল দুধনৈ মহাবিদ্যালয় আলোচনীখন অতিকৈ সুন্দৰকৈ সজাই পৰাই মনোগ্ৰাহী ৰূপ দিয়াৰ। কিন্তু বাস্তৱত সেয়া নহ'ল। কাৰণ আলোচনীৰ বাবে সংগ্ৰহ কৰা গল্প, কবিতা, প্ৰবন্ধ আদিৰ মানদণ্ড উচ্চমানৰ নহয়। বিশেষকৈ ইংৰাজী বিভাগৰ গল্প, প্ৰবন্ধ তথা কবিতাবোৰ নিম্ন পৰ্য্যায়ৰ। এইবেলি এটাও উচ্চমান বিশিষ্ট ইংৰাজী কবিতা মোৰ হাতত নপৰিল এয়া অতি দুখৰ বিষয়। মহাবিদ্যালয় আলোচনী মহাবিদ্যালয়ৰ মুখপত্ৰ আৰু এই আলোচনী বোৰতে প্ৰতিফলিত হয় মহাবিদ্যালয়ৰ মানদণ্ড। সেয়েহে মহাবিদ্যালয়ৰ পৰবৰ্তী আলোচনী সমূহ যাতে সৰ্বাঙ্গ সুন্দৰ হয় তাৰ কামনা কৰিলো।

এইবেলি মহাবিদ্যালয় সপ্তাহত মই থিতাতে লিখা কবিতা প্ৰতিযোগীতা পাতিবলৈ সক্ষম হৈছিলো কিন্তু প্ৰতিযোগীৰ সংখ্যা আছিল তাকৰ। প্ৰবন্ধ প্ৰতিযোগীতা গল্প লিখা প্ৰতিযোগীতা আদি প্ৰতিযোগীৰ অভাৱত অনুষ্ঠিত কৰিব পৰা নহ'ল।

কৃতজ্ঞতা স্বীকাৰ ঃ

প্ৰথমতে মই দুধনৈ মহাবিদ্যালয় যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয় খনক সেৱা কৰা সুযোগ কৰি দিলে তেওঁলোকলৈ কৃতজ্ঞতা জনাইছো আলোচনী খন প্ৰকাশৰ বাবে বিভিন্ন দিশৰ পৰা সহায়-সহযোগীতা আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত কৰুণাকান্ত ৰাভা মোৰ তত্বাবধায়ক শ্ৰীযুত হৰকুমাৰ নাথ আৰু মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত অশোক ৰঞ্জন ভট্টাৰ্চা, শ্ৰীযুত জীবেশ্বৰ কোচ, শ্ৰীযুতা দিপালী ডেকা, শ্ৰীযুত দশৰথ কাকতি লৈ জনাইছো মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা। তদুপৰি মোক বিশেষভাবে সহায় আগবঢ়োৱা বন্ধু-বান্ধৱী বৃন্দ সৰ্বশ্ৰী প্ৰবীন, ধীৰাজ পাঠক, জোনমণি, চন্দন, মনোজিৎ, অলক, ৰবীন, মনীন্দ্ৰ, সলিল হেমেন, দেবা, সঞ্জীৱ, হিমাংশু, পবন, গকুল, ৰাজু, অজন্তা, হেমন্তী, বুবুল, অমিয়, ধনন, নগেন, ৰাজেন, কৰবী, গতিমা, প্ৰণীতা আৰু চক্ৰধৰ কলিতা, মীনাক্ষি পাঠক, সুনমী, মৰমী আৰু হীৰা বাইদেউলৈ এই চেগতে মই কৃতজ্ঞতা জনাইছো। শেষত অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছো।

"জয় আই অসম"

"জয়তু দুধনৈ মহাবিদ্যালয়"

শ্ৰীযশোবন্ত নাথ
আলোচনী সম্পাদক
দুঃ মঃ ছাঃ এঃ সঃ
১৯৯৮ - ৯৯ বৰ্ষ

# সূচীপত্র

## অসমীয়া বিভাগ

| | |
|---|---|
| মদ্যপানৰ অপ কাৰিতা | ১ |
| আজিৰ ছাত্ৰ সমাজৰ ৰেগিং | ২ |
| পৰিবেশ সুৰক্ষা আমি | ৩ |
| বৰকাতীৰ কবিতাত শোক আৰু বিষাদ | ৪ |
| ধূমপান আৰু জনস্বাস্থ্য | ৬ |
| সমাজত ধৰ্ম আৰু বিজ্ঞানৰ সমন্বয় আৰু মূল্যবোধ | ৮ |
| টাইকোৱানডো আৰু অসম | ১০ |
| অশ্ৰুবয় নিৰবধি | ১১ |
| নাচচা শূল | ১৩ |
| উজাগৰী নিশাৰ অন্তত | ১৬ |
| এখন চিঠি এটোপা অশ্ৰু | ১৮ |
| নিয্যতিতা জননী | ১৯ |
| এজুপি ফুল | ১৯ |
| তুমি মহান | ১৯ |
| পথাৰ | ২০ |
| নিস্তব্ধ হৃদয় | ২০ |
| Chemistry | ২০ |
| উত্তৰ কোনে দিব | ২১ |
| মৃত্যু বিভিশিকা | ২১ |
| সোঁৱৰণী | ২১ |
| হৃদয়ৰ বতৰা | ২১ |
| সাৰথি | ২২ |
| দুৰ্দান্ত যাত্ৰী মই | ২২ |
| এটি অবান্ত সপোন | ২৩ |
| বিননি | ২৩ |
| স্বদেশৰ হকে | ২৪ |
| প্ৰিয়া | ২৪ |
| সেন্দুৰীয়া কলিটি | ২৫ |
| প্ৰতিবাদ | ২৫ |
| পৃথিৱীৰ আত্মকথা | ২৫ |
| ঘোঁৰা | ২৫ |
| এখন চিঠি কবিতালৈ | ২৬ |
| সপোনৰ সোণজনীলৈ | ২৬ |
| ঋতুৰ পাছত ঋতু | ২৭ |
| সোঁৱৰণি | ২৭ |
| কবিতা | ২৭ |

## ইংৰাজী বিভাগ

| | |
|---|---|
| Psycholosy of Literature | ২৮ |
| Lack of humanity defused civilisation | ৩১ |

## ৰাভা কবিতা

| | |
|---|---|
| চাম্নি পাৰ | ৩৩ |
| ঋতুয়ো ছামে | ৩৩ |
| দুঃখনি ষাংচিং | ৩৩ |
| নায়কায়ো চান্দায় | ৩৪ |
| ৰাভা তায় পিদান | ৩৪ |

## বড়ো বিভাগ

প্ৰতিবেদন

# মদ্যপানৰ অপকাৰিতা

শ্ৰীনিৰফাই কুমাৰ ৰাভা
উ.মা. প্ৰথম বৰ্ষ (বিজ্ঞান)

মদ মানুহৰ প্ৰধান শত্ৰু। মদে মানুহৰ কৰ্মশক্তি কমোৱাৰ লগে লগে চিন্তা শক্তি হৰণ কৰে। ফলত সমাজ আৰু দেশখনকেই ৰুগীয়া কৰে। ই মানুহৰ একোটা পৰিয়াল, একোখন সমাজ ধ্বংস কৰে। অত্যাধিক সেৱন কৰা মানুহৰ মৃত্যু হব পাৰে। মদ খোৱাৰ ফলত বহুতো দুৰ্ঘটনা সংঘটিত হৈ অসংখ্য লোকৰ মৃত্যু হয়। মদে আওপকীয়া ভাৱে দুৰ্নীতি আৰু চোৰাং কাৰবাৰ বৃদ্ধিত সহায় কৰে। সুৰাপানৰ ফলত নৈতিক চৰিত্ৰৰ অধঃপতন ঘটে, স্বাস্থ্য নষ্ট হয়, অৰ্থনৈতিক দুৰৱস্থা হয়, বিবাহ বিচ্ছেদ, অশান্তি আদি নানা কুফল ঘটে।

মাদক দ্ৰব্যৰ ব্যৱহাৰৰ ফলত ভাৰতৰ দৰে এখন দুখীয়া দেশৰ জনসাধাৰণৰ আৰ্থিক, শাৰীৰিক, নৈতিক, পৰিবাৰিক, সামাজিক আৰু আধ্যাত্মিক ক্ষেত্ৰত যি অপকাৰ অমঙ্গলৰ সৃষ্টি হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখি স্বাধীন ভাৰতৰ সংবিধান নীতি নিৰ্দেশৰ অধ্যায়ৰ ৪৭ অনুচ্ছেদত মাদক দ্ৰব্য নিবাৰণৰ ব্যৱস্থা লবলৈ চৰকাৰক নিৰ্দেশ দিয়া হৈছে।

সুৰাপান, ধুমপান আদি যিকোনো মাদক দ্ৰব্য খোৱা অভ্যাস সংগদোষতেই হয়। ভাৰতীয় সমাজ জীৱনত মতা মানুহে মদ্যপান সম্পৰ্কীয় সমস্যাত মাইকী মানুহতকৈ বেছিকৈ ভোগে। আনফালে মদ বনোৱা বৃহৎ পুঁজিপতি দেশ ফৰাচী, ইটালী আৰু পৰ্তুগালত মদ্যপানকাৰীৰ সংখ্যা আটাইতকৈ বেছি। মানুহে ভৱাৰ দৰে সৰহ ভাগ মদাপী কিন্তু মানসিক বেমাৰৰ দ্বাৰা আক্ৰান্ত ব্যক্তি নহয়। মানুহে বিশ্বাস কৰে যে সুৰাপানে মানুহৰ ক্ষতি নকৰে, অপকাৰহে কৰে। ই যকৃত, পাকস্থলী আৰু হৃদপিণ্ডৰ ক্ষতিসাধন কৰে। ফলত মানুহৰ আয়ুস কমি আহে। সুৰাপানৰ ফলত দেশৰ বহুতো টকা অনৰ্থক খৰচ হয়। এজন মদ খোৱা মানুহে বিদেশী মদত শ শ টকা খৰচ কৰে।

এজন সাধাৰণ উপাৰ্জনকাৰী লোক আধাতকৈ বেছি মদ, বিড়ি, চিগাৰেটত খৰচ কৰা বহুতো উদাহৰণ আছে। তেনে মানুহৰ পৰিয়াল দৰিদ্ৰতাৰ চৰম সীমাত উপনীত হোৱাটো স্বাভাৱিক। অসমত মদ তৈয়াৰ কৰোঁতে বছৰি প্ৰায় ১৫ লাখ মোন জাতীয় শস্য নষ্ট হয়। এই খাদ্য সংকটৰ দিনত ইমান ধান নষ্ট কৰাত খাদ্যাভাৱ বেছি হোৱাটো স্বাভাৱিক। মদ খোৱাৰ ফলত আৰ্থিক অনাটন আৰু অন্যান্য কাৰণত পৰিয়ালৰ সৰু সৰু ল'ৰা ছোৱালীৰ জীৱন ধ্বংস হয়। চালকে মদখোৱৰ ফলত বহুত যানবাহন দুৰ্ঘটনাত পতিত হয় আৰু ফলত অসংখ্য লোকৰ মৃত্যু হয়, পৰিয়ালবোৰলৈ অবৰ্ণনীয় দুখ কষ্ট নামি আহে।

মদে শৰীৰৰ প্ৰত্যেকটো অংগ প্ৰত্যঙ্গৰ ক্ষতি সাধন কৰে। মদে মনত ক্ষন্তেকীয়া আনন্দ জন্মায় আৰু মগজু উত্তেজিত হোৱাৰ ফলত কথা বেছিকৈ কোৱাৰ ইচ্ছা হয়। মদ খোৱাৰ ফলত শৰীৰত বহুতো দুৰাৰোগ্য বেমাৰ হয়। মদৰ বিষক্ৰিয়াৰ ফলত কলিজাৰ মাংসপেশীৰ বেমাৰ দেখা দিয়ে, কলিজা দুৰ্বল হয়। মদ খোৱা মানুহে ৰক্তচাপ বৃদ্ধিজনিত বেমাৰত ভুগে। মদে খোৱা মানুহৰ মুখ জিভা আৰু খাদ্যনলীৰ কৰ্কট ৰোগৰ সম্ভৱনা মদ নখোৱা মানুহতকৈ বেছি। মদাহী মানুহৰ পাকস্থলীৰ ঘাঁ, তেজবমি আৰু পাকস্থলীৰ নানা অস্বাভাৱিক দেখা যায়। মদ খোৱা মানুহৰ পেটৰ অসুখ আদিও বেছিকৈ হয়। দীৰ্ঘদিন ধৰি মদ খোৱা মানুহৰ যকৃতৰ কৰ্কট ৰোগ হয়। মদ খোৱাৰ ফলত মগজুত ৰক্ত ক্ষৰণ হব পাৰে, স্নায়ু বিলাক আক্ৰান্ত হৈ বিকল হব পাৰে। মদ খোৱাৰ ফলত মাংস পেশী বিলাক দুৰ্বল হয় আৰু বহুত প্ৰকাৰৰ বেমাৰ হয়। হাত ভৰিৰ গাঠি বিলাক ফুলে আৰু প্ৰচণ্ড বিষ হয়। মদ খোৱাৰ ফলত নিউমোনিয়া, যক্ষ্মা আদি বেমাৰ বেছিকৈ হয়। সুৰাপান কৰাৰ ফলত যৌন ক্ষমতা কমি যায়। প্ৰজনন ক্ষমতা কমি যোৱাৰ ফলত সন্তান সন্ততি নহয়। মদ্যপায়ীৰ সন্তান বহুতো জটিল বেমাৰত ভূগিব পাৰে। মদ সেৱন কৰাৰ ফলত ছালৰ খহতা হয় হাত আৰু ভৰিৰ তলুৱা ৰঙা হয়। গোটেই শৰীৰত খহ হ'ব পাৰে। মদ্যপায়ীৰ মানসিক অশান্তি থাকিলে বহুতো সময়ত আত্মহত্যা কৰিব পাৰে। অতিকৈ মদ খোৱা মানুহ জেদী হয় আৰু অতিপাত হিংসুক হয়। মদ খোৱাৰ ফলত পৰিয়ালৰ লোকক মাৰপিট আৰু কেতিয়াবা হত্যাও কৰিব পাৰে। নিয়মিত মদ খোৱাৰ ফলত শৰীৰত গ্লুকজ কমি যায়।

মদ্যপান অভ্যাসত পৰিণত হলে তাক সহজে এৰিব নোৱাৰে। নিচাসক্তলোকে সঘনাই সৰু সৰা দুৰ্ঘটনাত পতিত হোৱা দেখা যায়। যেনে - কটা-ছিঙা।

মদ নিবাৰণ - মদ নিবাৰণ কৰাটো সহজ কাম নহয়। বৰ্ত্তমান গাৱে-ভূঞে মদৰ ব্যাপক প্ৰচলন আৰম্ভ হৈছে আৰু স্কুলীয়া বা কলেজীয়া ছাত্ৰ, শিক্ষক যুৱক আদিকে ধৰি অসমৰ সৰহভাগ লোকে ইয়াৰ কবলত পৰিছে। মদ নিবাৰণী আইন বলবৎ কৰাৰ দায়িত্বত থকা পুলিচ, আবকাৰী বিষয়া আদিয়েও মদ খাই বেহুঁচ হৈ পৰি থকাৰ দৃষ্টান্ত বিৰল নহয়।

মদ নিবাৰণ সম্পৰ্কে আন এটা অসুবিধা হৈছে জনজাতীয় লোকৰ মদ ব্যৱহাৰৰ প্ৰতি থকা সামাজিক আৰু ধৰ্মীয় স্বীকৃতি আনহাতে চৰকাৰেও আমোদ কৰ বা বিক্ৰী কৰ লোকচানৰ ভয়ত মদ নিবাৰণ হোৱাটো আন্তৰিকতাৰে কামনা নকৰে।

মদ খোৱা মানুহে অৱসৰৰ সময় কটাবৰ কাৰণে বিভিন্ন বিনোদনৰ ব্যৱস্থা কৰিলে তেওঁলোকে দুনাই মদ খোৱাৰ প্ৰতি আসক্তি অনুভৱ নকৰে। আজিকালি মদ এৰাব পৰা ঔষধো বজাৰত ওলাইছে। ডাইচালফিৰাম Disulfiram নামৰ ঔষধী ২০০-৪০০ মি.গ্ৰা খোৱাৰ পিছত মদ খালে প্ৰচণ্ড মূৰৰ বিষ হয়। বমিৰ ভাৱ হয় আৰু উশাহ লোৱাৰ কষ্ট হয়। কোনো মদাহী ব্যক্তিৰ এনেকুৱা অভিজ্ঞতা এবাৰ হ'লে এই জাতৰ ঔষধ খোৱাৰ পিছত আৰু মদ খাবলৈ সাহস নকৰে।

মনৰ দৃঢ়তাৰে প্ৰতিজ্ঞবদ্ধ হ'লে মদ্যপানৰ অভ্যাস সহজে পৰিত্যাগ কৰিব পাৰি। সমাজৰ সকলো জনসাধাৰণৰ সমূহীয়া প্ৰচেষ্টাৰ অবিহনে মদ্যপানৰ দৰে ভয়াবহ সামাজিক সমস্যাক নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। অকল আইন প্ৰনয়ণৰ দ্বাৰা এই সমস্যাৰ স্থায়ী সমাধান সম্ভৱ নহয়। ৰাইজ নিজে নিজেই সচেতন হব লাগিব। জনগনই কৰিব নোৱাৰা কাম নাই। এই ক্ষেত্ৰত জাতিৰ পিতা মহাত্মা গান্ধীয়ে এবাৰ কথা কৈছিল - "মোক যদি দুঘন্টাৰ বাবেও একনায়কত্বৰ ভাৰ দিয়া হয়, প্ৰথম কাম হব বিনা ক্ষতি পুৰণে দেশৰ মদৰ দোকান বন্ধ কৰি দিয়া।"

# পৰিবেশ সুৰক্ষা আৰু আমি

শ্ৰীপুলমা নাথ
উ.মা. দ্বিতীয় বৰ্ষ

মানুহ আৰু প্ৰকৃতিৰ পৰিবেশৰ মাজত আছে এক নিবিড় সম্বন্ধ। প্ৰকৃতিৰ পৰিপাশ্বিকতাৰ লগত মানুহ জীয়াই থকাৰ বাবে বহুতো কাম কৰিবলগীয়া আছে।

সৃষ্টিৰ পাতনিতে মানুহে এক বিশৃংখল আৰু যাযাবৰী জীৱন যাপন কৰিছিল। সেই সময়ত মানুহে প্ৰকৃতিক আশ্ৰয় কৰি জীৱ-জন্তুৰ মাংস, ফলমূল খাই জীৱন নিৰ্বাহ কৰিছিল। কৃষি আৰু জুইৰ আৱিস্কাৰৰ লগে লগে গাওঁ, চহৰ, নগৰৰ উৎপত্তি হৈ বৰ্তমান অৱস্থাত পাইছে। সভ্যতাৰ অগ্ৰগতিৰ লাগে লগে মানৱ জাতিৰ প্ৰভাৱ প্ৰকৃতিৰ ওপৰত বাঢ়ুকৈয়ে পৰিবলৈ ধৰিলে। মানুহে প্ৰকৃতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি প্ৰকৃতিৰ বহুতো ক্ষতি সাধন কৰিবলৈ ধৰিলে।

ঔদোগিক বিপ্লৱৰ অগ্ৰগতিৰ লগে লগে মানুহে প্ৰকৃতিক সম্পদ সমূহ সফল ভাৱে আহৰণ কৰি জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ ধৰিলে। ফলস্বৰূপে ডাঙৰ ডাঙৰ কল কাৰখানা নিৰ্মান, বিভিন্ন ধৰণৰ ৰাসায়নিক উদ্যোগ স্থাপন, শক্তি আহৰণৰ কাৰণে খনিজ তেল, কয়লাৰ ব্যৱহাৰ আৰু অধিক হাৰত যান-বাহনৰ চলাচল বৃদ্ধি পালে। ইয়াৰ ফলত কিছুমান দুষিত গেছ, ৰাসায়নিক পদাৰ্থ, ধোৱাঁ, ধূলি আৰু আৱৰ্জনাৰে পৃথিৱীখন ভৰি পৰিল আৰু ইয়াৰ লগে লগে আমাৰ চাৰিওফালৰে পৰিবেশ দুষিত হৈ মানুহৰ আন জীৱ-জন্তুৰ মাজত নান সমস্যাৰ সৃষ্টি কৰিবলৈ ধৰিলে।

দ্ৰুত গতিত বৃদ্ধি পাই অহা জনসংখ্যাই মানুহৰ মাজত খাদ্য আৰু নানা সমস্যাই দেখা দিলে। এই সমস্যা দূৰ কৰিবলৈ মানুহে উৎপাদন বঢ়াবলৈ নানা ধৰণৰ ৰাসায়নিক সাৰ কীটনাশক ঔষধ ব্যৱহাৰ কৰি খাদ্য-শস্যৰ উৎপাদন বঢ়াবলৈ ধৰিলে আৰু খেতিৰ মাটিৰ বৃদ্ধি কৰিবলৈ পৰ্বত, পাহাৰ, গছ-গছনি আদি মুকলি কৰি খেতি কৰিবলৈ ধৰিলে, মানুহে নিজৰ চাহিদা পুৰণৰ বাবে। ইয়াৰ ফলত আকাশ বতাহ, জল, স্থল সকলোতে এক ভাৰসাম্যহীনতা পৰিবেশে বিৰাজ কৰিছে আৰু ইয়ে মানৱ জাতিৰ আৰু আন আন প্ৰাণীৰ বিপদৰ কাৰণ হৈ পৰিছে।

পৰিবেশ কেনেকৈনো দুষিত হয় ইয়াৰ কাৰণ বিচাৰিলে আমাৰ চকুত পৰে আমাৰ মানৱ জাতিৰ ওপৰত। আমি মানৱ জাতিটো ইয়াৰ বাবে সম্পূৰ্ণৰূপে জগৰীয়া। উদ্ভিদ আৰু আন প্ৰাণীবোৰে প্ৰকৃতিৰ ভাৰসাম্য বজাই ৰখাৰ ফলত আমি পৃথিৱীত জীয়াই থাকিবলৈ সক্ষম হৈছো। কিন্তু আমি মানুহবোৰে লোভ আৰু নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে জীৱ-জন্তু, গছ-গছনি ধ্বংশ কৰি এক প্ৰাকৃতিক ভাৰসাম্যহীনতা পৰিবেশৰ সৃষ্টি কৰি আমি নিজে নিজৰ বিপদ চপাই লৈছো। অকল অৰন্য ধ্বংশ কৰাৰ ফলত যে, একোটা সভ্যতা পৃথিৱীৰ পৰা চিৰকালৰ বাবে ধ্বংস হৈ যাব পাৰে আৰু একোখন চিৰ সেউজীয়া ঠাই মৰুভূমিত পৰিণত হব পাৰে তাৰ উদাহৰণো এই পৃথিৱীত নোহোৱা নহয়। অকল অৰণ্য ধ্বংশ কৰাৰ ফলতে দক্ষিণ আমেৰিকাৰ "মায়া" সভ্যতা চিৰকালৰ বাবে পৃথিৱীৰ পৰা বিলুপ্ত হৈছিল। ঠিক সেইদৰে মানুহৰ অদুৰদৰ্শি আৰু জধে মধে অৰণ্য ধ্বংশ কৰাৰ ফলত আমেৰিকাৰ সেউজীয়া গছ-গছনি ভৰা আৰু সৰুৱা ভূমি "ওকলাহাম" নামৰ ঠাইখনত এদিন মৰুভূমিত পৰিণত হৈ মানুহ আৰু আন জীৱ-জন্তুৰ বাসোনুপযোগী হৈ পৰিছে। বৰ্ত্তমান পৃথিৱীত জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাই আহিছে আৰু ইয়াৰ লগে লগে প্ৰকৃতিৰ ওপৰত মানুহৰ কাৰ্য্যকলাপো বাঢ়ি গৈছে। পৰ্ব্বত, পাহাৰ, হাবি বন চাফা কৰি মানুহে নগৰ পাতিছে নানান উদ্যোগ কল কাৰখানা আদি গঢ়িছে। এনেদৰে বৃদ্ধি পাই অহা কল-কাৰখানা, উদ্যোগ, নানান ধৰণৰ যান-বাহন আদিৰ পৰা ওলোৱা ধোৱা ৰাসায়নিক দ্ৰব্য আৰু উৎপাদিত আৱৰ্জনাই আমাৰ চাৰিওফালৰে পৰিবেশ দুষিত কৰি এক ভয়ঙ্কৰ বিপদৰ সৃষ্টি কৰিছে। শস্যত প্ৰয়োগ কৰা নানান ধৰণৰ কীটনাশক ঔষধ আৰু ৰাসায়নিক সাৰেও পৰোক্ষ ভাৱে মানুহ আৰু আন প্ৰাণীৰো ক্ষতি সাধন কৰিছে। ইয়াৰ ফলত পৃথিৱীৰ ভালে মান গছ-গছনি পশু-পক্ষী আদি লুপ্ত হৈ এক ভাৰসাম্যহীন আৰু দুষিত পৰিবেশৰ সৃষ্টি হৈছে। এনেদৰে যদি আৰু কিছু বছৰ থাকে তেন্তে অদুৰ ভৱিষ্যৎত যে পৃথিৱীখনত মানুহ আৰু আন আন প্ৰাণী জীয়াই থকা সম্ভৱ নহ'ব সেইটো নিশ্চিত। সেয়ে সময় থাকোতে আমি সকলোৱে আমাৰ পৰিবেশ সংৰক্ষণ কৰা উচিত।

এই পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত আমি ছাত্ৰ-ছাত্ৰীবোৰেও ভূমিকা লব লাগিব। ১৯৭২ চনৰ ৫ জুন তাৰিখে ছুইডেনৰ ষ্টকহ'ম চহৰত পৰিবেশ সম্পৰ্কীয় এখন ডাঙৰ সন্মিলন অনুষ্ঠিত হৈছিল। ইয়াত পৃথিৱীৰ ১১৩ খন ৰাষ্ট্ৰই অংশ গ্ৰহণ কৰিছিল। আমাৰ ভাৰতেও এই সন্মিলনত অংশ গ্ৰহণ কৰিছিল। ষ্টকহ'ম সন্মিলনৰ পাছৰে পৰা সমগ্ৰ বিশ্বত প্ৰতি বছৰে ৫ জুন তাৰিখত "বিশ্ব পৰিবেশ দিৱস" হিচাপে পালন কৰা হয়। এই সন্মিলনৰ মুখ্য উদ্দেশ্য হ'ল জনসাধাৰণৰ মাজত পৰি বেশ সংৰক্ষণ সচেতনাৰ ভাৱ জগাই তোলা। কিন্তু এইটো কথা ঠিক যে জনসাধাৰণৰ সক্ৰিয় সহযোগীতা আৰু সচেতনতা অবিহনে সভা সমিতি আৰু সন্মিলন পাতি কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰি। বৰ্তমান বিশ্বত পৰিবেশৰ যি অৱনতি ঘটিছে তাক পুণৰ ঘূৰাই আনিবলৈ ছাত্ৰ-ছাত্ৰী, জনসাধাৰণ, চৰকাৰ আদি সকলোৱে লগ হৈ ইয়াক নিমূল কৰিব লাগিব।

বৰ্ত্তমান পৃথিৱীৰ প্ৰায় সকলো দেশতে 'পৰিবেশ শিক্ষা' বিষয়তো অন্তভূৰ্ক্ত কৰা হৈছে। ছাত্ৰ-ছাত্ৰী সকলে পৰিবশে শিক্ষাৰ ওপৰত মনোনিবেশ কৰি পৰিবেশ সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰিব পাৰে। ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন ধৰণৰ সভা-সমিতি পাতি তাত জনসাধাৰণৰ মনত পৰিবেশ সংৰক্ষণ সচেতনতাৰ ভাব জগাই তুলিব পাৰি। আমাৰ ভাৰতবৰ্যত উত্তৰ প্ৰদেশৰ চামোলি নামৰ জিলা খনত নাগৰিক সকলে চোৰাং কাঠৰ বেপাৰীক গছ কটা বন্ধ কৰিবলৈ 'চিপকো' নামৰ এক আন্দোলন গঢ়ি উঠিছিল আৰু ই সম্পূৰ্ণৰূপে কৃতকাৰ্য্যতা লাভ কৰিছিল। আমি সকলোৱে যদি চামোলি জিলাৰ নাগৰিক সকলৰ দৰে সচেতন হওঁ আমাৰ পৰি বেশ সুৰক্ষা যে হব সেইটো নিশ্চিত। ঠিক সেইদৰে ভৱিষ্যতৰ পৰিবেশ সম্পৰ্কীয় ভয়াবহতা লক্ষ্য ৰাখি 'কেৰেলা শাস্ত্ৰ সাহিত্য পৰিষদে' নিৰৱ উপত্যকাত বান্ধিব খোজা জল বিদ্যুৎ প্ৰতিকল্প বন্ধ কৰি দিছিল। আমাৰ অসমো এসময়ত প্ৰাকৃতিক সম্পদত চহকী আছিল। কিন্তু বৰ্ত্তমান চোৰাং ব্যৱসায়ীৰ কৱলত পৰি মূল্যবান গছ-গছনি আৰু জীৱ-জন্তু লাহে লাহে নাইকিয়া হবলৈ ধৰিছে। ফলস্বৰূপে অসমতো পৰিবেশ প্ৰদুষণ সমস্যাই লাহে লাহে ভয়ানক ৰূপ ধাৰণ কৰিছে। অসমত প্ৰতি বছৰে হোৱা বানপানী আদি ইয়াৰে ফল। আমি অসমৰ ছাত্ৰ-ছাত্ৰীসকলে বিদেশী খেদা আন্দোলনৰ দৰে এক পৰিবেশ সংৰক্ষণ আন্দোলন গঢ়ি তুলি চোৰাং ব্যৱসায়ী সকলক বাধা প্ৰদান কৰিব লাগিব।

ছাত্ৰ-ছাত্ৰী সকলে অৰ্থাৎ আমি পৰিবেশ সংৰক্ষণত বিশেষ ভুমিকা গ্ৰহণ কৰিব পাৰো। আমি জনসাধাণক আৰু চোৰাং ব্যৱসায়ী সকলক বুজাব পাৰিব লাগিব যাতে তেওঁলোকে বুজি পায় গছ-গছনি আমাৰো সম্পদ আৰু ইয়াৰ অবিহনে জীয়াই থকা অসম্ভৱ। নানা ধৰণৰ আৱৰ্জনা, যতে-ততে পেলোৱা থু-খেকাৰ নৈ বিল আদিত কাপোৰ ধোঁৱা, মল-মূত্ৰ আদিও আমাৰ পৰিবেশ দুষিত কৰি নানা ধৰণৰ ৰোগৰ সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰী সকলে এই ক্ষেত্ৰত আগ ভাগ লৈ এই কাৰ্য্যবোৰ ৰোধ কৰিব পাৰো হওঁক।

আমাৰ এই সুন্দৰ পৃথিৱীখন কাৰো ব্যক্তিগত সম্পত্তি নহয়। সেয়েহে ইয়াক ৰক্ষা কৰাৰো দায়িত্ব আমাৰ সকলোৰে। আমি আমাৰ ভৱিষ্যত বংশধৰ সকলোৰ বাবে এই পৃথিৱীখন নিৰ্মল কৰি ৰখাৰ দায়িত্ব আমাৰেই। আমি পৃথিৱীখনত মানুহ হিচাপে জীয়াই থাকিবলৈ হ'লে আমাৰ এই পৃথিৱীখন বিনন্দীয়া কৰি এখ মুক্ত আৰু নিৰ্মল পৰিবেশ ৰচনা কৰিব লাগিব আৰু তেতিয়াই আমি পৃথিৱীখনত সভ্য মানুহ হিচাপে জীয়াই থাকিব পাৰিম। আমাৰ এই বিশৃঙ্খল সমাজখনৰ বাবে আমি সকলোৱে আগবাঢ়ি আহিব লাগিব যাতে সমাজখনৰ বাবে এক মুক্ত আৰু নিৰ্মল পৰিবেশ ৰচনা কৰিব পাৰোঁ।

# বৰকাকতীৰ কবিতাত শোক আৰু বিষাদ

**শ্ৰীহৰ কুমাৰ নাথ**
অধ্যাপক, অসমীয়া বিভাগ

আধুনিক কাব্যৰ বিশেষত্ব তথা লক্ষণবাজি বিশ্লেষণ কৰিলে ঘাইকৈ দুটা কথা পোৱা যায়, সিয়েই হ'ল - বুদ্ধিদীপ্ততা আৰু মননশীলতা । বুদ্ধি আৰু মননশীল আধুনিক মনৰ চিন্তা চৰ্চাৰ ফলত জীৱনত যি নৈৰশ্য আৰু বেদনাৰ উদ্ৰেক হয়, সেয়াহে আধুনিক কবিতাৰ মূল উৎস । অসমীয়া সাহিত্যত ৰোমান্টিক পূৰ্ব যুগতেই শোক কবিতাৰ লক্ষ্ণ প্ৰস্ফুটিত হোৱা চকুত পৰে ।[১] দৃষ্টান্ত হিচাপে ভোলানাথ দাসৰ 'সীতা হৰণ' কাব্যখনেই যথেষ্ট হব । পৰৱৰ্তী জোনাকী যুগত ই পূৰ্ণতা লাভ কৰে । জীৱন সম্পৰ্কে এটি হতাশা, জীৱন-জীজ্ঞাসা, নৈৰাশ্য তথা বেদনা লক্ষ্য কৰা যায় ।

উনবিংশ শতিকাত পৃথিৱীৰ প্ৰায় সকলো উন্নত ভাষাৰ সাহিত্যতেই এই সুৰ শুনিবলৈ পোৱা গৈছিল । হৰেন্দ্ৰ মোহন দাসগুপ্ত নামৰ এজন সমালোচকে বিষাদ তথা নৈৰাশ্যৰ পৰিচয় দাঙি ধৰিছে -

"The common refrain was that life was a burden and fulilety and that above all, there was a higher agency, call it fate or anything else that presided over that destinies of man."

জীৱনটো এটি দুৰ্ব্বহ আৰু ব্যৰ্থতাৰ স্তূপ মাত্ৰ, এই ভাবে সমগ্ৰ কৰ্ম প্ৰচেষ্টাকেই নিয়ত ব্যাহক কৰি দিছিল আৰু তাৰেই ফল স্বৰূপে কাব্য কাননত বেদনা ঘনিভূত হৈ উঠিছিল । বৈজ্ঞানিক আবিষ্কাৰৰ জয় যাত্ৰাৰ চৰম উন্নতিৰ লগে লগে নৱলব্ধ জ্ঞানৰ উল্লাসত যিদৰে মতলীয়া হৈ পৰিছিল, ঠিক সেইদৰে হতাশাৰো চৰম সীমাত উপনীত হৈছিল । অলপ পলমকৈ হলেও অসমীয়া কবি সকলৰ প্ৰাণতো সেই সুৰ বাজি উঠিল আৰু প্ৰকাশ কৰিলে কবিতাৰ মাজেদি । ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচাৰ্য্য আদি কবিৰ ৰচনাত অস্পষ্ট ভাৱে হ'লেও যি বিষাদৰ সুৰ শুনিবলৈ পোৱা যায় সেইয়া শুভাৰম্ভৰ শংখ নিনাদ স্বৰূপ ।

জোনাকী যুগত চন্দ্ৰ কুমাৰ আগৰৱালা, বেজবৰুৱা আদি কবি সকলৰ দ্বাৰা ৰোমান্টিক আন্দোলনৰ অহিন সুৰৰ লগতে বিষাদৰ সুৰ স্পষ্ট ভাৱে শুনিবলৈ পোৱা গ'ল ।

অসমীয়া ৰোমান্টিক ভালে কেইজন কবিয়ে শোক-গীতি ৰচনা কৰিছে । ইয়াৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰত্নকান্ত বৰকাকতী, নলিনীবালা দেৱী আদিয়েই প্ৰধান । পত্নীৰ মৃত্যুত ৰচিত গোহাঞিবৰুৱাৰ 'মালাকাব্য' আৰু হিতেশ্বৰ বৰবৰুৱাই ৰচনা কৰা 'মালচ আৰু চকুলো' সেই শোক বিৰহ ভাবেৰে পৰিপূৰ্ণ । লীলা কাব্যত গোহাঞিবৰুৱাই পাৰিবাৰিক সুখ-দুখৰ বৰ্ণনাৰ পৰা ওলাই আহি মনক সাৰ্বজনীন ভাৱৰাজ্যত বিচৰণ কৰাবলৈ বৰকৈ সফল হোৱা নাই । বৰ বৰুৱাৰ 'মালচ আৰু চকুলো'ত পুত্ৰ বিয়োগৰ ব্যক্তিগত শোকৰ কিনিনি ফুটি উঠিছে ।[২]

কবি ৰত্নকান্ত বৰকাকতীৰ 'ভাইটী', 'স্বৰ্গীয় চন্দ্ৰ নাথ শৰ্মা', 'অৰ্থ' আৰু চকুলো আদি কবিতাত শোকৰ ঘনীভূত প্ৰকাশ হৈছে । ব্যক্তিগত শোক অনুভূতিয়ে কবিতা কেইটিত প্ৰাধান্য লাভ কৰিছে ।

'ভাইটী' কবিতাত কবি ভাতৃ বিয়োগত ম্ৰিয়মান হৈ পৰিছে । একে তেজৰ একে মঙহৰ ভাতৃৰ লগতো কেতিয়াবা কাজিয়া-পেচাল কৰিব লগীয়া হয়, শত্ৰু বুলি ভাব হয় । কবিজনাও নিজ ভাতৃ 'পদুম'ৰ লগত কাজিয়া কৰিছিল, শত্ৰু বুলিও ভাবিছিল । কিন্তু 'পদুম'ৰ মৃত্যুৱে কবিক ভাতৃ প্ৰেমক উপলব্ধি কৰাবলৈ বাধ্য কৰালে -

*শত্ৰু ভাবিছিলো তোক*
*ময়েতো সোনাই*
*অই যুজোঁতে সদায়,*
*আজিহে বুজিলোঁ সোণ*
*তোৰ সম মিত্ৰ*
*আৰু কোনো মোৰ নাই ।*

-(ভাইটী)

ৰত্নকান্ত বৰকাকতীৰ এই ভাবধাৰাৰ মাজত ইংৰাজ কবি শ্যেলীৰ অতি আদৰৰ সন্তান উইলিয়াম শ্যেলীৰ মৃত্যুত ৰচিত কবিতাত প্ৰকাশিত শোকাকুল ভাৱ ধাৰাৰ ঝঙ্কাৰ কাণত পৰে[৩]-

*Where art thou, my gentle child ?*
*Let me think my spirit feeds,*
*With its life intense and mild,*
*The love of living leaves and weeds*
*Among these tombs and ruins wild*

*(To william Shalley)*

একেদৰে কবি গুৰু ৰবি ঠাকুৰেও 'শিশুৰ বিদায়' কবিতাত 'খোকা'ৰ মাজেৰে প্ৰকাশ কৰিছে যে সি মাকক এৰি গলেও তেওঁক একেবাৰে ত্যাগ কৰি নাযায়, সি বতাহৰ স্পৰ্শ, পানীৰ শীতলতা, বৰষাৰ শব্দ, বিজুলীৰ চমকনি, জোনৰ স্নিগ্ধ পোহৰ, মধুৰ স্বপ্ন ৰূপে তাৰ মাকক বাৰে বাৰে দেখা দিবহি[৪]-

*"পূজোৰ কাপড় হাতে ক'ৰে*
*মাসি যদি শুধায় তোৰে*
*খোকা তোমাৰ কোমায় গেল চ'লে ?*
*বলিস্ খোকা সে কি হাৰায় ।*
*আছে আমাৰ চোখেৰ তাৰায়,*
*মিলিয়ে আছে আমাৰ বুকে কোলে ।"*

বৰকাকীত 'ভাইটী' কবিতাটোত মৃত্যুৰ ইপাৰ আৰু সিপাৰ কথাখাৰ

বৰ সহজভাৱে উপলব্ধি কৰিছে, যেন জীৱন আৰু মৃত্যুৰ কোনো পাৰ্থক্য নাই। জীৱনৰ সিপাৰত ভাইটীক যদি আকৌ লগ পায় তেতিয়া ইপাৰৰ দৰে তেওঁ কেতিয়াও কাজিয়া নকৰে। বৰং তাক দুয়ো হাতেৰে সাৱতি ধৰি চুমা এটিহে খাব[৭]-

*'জীৱনৰ সিপাৰত*
*ওলাৰ এদিন যদি*
*ডিঙিতে সাবতি ধৰি*
*চুমা এটি খাম,*
*ইপাৰৰ যুঁজ বাজ*
*নকৰোঁ নকৰোঁ আৰু*
*পদুম মু'খনি তোৰ*
*হিয়া ভৰি চাম।'*

-(ভাইটী)

স্বৰ্গীয় চন্দ্ৰনাথ শৰ্মা কবিতাটোত ভ্ৰাতৃ প্ৰাণ চন্দ্ৰ নাথ শৰ্মাৰ অকাল বিয়োগত মৰ্মাহত অন্তৰৰ মৰ্মবেদনা প্ৰকাশ পাইছে। ইয়াত ভাৰতীয় দৰ্শনৰ আত্মাৰ অবিনশ্বৰতা সম্বন্ধে কবিৰ দৃঢ় বিশ্বাস প্ৰকাশ পাইছে। চন্দ্ৰ নাথ শৰ্মাৰ দেখাত মৃত্যু হৈছে যদিও দৰাচলতে সেইয়া মৃত্যু নহয়। আত্মা মৃত্যুহীন শাশ্বত নিয়ত সত্য। মাত্ৰ বিশাল অনন্ত সাগৰৰ ক্ষুদ্ৰ এটি ঢৌ সেই সাগৰতে সৃষ্টি হৈ একেই সাগৰৰ বুকুতে মাৰ গৈছে। এইয়া সমুদ্ৰ বক্ষৰ বৰবুৰণিহে মাত্ৰ[৭]-

*কাম কি শোকৰ*
*'যোৱা বন্ধুবৰ*
*মূলতে তুমি হেৰোৱা নাই,*
*উঠিছিলা প্ৰাণ*
*ডুবিলা পুনৰ*
*প্ৰাণ সাগৰেৰে*
*কঁপনি খাই।*

-(স্বৰ্গীয় চন্দ্ৰ নাথ শৰ্মা)

কবি ৰত্নকান্তৰ আত্মা সম্পৰ্কীয় এই প্ৰত্যয়ৰ অন্তৰালত কবি ভৱভূতিৰ তেনে এক বিশ্বাসৰ ধ্বনি কাণত পৰে। ভৱভূতিৰ ভাষাত 'আৱৰ্ত্ত স্ববুদতৰংগময়ান্ বিকাৰাণ্ অম্ভো যথা সলিলসেব তু তত সম্প্ৰম্''[৮]। আমাৰ কবিয়েও বন্ধুৰ সতে পৰজনমত যদি পুনৰ কিবাকৈ দেখা হয়, তেতিয়া সেই একেই সৌহাৰ্দ্যপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰাৰ মানস কৰিছে। কবিৰ সেই ভাব ৰাশিৰ খলকনি তলত দিয়া দৰে প্ৰকাশ পাইছে[৯]-

*হয়তো যেতিয়া*
*দক্ষিণ বতাহে*
*পূৰ্বৰ স্মৃতি*
*হঠাত গই,*
*জলাব হিয়াত*
*লওঁতে জিবনি*
*দুয়ো অকলই*
*কেনেবা কই*

-(স্বৰ্গীয় চন্দ্ৰ নাথ শৰ্মা)

বৰকাকতীৰ এই কাব্যিক ভাবধাৰাৰ অন্তৰালত শ্বেলীৰ 'Adonosi' ৰ আলোক বেখাৰে উদ্ভাসিত হোৱা চকুত পৰে[১০]-

*Peace ! Peace !*
*He is not dead,*
*He doth not sleep*
*He not awakened*
*From the dream of life*

- (Adonois).

'অৰ্থ' নামৰ কবিতাটিত বৰকাকতীয়ে নিজৰ এটি শিশু কন্যাৰ মৃত্যুৰ পিছত ৰছনা কৰিছে। সংসাৰ খন যেনে বিনন্দীয়া, তেনে নিষ্ঠুৰো। সংসাৰৰ এই নিষ্ঠুৰতাৰ তেখেতে অৰ্থ বিচাৰিছে এইদৰে[১১]ঃ

*শব্দ-গন্ধ ৰূপ ৰসে*
*এই পৃথিৱীৰ*
*ব্যৰ্থকাম জীৱনত*
*লাল কাল হই,*
*ভাবিছো সি ফুল আৰু*
*তৰাৰে লগত, আছে নেকি*
*পূৰ্ণ এটা কৰবাত*
*অৰ্থ মাৰ গই ?*

-(অৰ্থ)

'উৰ্মিলা'নামৰ কবিতাটিৰ মাজেৰে পৌৰাণিক চৰিত্ৰ এটিক কবিয়ে সজীৱ ৰূপ দিছে। কবিতাটি কৰুণ বৰ্ণনাৰ দ্বাৰা মৰ্মস্পৰ্শী ৰূপ লৈছে। ইয়াতো ৰবীন্দ্ৰ নাথৰ প্ৰবন্ধ 'কাব্যেৰ উপেক্ষিতাৰ ছাঁ অতি স্পষ্ট।

(১) নেওগ, মহেশ্বৰ, শৰ্ম্মা, হেমন্ত কুমাৰ ঃ সাহিত্য সমীক্ষা (২) Dasgupta, H.M. Dasgupta, Western Inluence on Nineteenth Century Bengali poetry. (৩) বৰকটকী, বীৰেন ১৯৮৬ ঃ সাহিত্যৰ পটভূমি, পৃ ঃ ১৪৯ (৪) প্ৰাগুক্ত গ্ৰন্থ, পঋ ঃ ৮৫ (৫) বন্দোপাধ্যায়, চাৰু চন্দ্ৰ, ১৩৭৩ বংগাব্দ ঃ ৰবি ৰশ্মি, পৃ ৩৮২ (৬) বৰকাকতী, বত্নাকান্ত (সম্পা), ১৯৫৯ ঃ শেৱালি, পৃ ঃ ৫ (৭) ঐ পৃ ঃ ৬৪ (৮) বন্দোপাধ্যায়, পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ৩৮৩ (৯) বৰকাকতী ৰত্নকান্ত, পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ৬৮ (১০) প্ৰাগুক্ত গ্ৰন্থ, পৃ ঃ ৩৮৪ ১১) ঐ পৃ ঃ ৭৪

প্ৰবন্ধ ঃ

# ধূমপান আৰু জনস্বাস্থ্য

শ্ৰী চন্দন কুমাৰ ৰাভা
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

মানুহে ভুল বুলি জানিও বহুত ভুল কাম কৰে। তাৰে এটা ডাঙৰ দৃষ্টান্ত হ'ল "ধূমপান যে স্বাস্থ্যৰ কাৰণে ক্ষতিকাৰক" তাক জানিও বহু মানুহে ধূমপান কৰাটো। অশিক্ষিত মানুহৰ কথা বাদেই শিক্ষিত মানুহেও সেই একে ভুল জীৱনত হাজাৰ হাজাৰ বাৰ কৰাটো মূৰ্খৰ কাম। কিন্তু এইটো যে এটা বেয়া অভ্যাস তাক বহলাই অলোচনা কৰাৰ প্ৰয়োজন নাই কিয়নো আমাৰ সকলোৰে ইয়াৰ অপকাৰিতাৰ বিষয়ে কম বেছি পৰিমানে জ্ঞান আছেই।

প্ৰত্যেক বছৰ মে' মাহৰ শেষৰ দিনটো জনাসাধাৰণক ধূমপানৰ কুফলবিলাকৰ পৰা সচেতন কৰিবলৈ ধূমপান বিৰোধী দিৱস হিচাবে পালন কৰা হয়। পৃথিৱীৰ বিভিন্ন ঠাইত ধূমপান নিষিদ্ধ কৰি আইন প্ৰৱৰ্ত্তন কৰিছে। কিন্তু ইয়াৰ পিছতো ধূমপায়ীৰ সংখ্যা দিনক দিনে বাঢ়িয়েই আছে।

চিগাৰেট বা চিগাৰ ধূমপান কৰাটো শিক্ষিত আৰু ধনী মানুহৰ বাবে এটা ব্যয়বহুল অভিজাত্য। আনফালে দুখীয়া শ্ৰেণীৰ বাবে বিড়ি খোৱাটো এবাৰ অভ্যাসত পৰিণত হোৱাৰ পিছত স্কুলীয়া আৰু কলেজীয়া ছাত্ৰয়ো ধূমপান কৰা দেখা যায়। এইদৰে ছাত্ৰ জীৱনৰ পৰাই ধূমপান কৰি ছাত্ৰসকলে নিজৰ মৃত্যুহে ওচৰ চপাই আনে। মদখোৱা মানুহৰ দৰেই ধূমপায়ী সকলেও ধূমপানৰ দ্বাৰা মানসিক আৰু শাৰীৰিক অৱসাদ দূৰ হোৱা বুলি ভাবিলেও প্ৰকৃততে তাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই।

চিগাৰেটত প্ৰায় 400 প্ৰকাৰৰ ক্ষতিকাৰক ৰাসায়নিক পদাৰ্থ থকা বুলি চিনাক্ত কৰা হৈছে। তাৰ ভিতৰত 18 বিধ মানে মাৰাত্মক ধৰণৰ অপকাৰী। সেইবোৰ হ'ল - নিকোটিন, আলকাতৰা (টাৰ), কাৰ্বন মনক্সাইড, বেনজোপাইৰিণ, বিষাক্ত হাইড্ৰজেন, ছায়োনাইড, আৰ্চেনিক, ক্ৰেজল, ফৰমেলডিহাইড, এমোনিয়া, এছিটেলডিহাইড, প্ৰুছিক এছিড ইত্যাদি। এটা চিগাৰেটত প্ৰায় 1.4 মি: গ্ৰা: নিকোটিন আৰু প্ৰায় ২০ মি: গ্ৰা: টাৰ থাকে। তিনিটা চিগাৰেত থকা নিকোটিন এজন মানুহ মাৰি পেলাবলৈ যথেষ্ট, যদি তাক তেজৰ নলীত বেজীৰে সুমাই দিব পৰা যায়।

দিনে এক পেকেটকৈ চিগাৰেট খোৱা মানুহে বছৰত প্ৰায় 70.000 বাৰ হোপে। মুখৰ পাতল আৱৰণ, নাক, ডিঙি আৰু স্বাসনলী আদি ধোঁৱাৰ সংস্পৰ্শলৈ আহে। কিছুমান পদাৰ্থই পোনে পোনে পাতল আৱৰণ বিষাক্ত কৰে; কিছুমান পদাৰ্থ তেজৰ লগত মিহলি হৈ যায় আৰু আনকিছুমান পদাৰ্থ লেলাউতিৰ লগত মিহলি হৈ খাদ্যনলীত প্ৰবেশ কৰে।

চিগাৰেটৰ ধোঁৱাৰ ক্ষতিকাৰক পদাৰ্থবিলাকৰ কিছুমান এন্টিজেনিক, চাইটোটক্সিক, মিউটাজেনিক আৰু আন কিছুমান কাৰচিনোজেনিক।

চিগাৰেট হোপাৰ লগে লগে বিষাক্ত ধোঁৱাবোৰ হাওঁফাওঁত সোমায়। এই ধোঁৱা বেছি পৰিমানে সোমোৱাৰ লগে লগে হাওঁফাওঁত বতাহ সোমোৱা ক্ষুদ্ৰ নলীবিলাক সংকুচিত হয় আৰু বতাহ চলাচলত বাধাৰ সৃষ্টি কৰে। ধোঁৱাৰ Irritant action ৰ বাবে বহুত শ্লেষ্মা জমাহৈ সৰু শ্বাসনলী বন্ধ কৰি দিয়ে। আনফালে দীৰ্ঘদিন এনেকুৱা Irritant action ৰ বাবে Mucosa (নলীৰ আৱৰণ) ডাঠ হয়। চিগাৰেট নোখোৱা মানুহৰ তুলনাত ই প্ৰায় ৪-৫ গুণ ডাঠ হোৱা বাবে বতাহ সোমোৱাত ইয়ো বাধাৰ সৃষ্টি কৰে আৰু উশাহ নিশাহ লোৱাত কষ্ট হয়।

ধোঁৱাৰ বাবে ডিঙি খচ্ খচ্ কৰে, শুকান কাহঁ হয় আৰু বুকুত হাঁপানিৰ দৰে শব্দ হয়। খুব বেছি চিগাৰেট খোৱা মানুহৰ মানসিক ভাবসাম্য নষ্ট হয় আৰু হাত কঁপিব পাৰে। অত্যাধিক চিগাৰেট খোৱা মানুহৰ Chronic Pharyngitis আৰু Chronic Bronchititis বেমাৰ হয়। দীৰ্ঘদিন বুকুৰ বেমাৰত ভোগা মানুহৰ হাঁপানি, হাওঁফাওঁৰ কৰ্কট বেমাৰ আৰু ৰক্তচাপো বৃদ্ধি হয়।

তেজত থকা হিম'গ্লবিনৰ অক্সিজেনত কৈ চিগাৰেটৰ ধোঁৱাৰ পৰা উৎপন্ন হোৱা কাৰ্বণ-মনক্সাইডৰ প্ৰতি আকৰ্ষণ 200 - 300 গুণ বেছি। হিম'গ্লবিনৰ প্ৰধান কাম হ'ল হাওঁফাওঁত থকা দূষিত তেজৰ (কাৰ্বণ-ডাই-অক্সাইড মিহলি তেজ) পৰা কাৰ্বণ-ডাই-অক্সাইড এৰি দি অক্সিজেন গ্ৰহণ কৰা। সেয়েহে চিগাৰেটৰ ধোঁৱা হাওঁফাওঁত প্ৰৱেশ কৰাৰ লগে লগে তেজে কাৰ্বন মন'ক্সাইড খিনি সোনকালে গ্ৰহণ কৰি কেইবাদিনলৈ সঞ্চিত কৰি ৰাখে। ফলত চিগাৰেট হপি উঠি নিৰ্মল বায়ু গ্ৰহণ কৰিলেও কাৰ্বন মন'ক্সাইড গোছখিনি নিৰ্গত নহয় আৰু তেজৰ হিম'গ্লবিনে ইয়াৰ ফলত কেইবাদিনলৈ সঠিক মাত্ৰাত অক্সিজেন গ্ৰহণ কৰিব নোৱাৰে। ইয়াৰ ফলত ধূমপান কৰা মানুহে দুৰ্বলতা, ৰক্তশূন্যতা আৰু অনিদ্ৰাজনিত বেমাৰত ভুগে।

আলকাতৰা (Tar) ব্যৱহাৰ কৰি বৈজ্ঞানিকসকলে গিনিপিগ জাতীয় জন্তুৰ দেহত কৰ্কট ৰোগৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। সেয়েহে আমি সঠিক ভাৱেই কব পাৰোঁ যে ধূমপানৰ ফলত মুখগহ্বৰ, ডিঙি, পাকস্থলী, হাওঁফাওঁ, বৃক্ক (Kidney) পেচাবৰ থলি আৰু জৰায়ুৰ কৰ্কট ৰোগ হ'ব পাৰে।

তিৰোতা মানুহে চিগাৰেট খোৱাৰ ফলত মাহেকীয়াৰ গোলমাল হ'ব পাৰে। আনকি সন্তান জন্ম দিয়াৰ ক্ষমতা কমি যাব পাৰে। বহুত মাইকী মানুহৰ অতিৰিক্ত ধূমপানৰ ফলত যৌন অৱসাদ আহি যায়। গৰ্ভৱতী মহিলাই ধূমপান কৰাৰ ফলত অপৈনত কেঁচুৱাৰ জন্ম হয়, জন্মা কেঁচুৱাৰ ওজন কম হয় আৰু সোনকালে মৰিব পাৰে।

Cadmium, arsenic, bengene, toluine অৰু Hydrogen আদি বিষাক্ত পদাৰ্থ যেতিয়া চিগাৰেটৰ ধোঁৱাৰ লগত নিৰ্গত হয় তেতিয়া চিগাৰেট নোখোৱা মানুহেও খোৱা মানুহৰ ওচৰত থকা বাবেই সেই ধোঁৱা সেৱনৰ ফলত চিগাৰেট খোৱা মানুহৰ দৰেই একে অসুবিধাত ভোগে।

অতিৰিক্ত ধূমপানে দুৰ্নীতি, অপৰাধ প্ৰৱনতা, হিংস্ৰা, পাৰিবাৰিক অশান্তি আৰু কম বয়সত মৃত্যু মাতি আনে। চিগাৰেট খোৱা মানুহৰ মৃত্যুৰ হাৰ নোখোৱা মানুহৰ তুলনাত প্ৰায় 70% বেছি। এই চিগাৰেট খোৱাৰ পৰিমাণ, কিমান বছৰ চিগাৰেট খাইছে বা কিমান কম বয়সত চিগাৰেট খোৱাচ লাগিছে ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰে। আনফালে চিগাৰেট খোৱা এৰি দিয়াৰ ফলত মৃত্যুহাৰ কমি যায়।

দেখা গৈছে অতিৰিক্ত ধূমপান কৰা মানুহে বেছি মদ, ভাং, গাজা আনকি চাহ, কফি জাতীয় বস্তুও বেছিকৈ সেৱন কৰে।

বিড়ি, চিগাৰ, চিগাৰেট, পাইপ আনকি চাদা (Chewing Tabacco) নমিৎ (Snuff) আদি সকলোবোৰ সমানে ক্ষতিকাৰক। ফিলটাৰ চিগাৰেট আৰু চিগাৰ তুলনামূলক ভাৱে সামান্য কম ক্ষতিকাৰক।

CIGAR শব্দটোত লুকাই থকা মৃত্যুৰ বিভিবিকা শব্দটো তলত দিয়া ধৰণে ভাঙিলেই ওলাই পৰে।

C- for Cancer of oral cavity, Thtoat, Iungs

(Bronchogenic Carcinoms), stomach, kidney, bladder, uterus.

I- for is chaemic heart disease (IHD)

G- for gestrointestinal disorder like dyspepsia anorexia, constipation and pepteic ulcer..

A- for atheroselerosis, embolism and thrombo angitis obliterence of blood vessels (Buergers disease)

R- for respiratory diseases like pharyngitis,bronchitis, preumonia, tuberculosis, Asthms, emphysems and anywhere in the respiratory tret.

অতিৰিক্ত ধূমপান কৰা মানুহৰ সাধাৰণ বেমাৰ প্ৰতিৰোধ কৰাৰ ক্ষমতাও কম।

আজিৰ সমাজ ব্যৱস্থাত চিগাৰেট সেৱন এটা ফেশ্বনত পৰিনত হৈছে। বিশ্ব স্বাস্থ্য সংস্থা (WHO-World Health Organisation) কে ধৰি বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠানৰ উদ্যোগত সম্প্ৰতি চিগাৰেটৰ বিৰুদ্ধে এটি গনজাগৰণৰ সৃষ্টি হৈছে। ইয়াৰ ফলত আমেৰিকাৰ দৰে উন্নত দেশত চিগাৰেট খোৱাৰ সংখ্যা উল্লেখযোগ্যভাৱে কমিলেও ভাৰতবৰ্ষৰ দৰে অনুন্নত দেশত ধূমপানৰ ব্যৱহাৰ বাঢ়ি থকাটো নিশ্চয় চিন্তাৰ কাৰণ হৈ দেখা দিছে।

চিকিৎসক সকলৰ মাজত প্ৰায় দহ শতাংশই চিগাৰেট সেৱন কৰিলেও এওঁলোকে ৰোগীক সদায় ধূমপান ত্যাগ কৰিবলৈ উপদেশ দিয়ে। বহুত ক্ষেত্ৰত এনেকুৱা উপদেশ দিয়ে। বহুত ক্ষেত্ৰত এনেকুৱা উপদেশ বৰ কামত লাগে।

অতি দুখলগা কথা হ'ল, চিগাৰেট ৰূপী বিভিষিকাই সকলোকে আৱৰি ধৰিবলৈ প্ৰায়াস কৰিছে। সেয়েহে ধূমপান বন্ধ কৰিবলৈ তলত কিছুমান বাস্তৱসন্মত দিহা পৰামৰ্শ আগবঢ়োৱা হল।

১) চিগাৰেট সেৱনৰ অভ্যাস যিহেতু কৈশোৰত গঢ়ি উঠে সেয়েহে চিগাৰেটৰ অপকাৰিতাৰ বিষয়ে সৰুৰে পৰাই জ্ঞান দিবলৈ অভিভাৱকসকলে যত্ন কৰা উচিত।

২) চিকিৎসক সকলে ধূমপান বন্ধ কৰিবলৈ ডাঙৰ ভূমিকা লব পাৰে। এওঁলোকে চিগাৰেট খোৱা মানুহৰ ধূমপানৰ কাহিনী শুনিলৈ ধূমপানৰ অপকাৰিতাৰ সৰ্ম্পকে বুজাই দিব পাৰে। ধূমপান এৰিলে তাৰ লাভালাভ বহলাই আলোচনা কৰি ৰোগীয়ে ধূমপান বন্ধ কৰাৰ দিহা দিব পাৰে। বিভিন্ন ক্ষেত্ৰত একোটা নিৰ্দিষ্ট দিনক বাছিলৈ সেইদিনাৰ পৰা ধূমপান বন্ধ কৰাৰ দিহা দিলে সেইটো বহুত কাৰ্য্যকৰী হয়। যেনে- জন্মদিন, বিয়াৰ বছৰেকীয়া, মহৎলোকৰ জন্মদিন, নতুন বছৰৰ আৰম্ভনি, ঈদ, বিহু, ৰোজা আদিৰ দিনাৰ পৰা ধূমপান এৰি দিয়া।

৩) সকলো বাতৰি কাকত, আলোচনী আদিয়ে টকাৰ লোভ পৰিহাৰ কৰি চিগাৰেট বা অন্যান্য ধপাতজাত সামগ্ৰীৰ কোম্পনীবোৰে প্ৰচাৰ কৰা বিজ্ঞাপন দিয়াটো বন্ধ কৰিব লাগে।

৪) সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক শক্তিবিলাকৰ এটা ডাঙৰ ভূমিকা আছে চিগাৰেট বন্ধ কৰাৰ ক্ষেত্ৰত। এনে ক্ষেত্ৰত ধপাত শুল্ক (tabacco excise taxes) বঢ়োৱাৰ কথা বিবেচনা কৰি চাব পাৰি আৰু আইন প্ৰণয়ন কৰি য'তে ত'তে ধূমপান কৰাতো নিষিদ্ধ কৰাৰ কথা কাৰ্য্যকৰী কৰা উচিত।

– চিগাৰেট হ'ল ধপাতৰ নুবা যাৰ এটা মূৰত থাকে জুই আৰু আনটো মূৰত থাকে এজন মূৰ্খ" – জন বাঁনাড শ্ব।

(সহায় লৈ)

## এক মিনিটৰ গল্প

ৰশ্মী ৰেখা বনিয়া
স্নাতক প্ৰথম বৰ্ষ (কলা)

এখন কলা প্ৰদৰ্শনীত ছবি চাই চাই এক ভদ্ৰলোক এঠাইত ৰৈ গ'ল। এইখন কি ছবি ? নাম নাই কোনো সীমাৰেখা নাই। তেওঁ ঠিক ধৰিব পৰা নাই। তেওঁৰ মনত এনে লাগিল যেন ই এক দাৰুন শিল্প কৰ্ম। ভৱিষ্যতে ইয়াৰ সাংঘাটিক দাম হ'ব। আখ্যাত শিল্পীৰ ছবি বুলি বোধহয় নাম নাই নম্বৰ নাই, দামও লিখা নাই। তেওঁ সিদ্ধান্ত কৰিলে এইখন তেওঁৰে কিনিব। তেওঁ পৰিচালকক মাতি আনিলে। নাম আৰু দাম নাই বুলি জালি পৰিচালক তাত উপস্থিত হ'ল। চালে।

ভদ্ৰলোকে ক'লে, মই এইখন কিনিম। আপুনি মোৰ নাম ৰেজিষ্টাৰ কৰক। পৰিচালকে কলে দুঃখিতঃ। বিক্ৰী নহব।

ঃ কিয় ?

ঃঃ চাৰ এইখন প্ৰদৰ্শনীৰ কোনো শিল্পকৰ্ম নহয়। এইখন এখন মেকানিকেল চুইচবোৰ্ডহে। (সংগ্ৰহ)

## কৌতুক

* বিহু উপলক্ষে গাওঁৰ ডেকাবোৰে হিন্দী গান বজাই তালে তাল মিলাই নৃত্য কৰি আছিল। তেনেতে এজন পাগলে মঞ্চত উঠি সিও নাচিবলৈ ধৰিলে। ঠিক সেই সময়ত এজনে পাগলটোৰ হাতত ধৰি কলে ঃ- হেই। তই ইয়াত কি কৰা, ইয়াৰ পৰা গুচি যা। তেতিয়া পাগলাটোৱে কলে ঃ- "ইহত আৰু মই একেলগে তেজপুৰত পগলাফাটেকত আছিলো, সেয়েহে মোৰ বন্ধু সকলে নাচি আছে যদি মই কিয় নানাচিম? !!!

# 'সমাজত ধৰ্ম আৰু বিজ্ঞানৰ সমন্বয় আৰু মূল্যবোধ'

শ্ৰী হৃদয়া নন্দ দাস
স্নাতক 3য় বৰ্ষ (কলা)

ৰক্ষণশীলতাৰ সংকীৰ্ণ ভাবধাৰাৰে ধৰ্ম আৰু বিজ্ঞানৰ সম্পৰ্ক বিচাৰি পোৱা নাযায়। কিন্তু বহল অন্তঃ দৃষ্টিৰে চালে দেখা যায় ধৰ্ম আৰু বিজ্ঞানৰ সম্পৰ্ক অতি প্ৰবল। বৰ্তমান সমাজত বিজ্ঞানৰ প্ৰভাৱ যেনে স্পষ্ট ঠিক তেনেকৈ ধৰ্মৰো প্ৰভাৱ সুদূৰ প্ৰসাৰী। ধৰ্ম আৰু বিজ্ঞানৰ যুটীয়া প্ৰভাবে সামাজিক প্ৰমূল্যবোধক গঢ় দি সমাজ খনক এক নিৰ্দিষ্ট ৰূপ দিয়ে। সমাজৰ এই ৰূপ বিকৃত হয় যদিহে ধৰ্ম আৰু বিজ্ঞানৰ বাখ্যা আৰু প্ৰয়োগ শুদ্ধ ভাবে নহয়। সমাজৰ ওপৰত ধৰ্ম আৰু বিজ্ঞানৰ এনে প্ৰত্যক্ষ প্ৰভাৱ সমাজৰ উন্নতি-অৱনতিৰ সকলো স্তৰতে পৰিলক্ষিত হয়। সমাজৰ কল্যানত ধৰ্ম আৰু বিজ্ঞানৰ উভয়ে নিজৰ নিজৰ কৰনীয় খিনিৰ কথা উল্লেখ কৰিছে। অৱশ্যে বৰ্তমান সময়ত সমাজৰ হিত সাধনাত ধৰ্মত বিজ্ঞানৰ গোন্ধ আৰু বিজ্ঞানত ধৰ্মৰ সোৱাদ পাব পাৰি। এই প্ৰসংগতে বিশ্ব বিখ্যাত বিজ্ঞানী আইনষ্টাইনৰ মন্তব্য প্ৰনিধান যোগ্য। তেখেতৰ মতে, -"বিজ্ঞানহীন ধৰ্ম পঙ্গু আৰু ধৰ্মহীন বিজ্ঞান অন্ধ।" এইষাৰ কথাৰ পৰাই ধৰ্ম আৰু বিজ্ঞানৰ পাৰস্পৰিক সম্পৰ্ক কিমান গাঢ় সেই কথা সহজেই অনুমান কৰিব পাৰি।

বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে, বিশেষকৈ আমাৰ দেখা দিয়া প্ৰধান সমস্যা বোৰৰ ভিতৰত এটা প্ৰধান সমস্যা হৈছে ধৰ্মীয় সমস্যা। যুক্তি সংগত চিন্তাধাৰাৰ উন্মেষণ ঘটে বিজ্ঞান সন্মত ধাৰনাৰে পৰিপুষ্ট যুক্তি বিচাৰৰ যোগেদিহে। ধৰ্মীয় সমাধানৰ আশা কৰিব পাৰি। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে, শিক্ষিত লোক সকলৰ এক বুজন অংশই ধৰ্মীয় ধাৰনাক বিকৃত ৰূপ দি কিছুমান উপকৰা কথাৰে অশিক্ষিত লোক সকলোক ভুল পথে পৰিচালিত কৰে। ধৰ্মগ্ৰন্থ সমূহত অনেক অলৌকিক ঘটনাৰ উল্লেখ থাকে বাবেই সৰ্ব্বসাধাৰণ হোজা লোকে ধৰ্মৰ এনে অলৌকিকতাত বিশ্বাস কৰি আনন্দ লাভ কৰাটো স্বাভাবিক। অতীতৰ পৰাই মানৱ সভ্যতাৰ ওপৰত ধৰ্মীয় প্ৰভাৱ বিৰাজমান আৰু সেয়েহে লোক সমাজৰ ধৰ্মীয় অনুভূতিক কোনোমতেই উলংঘা কৰিব নোৱাৰি। কিন্তু আধুনিক যুগৰ পৰিবৰ্ত্তিত সামাজিক পৰিবেশত ধৰ্মীয় অনুভূতি আৰু চিন্তা ধাৰাক সমাজৰ প্ৰয়োজন অনুসৰি সলনি কৰি লবই লাগিব। ইয়াকে নকৰিলে আমি ঠেক পৰিসীমাতে আবদ্ধ হৈ পৃথিবীৰ আন দেশ বা সমাজতকৈ বহুদূৰ পিচপৰি ৰম।

ধৰ্মৰ সৃষ্টি হৈছে সমাজৰ প্ৰয়োজনত। ধৰ্মই লোক সমাজত বহল প্ৰসাৰ লাভ কৰা কাৰণ এয়ে যে, ই যুগে যুগে মানবীয়তাৰ শিক্ষা দি আহিছে। বৰ্তমানৰ উশংখলতা, হিংসা-বিদ্বেষ বৃদ্ধি হোৱা সমাজ খনত ধৰ্মই দিয়া মানবীয়তাৰ নীতি শিক্ষা অতিকে প্ৰয়োজন। আধুনিক যুগত বিজ্ঞানক মানবীয়তা ৰক্ষাৰ হকে প্ৰয়োগ কৰাৰ যি প্ৰচেষ্টা চলিছে, ঠিক তেনেদৰেই ধৰ্ময়ো ইয়াৰ উচিত প্ৰয়োগ আৰু চৰ্চাৰ জৰিয়তে মানবীয়তাবাদৰ সপক্ষে বৰ্ঘখিনি কৰিব পাৰে। আনৱিক শক্তিকে ধৰি বিজ্ঞানৰ জন কল্যান মূলক আবিস্কাৰ সমূহ ভ‍ুল তথা বিবেচনাহীন ভাবে প্ৰয়োগ হলে আনবিক বোমাই সংঘটিত কৰাৰ দৰে অতি ধ্বংসাত্মক কাৰ্য্যও সম্পন্ন হব পাৰে। ঠিক সেইদৰে ধৰ্মৰ নীতি দৰ্শনো উচিত ভাবে পৰিচালনা নকৰিলে সামাজিক ঐক্য বিনাশ হোৱাৰ আশংকা থাকে। বিজ্ঞানক জনমুখী কৰাৰ দৰে ধৰ্মকো জনমুখী কৰিব লাগিব আৰু তেতিয়াহে গণমুখী সাহিত্য সংস্কৃতিৰ লেখিয়াকৈ গণমুখী ধৰ্মই বিভিন্ন জনগোষ্ঠীক একতাৰে বান্ধিব পাৰিব।

পৃথিৱীৰ সকলো ধৰ্মৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে ধৰ্মৰ কিছুমান সম্বন্ধধৰ্মী নীতি আদৰ্শ থাকে আৰু এই নীতি আদৰ্শ ৰাজিক শুদ্ধ ৰূপত জন সমাজত প্ৰচাৰ কৰিলে এটা জাতি বা এখন সমাজ এক স্বকীয় বৈশিষ্ট্যৰে বিকাশ লাভ কৰিবলৈ সক্ষম হব পাৰে। যি ধৰ্মই মানুহৰ মনোজগত শিক্ষিত আৰু সমৃদ্ধ কৰাৰ লগে লগে ৰক্ষণশীল আৰু কু-সংস্কাৰ মুলক দৃষ্টি ভংগীৰ পৰিবৰ্তন আনিবলৈ সক্ষম হয় তেনে ধৰ্মই হে প্ৰকৃত ধৰ্ম। দৰাচলতে ধৰ্ম আৰু বিজ্ঞান দুয়োটাই সমাজৰ প্ৰতি দায়বদ্ধ। বিজ্ঞানৰ এই দায়বদ্ধতাৰ বিষয়ে বৰ্তমান সময়ত বহুলভাৱে আলোচনা কৰা হৈছে। ধৰ্ম শাস্ত্ৰ সমূহতো সমাজ আৰু মানুহৰ প্ৰতি ধৰ্মৰ দায়বদ্ধতাৰ কথা স্পষ্ট ভাবে উল্লেখ কৰা আছে। মহাপুৰুষীয়া ধৰ্মশাস্ত্ৰ সমূহ এই ক্ষেত্ৰত লেখত লব লগীয়া। বিজ্ঞানৰ উন্নতিৰ লগে লগে সমাজত মানুহৰ উচ্চ-নীচৰ শ্ৰেণী বিভাজন প্ৰক্ৰিয়া দূৰ বুলি আশা কৰিব পাৰি। কাৰণ বিজ্ঞানে প্ৰমাণ কৰি দেখুৱাইছে যে ধৰ্মভেদে বা জাতকুল ভেদে মানুহৰ শৰীৰৰ তেজ, মঙহ বেলেগ বেলেগ নহয়। উদাৰ ধৰ্ম তাকেই কোৱা হয় যি ধৰ্মই ধৰ্মভেদ বা জাতকুলৰ ভেদাভেদক প্ৰশ্ৰয় নিদিয়ে। এই ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে প্ৰচাৰ কৰা সাৰ্বজনীন একশৰণ ধৰ্মই পৃথিবীত উজ্বল নিদৰ্শন দাঙি ধৰিছে। এই ধৰ্মই জাত-পাত ভেদে মানুহক উচ্চ-নীচ বুলি জ্ঞান কৰাৰ পৰিবৰ্তে গণতান্ত্ৰিক মতাদৰ্শক স্থান দিছে। মহাপুৰুষ জনাই বিচৰা সমাজখন সমাজৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰতিনিধিত্ব থকা এখন গণতান্ত্ৰিক মঞ্চৰ এক ৰূপান্তৰ মাথোন। অসমৰ জনজীৱনৰ সংস্কৃতিৰ লগত খাপ খোৱাকৈ সৃষ্টি কৰা এই নামঘৰ সমূহৰ যোগেদিয়েই মহাপুৰুষ জনাই সমাজত পৰম্পৰাগত ভাবে চলি অহা উচ্চ-নীচ, জুত-কুলৰ ভেদা-ভেদ আৰু বৰ্ণ-বৈষম্যৰ প্ৰাচীৰ খন ভাঙি এখন সুস্থ সবল সমাজ গড়াৰ বাস্তৱ পদক্ষেপ লৈছিল। প্ৰকৃত ধৰ্মই শ্ৰেণী ভিত্তিক সমাজ এখন যেনেকৈ নিবিচাৰে তেনেকৈ এখন ভোগবাদী সমাজৰো বিৰোধীতা কৰে। অবশ্যে আধুনিক ভোগবাদী সমাজ-বিজ্ঞানে ভোগ বিলাসৰ বাবে নিতৌ ন ন সামগ্ৰী আবিস্কাৰ কৰি মানব সমাজলৈ আগবঢ়াইছে। বৰ্তমান যুগৰ প্ৰয়োজনাত বিজ্ঞানে এই সকলো বিলাক আবদান দিছে যদিও ভোগ্য সামগ্ৰীৰ ব্যৱহাৰত মিতব্যয়ী হবলৈ বিজ্ঞানে সঘনে সকীয়াই আহিছে। কিন্তু মানুহে সেই সকীয়নি আওকান কৰি অত্যাধিক ভোগ-লালসাত মনোনিবেশ কৰাৰ ফলত সমাজ খন পঙ্গু হৈ পৰিছে। দ্ৰুত গতিৰে বৃদ্ধি হোৱা জনসংখ্যাৰ বাবে আমাৰ সীমিত সম্পদ ৰাজিৰ নাটনি অচিৰেই হব বুলি বিজ্ঞান সন্মত অধ্যায়ন আৰু গবেষণাৰ যোগেদি জনসমাজত ইতিমধ্যে প্ৰচাৰ কৰা হৈছে। তাৰ প্ৰতি লক্ষ্য ৰাখি বিজ্ঞানে সেইবোৰৰ নিয়মিত অৰু নিয়ন্ত্ৰিত ব্যৱহাৰ কৰিবলৈ মানব সমাজক সতৰ্ক কৰি দিছে। মানুহৰ যি অত্যাধিক ভোগ-বিলাসক সমাজৰ ক্ষতিকাৰক বুলি বিজ্ঞানে দোষাৰোপ কৰিছে, সেই ভোগ-বিলাসক ধৰ্মই কিন্তু প্ৰশ্ৰয় নিদিয়ে। ধৰ্মই মানুহক ভোগ-বিলাসৰ পৰা বিৰত থাকিবলৈ উপদেশ দিছে। আজি বিজ্ঞানে মানুহক আত্যাধিক ভোগ-বিলাসৰ দ্বাৰা সম্পদ ৰাজি নিঃশেষ কৰাৰ বাবে যেনে সতৰ্কবানী দিছে সেই দৰে ধৰ্মই যুগে যগে ভোগ-বিলাসৰ প্ৰতি মানুহৰ মনত নিৰুৎসাহৰ ভাবৰ উদ্ৰেক ঘটাই সীমিত সম্পদ ব্যৱহাৰ কৰি সমাজত শান্তিৰে কাম কৰিবলৈ নীতি শিক্ষা দি আহিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ধৰ্ম আৰু বিজ্ঞান দুটা পৰস্পৰ বিৰোধী বিষয় নহয়। উভয়ে নীতি আদৰ্শ সমূহ সমাজৰ প্ৰয়োজনৰ ভিত্তিত বিচাৰ বিশ্লেষণ কৰি সেই বোৰক যথা যথা ভাবে উন্নতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলে অধিক ফলপ্ৰসু হব। আজিৰ বিজ্ঞানৰ যুগত ধৰ্মক বিজ্ঞান সন্মত ভৌতিক ৰূপে স্থাপন কৰিব নোৱাৰিলে ধৰ্মই ইয়াৰ ঐতিহ্য, ব্যাপকতা আৰু জনপ্ৰিয়তা হেৰুৱাব লাগিব। বিজ্ঞানৰ দৰে ধৰ্মক গণমুখী কৰি তুলিব পাৰিলেহে ই সমাজৰ উন্নতিৰ পথ প্ৰদৰ্শক হব পাৰিব। এক সুস্থ সমাজ গঠনত সেয়েহে বিজ্ঞানৰ দৰে ধৰ্মৰো ভূমিকা নুই কৰিব নোৱাৰি। এনেদৰে আমি এটা সিদ্ধান্তত উপনীত হব পাৰো যে ধৰ্ম আৰু বিজ্ঞানৰ সময়োপযোগী উচিত মুল্যাঙ্কণৰ দ্বাৰাহে মানব জাতিৰ হিত সাধন কৰিব পাৰি।

তলৰ তালিকা খনত কিছুমান ধৰ্মীয় ধাৰণাক কেনেকৈ বৈজ্ঞানিক চিন্তাৰে আলোকিত কৰি সামাজিক মূল্যবোধক গঢ় দিব পাৰি তাৰে এটা আভাষ দিবলৈ যত্ন কৰা হৈছে-

| ধৰ্মীয় ধাৰণা | বৈজ্ঞানিক চিন্তা | সামাজিক মূল্যবোধ |
|---|---|---|
| ১) ইশ্বৰ সৰ্ব্বশক্তি মান | ১)বিশ্ব ব্ৰহ্মাণ্ড তথা পৃথিৱী শক্তিৰ দ্বাৰা বৰ্ত্তি আছে। | ১)বৌদ্ধিক, মানসিক আৰু শাৰীৰিক সমাজৰ আধাৰ। এই শক্তি অপব্যয় হলে সমাজ ৰুগ্ন হ'ব। |
| ২) জগতৰ সকলো প্ৰাণীৰে একেই আত্মা | ২)সকলো প্ৰাণীৰে জীয়াই থকাৰ সম্বল একেই তেজ মঙহেৰে গঠিত। | ২)........................................................................ |
| ৩) আত্মাৰ মৰণ নাই | ৩)শক্তিৰ বিনাশ নাই কিন্তু ইয়াৰ বিভিন্ন ৰূপ থাকিব পাৰে। বৰ্ণভেদে সমাজৰ ঐক্য বিনিষ্ট কৰে। | ৩)সমাজত জাতি ভেদ, ধৰ্মভেদ আদি অনৰ্থক। |
| ৪) অহিংসা পৰম ধৰ্ম, প্ৰাণী হিংসা মহা পাপ | ৪)বিজ্ঞান শান্তিৰ বাবে। ইয়াৰ সৎব্যবহাৰে প্ৰাণী জগতৰ হিতসাধে। | ৪)সকলো প্ৰাণীৰ প্ৰতি প্ৰেমভাব আৰু মানবীয়তা বোধ জন কল্যানৰ মূল ভেটি। হিংসা আৰু মানবতা বোধৰ স্খলনৰ বিৰুদ্ধে সমাজে যুঁজ দিব লালে। |
| ৫) সত্য কথা কোৱা আৰু সজ উপদেশ দিয়া- | ৫)বিজ্ঞান সত্যৰ ওপৰত প্ৰতিস্থিত। | ৫)...................................................... |
| ৬) সৎ চিন্তাৰে ঈশ্বৰক ধ্যান কৰা | ৬)আন্তৰিক ধ্যান আৰু মনোযোগ বিজ্ঞান চৰ্চ্চাৰ বাবে অপৰিহাৰ্য। | ৬)...................................................... |
| ৭) কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ আদি ত্যাগ কৰা। | ৭)বিজ্ঞানে বাস্তৱ সন্ধান দিয়ে, ইয়াত মায়াৰ স্থান নাই। | ৭)সামাজিক সমস্যা সমূহ সত্য, বাস্তৱ তথ্যৰ বিচাৰ বিশ্লেষণৰ দ্বাৰা সমাধান কৰিব পাৰি। |
| ৮) সৎ সংগ লোৱা। | ৮)বৈজ্ঞানিক চিন্তা-চৰ্চ্চাৰ বাবে যুক্তি আৰু বাস্তৱ তথ্যৰ সংগ বা সহায় লব লাগে। | ৮)সমাজৰ বিভিন্ন জনগোষ্টিৰ মাজত সমন্বয় গঢ়ি উঠিলেই সামাজিক উন্নয়ন আৰু সুস্থিৰতা সম্ভৱ। |
| ৯) প্ৰতিহিংসা, প্ৰতিশোধ পৰিহাৰ কৰা | ৯)বিজ্ঞান জনহিতাৰ্থ, ই হিংসা, প্ৰতি হিংসাক স্থান নিদিয়ে। | ৯)...................................................... |
| ১০) কায়, বাক্য, মন পবিত্ৰ কৰি ঈশ্বৰক চিন্তা কৰা। | ১০)সত্য অন্বষণকাৰী মন এটালৈ বিজ্ঞান চৰ্চ্চা কৰিব লাগে। | ১০) ...................................................... |
| ১১) গুণ অনুসৰি মানুহৰ শ্ৰেণী বিভাজন হয়। | ১১)জীবিত বা নিৰ্জীব পদাৰ্থৰ গুণাগুণ বা লক্ষণ নিদ্ধাৰণ কৰি বিজ্ঞানে সেই বোৰক শ্ৰেণী বিভাগ কৰে। | ১১) গুণী আৰু সৎ লোকে সমাজত আদৰ পাব লাগে। গুণ অনুযায়ী সমাজত স্থান পাব লাগে। |

# কৌতুক

ৰমেন ঃ- অই হিমাংশু তই এইবাৰো ফেল কৰিলি ? কিয়?
হিমাংশুয়ে তপৰাই উত্তৰ দিলে ' কি কৰিবি ! মোৰ ওচৰত বহা লৰাটো একেবাৰে গাধা আছিল।

■■

প্ৰথম ব্যক্তি ঃ- আপুনি চাইকেলৰ পৰা পৰি গৈ বৰ দুঃখ পালে নেকি ?
২য় ব্যক্তি ঃ- নহয়, মই দুখ পাম কিয় ; মই চাইকেলৰ পৰা নামোৱেই এনেকৈ !!!

■■

এজন চোৰৰ পত্নীক বিচাৰকে সুধিলে ঃ- তাৰমানে তুমি জানা যে তোমাৰ স্বামী এজন চোৰ?
চোৰৰ পত্নী ঃ- হয় বিচাৰক ডাঙৰীয়া।
বিচাৰক ঃ- তেওঁ যে চোৰ তুমি কেতিয়া প্ৰথমে জানিলা?
চোৰৰ পত্নী ঃ- যিদিনাই প্ৰথমে তেওঁ মোক পলুৱাই আনিছিল???

■■

প্ৰবীন চক্ৰবৰ্ত্তী
উঃ মঃ ১ম বৰ্ষ (বিজ্ঞান)

# টাইকোৱানডো আৰু অসম

শ্ৰী অনুপ ৰাভা
স্নাতক 2 য় বৰ্ষ (কলা)

টাইকোৱানডো এবিধ সমৰ কলা। এই সমৰ কলাবিধৰ জন্ম হৈছিল দক্ষিণ কোৰিয়াত। টাইকোৱাডো শব্দৰ অৰ্থ হ'ল এনে ধৰণৰ- টাই মানে ভৰিৰে লঠিওৱা বা আঘাট কৰা, কোৱান মানে হাতেৰে খলিওৱা বা ধ্বংশ কৰা আৰু ডো মানে পদ্ধতি বা কৌশল। অৰ্থাৎ টাইকোৱানডো হ'ল ভৰি আৰু হাতেৰে লোকক (শত্ৰুক) ধৰাশায়ী কৰা পদ্ধতি। টাইকোৱানডো আজি বিশ্বৰ জনসাধাৰণৰ মাজত আত্মৰক্ষাৰ সবল আৰু সমৰ কলা হিচাপে পৰিচিত। টাইকোৱানডোৰ অনুশীলনি বা অভ্যাসৰ আৰম্ভনি হৈছিল প্ৰায় খ্ৰীষ্টপূৰ্ব ৫০ বছৰ আগতে। সেই সময়ত কোৰিয়া খন তিনিখন সাম্ৰাজ্যত বিভক্ত আছিল। সেই সাম্ৰাজ্য তিনিখন হ'ল, ছিলা (Silla), কোগুৰিও (Koguryo) আৰু বিকেকে (Backche)। সেই সময়ত ৰাজ-পৰিয়ালৰ ল'ৰা বিলাকক ১৬ ৰ পৰা ২০ বছৰৰ ভিতৰত এই কলাৰ অভ্যাস কৰোৱা হৈছিল। আৰু সৈনিক বিভাগত থকা ডেকা ল'ৰা বিলাকে এই কলা আয়ত্ব কৰাৰ সুযোগ লাভ কৰিছিল। ছিলা সাম্ৰাজ্যৰ সময়তেই টাইকোৱানডোৰ বিস্তৃত প্ৰসাৰ হৈছিল। সেইকালত শাৰীৰিক সুস্থতাৰ বাবে প্ৰাথমিক খেল আৰু আমোদৰ উপায় হিচাপে মানুহে ইয়াক গ্ৰহণ কৰিছিল। ৰজা উইজংৰ ৰাজত্ব কালত (১১৪৭-১১৭০ ইং) এই সমৰ কলাবিধৰ শাৰীৰিক সুস্থতাৰ পৰা যুদ্ধ কলালৈ পৰিবৰ্তিত হৈছিল। বহু বছৰ অতিক্ৰম কৰি টাইকোৱানডোৱে ১৯৫৫ চনত কোৰিয়াত জাতীয় মেলৰূপে স্বীকৃতি পায়। কোৰিয়াৰ প্ৰতিজন পুৰুষে তিনি বছৰকৈ সৈন্য বিভাগত সেৱা আগবঢ়োৱাটো বাধ্যতামূলক। তাত টাইকোৱানডো শিকোৱা হয়। আনহাতে বুনিয়াদী বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে টাইকোৱানডোকো শাৰীৰিক পাঠৰ অংশ হিচাপে গ্ৰহণ কৰা হৈছে। সেয়েহে প্ৰায় এশ শতাংশই টাইকোৱানডো জানে বা বুজি পায়। বৰ্তমান ৰাজধানী ছিউলত ইয়াৰ সদৰ বা মুখ্য স্কুল কুকিৱন (Knkion) অৱস্থিত আৰু ইয়েই বিশ্ব টাইকোৱানডো ফেডাৰেচনৰ মূখ্য কাৰ্যালয়। কুকিৱন দবাচলতে এজন শিক্ষকৰ নাম। তেওঁৰ আঠজন ছাত্ৰই প্ৰথমে বেলেগ বেলেগ শৈলীৰ সমৰ ক্ৰীড়া কৌশল উলিয়াই পিছলৈ আটাইবোৰকে সন্মিলিত কৰি টাইকোৱানডো জন্ম দিয়ে। ব্লেকবেল্টট পৰীক্ষাত থকা চৌবিশটা ফৰ্ম বা কাটাৰ তিনিটাকৈ এই আঠটা শৈলীৰ পৰা লোৱা। কুকিৱনত ছিডোকান খেলুৱৈৰ প্ৰাধান্য বেছি। অৱশ্যে সাংগঠনিক দিশত মুডোকান সকলোৱেই বেছি প্ৰভাৱ। ১৯৭২ চনত কুকিৱনৰ জন্ম। বৰ্ত্তমান সভাপতি হ'ল আন উন কিম। বিশ্বত ক্ৰমান্বয়ে জনপ্ৰিয়তাৰ তুংগত প্ৰতিষ্ঠিত কৰা এইবিধ ক্ৰিড়াৰ নামত ১৯৭২ চনতে "World Taekwondo Federation" (WTF) গঠিত হয় আৰু ১৯৮০ চনত আন্তঃ ৰাষ্ট্ৰীয় অলিম্পিক সন্থাৰ স্বীকৃতি লাভ কৰে। ১৯৮৮ চনত ছিউল অলিম্পিকত টাইকোৱানডোক Demonstration Sports হিচাপে গ্ৰহণ কৰাৰ পিছত বিশ্বৰ ৩৬ খন দেশে এই ক্ৰীড়াত অংশ গ্ৰহণ কৰে। ভাৰতবৰ্ষত ১৯৭৮ চনতে গঠিত হোৱা Taekwondo Federation of India ই উক্ত বছৰতে W.T.F ৰ স্বীকৃতি লাভ কৰে। ইয়াৰ উপৰিও ১৯৮২ চনত Asian Taekwondo Assaciation আৰু ১৯৮৫ চনত Indian Olympic Assaciation এই ক্ৰিড়াক আন্তৰ্ভুক্ত কৰা হয়। টাইকোৱানডোৱেই একমাত্ৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সন্থাৰ স্বীকৃতি প্ৰাপ্ত সমৰ কলা।

সৰ্বভাৰতীয় পৰ্য্যায়ত সদৌ অসম টাইকোৱানডো সন্থাৰ খেলুৱৈ সকলে তেওঁলোকৰ যোগ্যতা প্ৰদৰ্শন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আমাৰ কাৰণে এইটো এটা সুঃখবৰ যে ১৯৯৪ চনত পুনেত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় গেমছত অসমে লাভ কৰা সৰ্বমুঠ ১৬ টা পদকৰ ১০ টা পদক আমাৰ টাইকোৱানডো খেলুৱৈ সকলে লাভ কৰিছিল। আনকি একমাত্ৰ সোণৰ পদকটিও টাইকোৱানডোৱে লাভ কৰিছিল। ১৯৯৭ চনত দ্বিতীয় ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত AATA (All Assam Taekwondo Assaciation) য়ে ৬ টা মেডেল লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯৫ চনৰ ১৭ নভেম্বৰত ফিলিপাইনত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতাত অসমৰ বাজীৰ বৰা আৰু পৰাগধৰ কোঁৱৰে অংশ গ্ৰহণ কৰিছিল। ১৯৯৮ চনৰ ১৫ মে'ত অনুষ্ঠিত হোৱা Assian Taekwondo Championship ত অসমৰ গৌৰৱ পৱন শইকীয়াই খেলাৰ যোগ্যতা অৰ্জন কৰিছে। বান্দালোৰত অনুষ্ঠিত ৪ ৰ্থ ৰাষ্ট্ৰীয় গেমছত অসমে লাভ কৰা ৪ টা পদকৰ ৩ টা পদকেই টাইকোৱানডোৱে লাভ কৰিছিল আৰু সেই বৰ্ষৰে (১৯৯৮) একত্ৰিশ জুলাইৰ পৰা দুই আগষ্টলৈ দক্ষিণ কোৰিয়াৰ ছিউল অলিম্পিক জিমনে ছিয়ামত অনুষ্ঠিত '৯৮' টাইকোৱানডে হেনামডাং ছেম্পিয়নশ্বিপত গুৱাহাটীৰ ডি এ ডি স্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ উজ্জলজ্যোতি গায়নে 'কাটা আৰু 'মুভমেন্ট' প্ৰদৰ্শন কৰি লুমছে কেটেগৰীত স্বৰ্ণপদক অৰ্জন কৰি অসমৰ নাম টাইকোৱানডোৰ বিশ্বমঞ্চত প্ৰতিষ্ঠা কৰিলে। এই প্ৰতিযোগিতাত বিশ্বৰ ২২ খন ৰাষ্ট্ৰৰ ২১ জন প্ৰতিযোগিক তেওঁ পৰাজিত কৰে। আৰু ১৭-২২ আগষ্টলৈ ছিউলৰ ছিমংজুত হোৱা ৱল্ড য়ুথ টাইকোৱানডে চেম্পিয়ন বিশ্ব এণ্ড ফেষ্টিভেলতো অনুৰ্দ্ধ ১৪ ৰ শাখাত পুমছে কেটেগৰীত উজ্জ্বলে ব্ৰঞ্জৰ পদক লাভ কৰে। অসমত টাইকোৱানডো খেলৰ বাটকটীয়া য়ুমনাম খেমচান্দে অসমক প্ৰতিনিধিত্ব কৰি 'হণ্ড নাইফ ব্ৰেক কেটেগৰীত স্বৰ্ণ পদক অৰ্জন কৰিছে। অসমত পোন প্ৰথম বহাৰৰ কাৰণে অনুষ্ঠিত First All Assam Inter College Taekwondo Championship ত দুধনৈ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি দুটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। এই প্ৰতিযোগিতা বিবৰুৱা মহাবিদ্যালয়ত 17,18,19 জুলাই 1998 ত অনুষ্ঠিত হয়। টাইকোৱানডো সমৰ কলা প্ৰদৰ্শনৰ মানদণ্ড উন্নত কৰাত খেলুৱৈ সকল আগ্ৰহী যদিও ঘাইকৈ আৰ্থিক দুৰ্বলতাৰ বাবে আমাৰ খেলুৱৈ সকলে প্ৰতিভা থকা স্বত্বেও আশা কৰা ধৰণে আগুৱাব পৰা নাই। তথাপিও অদুৰ ভবিষ্যতে টাকোৱানডোৰ খেলুৱৈয়ে অসমৰ নাম বিশ্বৰ মঞ্চত প্ৰতিষ্ঠা কৰিব বুলি আশা কৰিব পাৰি।

****

# অশ্রু বয় নিৰবধি

শ্ৰী পদুম কলিতা
স্নাতক ১ম বৰ্ষ (ক'লা)

(এক)

গুঃ-ৰু-ৰু-ম! গু-ম-গু-ম!!

হঠাৎ এক প্ৰচণ্ড বিস্ফোৰণৰ শব্দই নিশাৰ নিমাওমাও নিস্তব্ধতা ভেদ কৰি আকাশ-বতাহ কঁপাই তুলিলে। গভীৰ নিদ্ৰাৰত মনালী ধহমহকৈ সাৰ পাই উঠিল। তাই অনুমান কৰিলে বিস্ফোৰণৰ শব্দটো ছয় মাইল মান আঁতৰৰ চহৰখনৰ পৰাই ভাঁহি আহিছে। তাই সভয়ে বিচনাখনত উঠি বহিল। তেতিয়া ৱাল ঘড়ীটোৱে নিশা বাৰ বজাৰ সংকেত দিছিল। অজান আশংকাত ওঠ-কণ্ঠ শুকাই যোৱাত তাই কাষৰ জগটোৰ পৰা পানী এগিলাচ বাকিলৈ ঘোট ঘোটকৈ পি খালে। "— কৰবাত হয়তো ঘৰ দুৱাৰ উৰি গ'ল! হয়তো দলং! হয়তো মানুহ —!! "এক অমংগলীয়া ভাৱে মনালীক শিয়ঁৰাই তুলিলে। মানুহৰ আক্ৰোশৰ বলি আজি মানুহেই হ'ব লাগিছে। কি হ'ল এয়া দেশৰ পৰিস্থিতি? মনালীয়ে ভাবি ভাবি ওৰকে নেপায়। হঠাৎ তাই এক চিন্তাত ভয়ত বিতত হৈ পৰিল। স্বপ্নৰ একো হোৱা নাইতো!! মনৰ ভিতৰতে পাকঘূৰণী খাবলৈ ধৰা বিভিন্ন চিন্তাবোৰ তাইৰ স্বপ্নৰ ভাৱনাতে বিলীন হৈ পৰিল—।

কি দুঃখময় আছিল তাইৰ অতীত জীৱন! সৰুতে মাক-দেউতাকক হেৰুৱাইছিল সিহঁতে। সিহঁত মানে তাই আৰু তাইৰ ককায়েক মৃন্ময়ে। কিমান নিজান-উজাগৰী ৰাতি উচুপি পাৰ কৰিছিল সিহঁতে, তাৰ হয়তো লেখ-জোখ নাই।

খুড়াক-খুড়ীয়েকৰ ঘৰতহে সিহঁত ডাঙৰ-দীঘল হৈছিল। কিন্তু নিৰ্দয় খুড়াক খুড়ীয়েকে অকাৰণতে সিহঁতৰ ওপৰত কৰিছিল নিৰ্মম অত্যাচাৰ। দেউতাকৰ ঘৰ মাটি-বাৰী সোপাকে খুড়াকে চল-চাতুৰিৰে হাত কৰি লৈছিল। সিহঁতে খুড়াক-খুড়ীয়েকৰ পৰা পোৱা নাছিল হেৰুওৱা মাতৃ স্নেহ কিম্বা পিতৃস্নেহ। মামো লগুৱাৰ দৰে সিহঁতক ব্যৱহাৰ কৰা হৈছিল। তথাপিও সিহঁতে সকলো সহ্য কৰি গৈছিল। কিন্তু এদিনাখন খুড়ীয়েকৰ প্ৰৰোচনাত স্বয়ং খুড়াকৰ মুখৰ পৰা উচ্চাৰিত হৈছিল "এইখন বাপেৰৰ হোটেল পাইছনেকি?" সেইদিনাখনেই তীব্ৰ মানসিক আঘাতত জৰ্জৰিত হৈ তাইৰ ককায়েকে গৃহ ত্যাগ কৰি নিৰুদ্দেশ হৈছিল। পিছত তাই অহকানে-পহুকানে শুনিছিল যে ককায়েকে হেনো দেশ উদ্ধাৰৰ কামত লাগিছে। তাই পাগলীৰ দৰে হৈ ভাত-পানী নোখোৱাকৈ উচুপি উচুপি ভালেকেইদিন পৰি আছিল বিচনাত। হেজাৰ বাধাৰ মাজতো তাই কিন্তু স্কুললৈ যাবলৈ এৰা নাছিল। হঠাৎ এদিন তাইতকৈ একশ্ৰেণী ওপৰৰ স্বপ্নৰ সৈতে তাই চিনাকি হৈছিল। দিন বাগৰৰ লগে লগে দুয়োৰে মাজত পবিত্ৰ প্ৰেমৰ ভাব জাগি উঠিছিল। স্বপ্নৰো দেউতাক ঢুকাইছিল এক দুৰাৰোগ্য ৰোগত। মাকে স্থানীয় প্ৰাথমিক বিদ্যালয় এখনৰ শিক্ষয়িত্ৰী আছিল। দিনবোৰ বাগৰি গৈছিল।

তাইৰ জীৱনৰ গতিপথ সলনি হোৱাৰ সেই দিনটো আছিল শনিবাৰ। সেইদিনাখন সিহঁতৰ স্কুল বন্ধ আছিল কিবা এখন জৰুৰী সভাৰ বাবে। তেতিয়া তাই নৱম শ্ৰেণীৰ ছাত্ৰী আৰু স্বপ্ন দশম শ্ৰেণীৰ ছাত্ৰ। পুৱাৰে পৰাই সেইদিনাখন তাইৰ ওপৰত খুড়াক খুড়ীয়েকে আত্যাচাৰ চলাইছিল বিনাদোষতেই। অৱশেষত খুড়ীয়েকে তাইক নিৰ্মমভাৱে গতা মাৰি বাহিৰলৈ উলিয়াই দিছিল। তাই উন্মাদিনীৰ দৰে আনখন গাৱৰ স্বপ্নহঁতৰ তালৈ ঢাপলি মেলিছিল পুণৰ ওভতি নহাৰ সংকল্পেৰে। স্বপ্ন অকলে আছিল ঘৰত। মাক গৈছিল স্কুললৈ। তাই প্ৰায় দৌৰি যোৱাদিয়েই গৈ স্বপ্নৰ বুকুৰ মাজত মুখখন গুজি দি হুকহুককৈ কান্দি কান্দি কৈছিল-।

"পন দা, মই সেইখন ঘৰলৈ আৰু কেতিয়াও ওভতি নেযাওঁ। প্ৰয়োজন হ'লে মই জীৱনটোকে তুচ্ছ জ্ঞান কৰিম। মোক সিহঁতে মাৰি পেলাব।"

সেইদিনাখন স্বপ্নই তাইক বহু বুজনি দিছিল পুণৰ ঘৰলৈ উভতি যাবলৈ। তাই কোনোমতে মান্তি হোৱা নাছিল! অৱশেষত স্বপ্নৰ মাক আহি পাইছিল। তাৰ সাদৰী মাকে তাইৰ অৱস্থা উপলব্ধি কৰি তাইক সিহঁতৰ ঘৰতে স্থান দিছিল। সেইদিনাখন স্বপ্নই তাইৰ দুহাতত খামুচি ধৰি কৈছিল-"মই তোৰ প্ৰেমিক নহঁও মনা। তই তোৰ আপোন ককায়েৰক হেৰুৱাইছ। আজিৰ পৰা ময়েই তোৰ আপোন ককায়েৰ হ'লো। মাতচোন মোক এবাৰ দাদা বুলি। মাথো এবাৰ.."তাই দুচকুৰে আনন্দাশ্ৰু বোৱাই কৈছিল-"দাদা, দাদা! পন দা!" তাই স্বপ্নক পন আৰু স্বপ্নই তাইক মনা বুলি মাতিবলৈ লৈছিল। খুড়াক-খুড়ীয়েকে এবাৰো তাইৰ খবৰ এটিকে ল'বলৈ অহা নাছিল। স্বপ্নৰ মাকৰ পৰা তাই হেৰুওৱা মাতৃস্নেহ পুণৰ ঘূৰাই পাইছিল। স্বপ্ন আৰু তাই পুণৰ লাগি পৰিছিল পঢ়াশুনাত. তেনেতে এটি দুৰ্ঘটনাই তাইৰ জীৱনৰ গতিপথ সলনি কৰি দিলে। স্বপ্নৰ মাক এদিনৰ জ্বৰতে ঢুকাই থাকিল। তাই মনত ভীষণ আঘাট পাইছিল, হয়তো হেৰাই গ'লেহেতেঁন। তাইৰ পঢ়া-শুনা সিমানতে ইতি পৰিছিল। ঘৰখনৰ সকলো ভাৰ তাইৰ ওপৰতে পৰিছিল। স্বপ্নই মাকৰ চাকৰিটো নেপালে। কোনোমতে পি, ইউ, টো পাছ কৰি সি সেই চয়মাইল মান আতৰৰ চহৰ এখনৰ স্থানীয় কোম্পানী এটাত কাম কৰিবলৈ লৈছিল। এইদৰে আঠোটা বছৰ পাৰ হৈ গৈছিল হাঁহি-কান্দোনৰ মাজেৰে।

আজি স্বপ্নৰ 'নাইট ডিউটি' পৰিছে। সেয়ে তাই অকলশৰে শুই আছে স্বপ্ন হঁতৰ নিজম-নিতাল ঘৰখনত। নাই, তাই অকলেও ভয় কৰা নাই। সৰুৰে পৰা নানা সংঘাতৰ মাজেৰে আগুৱাৰ লগীয়া হোৱা বাবে তাই একোলৈকে ভয় নকৰে।

"ঠা-না-না-ং! ঠা-ং—!" - হঠাৎ এক শব্দত তাই উচপ খাই উঠিল। হয়, তাই অতপৰে হাতত পানীখোৱা ষ্টিলৰ খালী গিলাচটো লৈয়ে অতীতৰ মহসমুদ্ৰত উটি ভাঁহি ফুৰিছিল। অসাৱধানবশতঃ গিলাচটো হাতৰপৰা পৰি যোৱাত শব্দ হ'ল আৰু তাই বাস্তৱলৈ ফিৰি আহিল।

তাইক পুণৰ সেই অশুভ চিন্তাই চুই গ'ল। তাই ফেঁকুৰি উঠিল। জীয়াই থকাৰ অন্তিম অৱলম্বন কণো যদি ভগবানে কাঢ়ি নিয়ে। তাই ভগৱানক খাটিলে স্বপ্নৰ যেন একো নহয়। তাই কান্দি উঠিল-।

"টক্! টক্!! টক্!!!"- হঠাৎ দুৱাৰত কোনোবাই অস্থিৰভাৱে টুকুৰিয়াবলৈ ধৰিলে। এইবাৰ তাই ভয়ত বিবৰ্ণপ্ৰায় হ'ল। তাই কঁপা কঁপা মাতেৰে লাহেকৈ সুধিপেলালে- "কোন?"

"মই মনা, তোৰ পন দা!" - বাহিৰৰ পৰা স্বপ্নৰ মাতটো ভাহি অহাৰ লগে লগে তাই হাততে সৰগ ঢুকি পোৱাৰ দৰে প্ৰায় দৌৰি যোৱাদি গৈ দুৱাৰখন খুলি দিলে। স্বপ্নয়ো প্ৰায় দৌৰি অহা দিয়েই সোমাই আহি দুৱাৰখনত ভিতৰৰ পৰা পুণৰ খিলি লগাই দিলে। মুখ তাৰ আতংকত বিবৰ্ণ, শেতা। এই প্ৰচণ্ড জাৰতো সি ঘামিজামি জুৰুলি জুপুৰি হৈ পৰিছে। সি বিচনাত বহি লৈ

ফোঁপাবলৈ ধৰিলে। স্বপ্নৰ এনে অৱস্থা মনালীয়ে সপোনতো কল্পনাই কৰা নাছিল। স্বপ্নৰ দুবাহুত ধৰি জোকাৰি তাই ভয়াৰ্ত স্বৰেৰে সুধিলে-।

" কি হ'ল পন দা? এনেকৈ উধাতু খাই আহিছ যে? মোৰ কিন্তু খুউব ভয় লাগিছে, পন দা!"

স্বপ্নই এক সকৰুণ দৃষ্টিৰে তাইলৈ চাই ক'লে-" বিধাতা বৰ নিষ্ঠুৰ ও মনা।" সি কৈ গ'ল-" মই যেতিয়া ডিউটিলৈ বুলি চাইকেলেৰে গৈ কেঁচা ৰাস্তাৰ পৰা পকী ৰাস্তাত উঠিছিলো, তেতিয়া নিশা আঠ বাজিছিল। এডোখৰ আওহতীয়া ঠাইত মোক ন-দহজনমান অত্যাধুনিক মাৰনাস্ত্ৰৰে সু-সজ্জিত যুৱকৰ দলে আগচি ধৰি এক ভয়ংকৰ প্ৰস্তাৱ আগবঢ়ালে।'- এইবুলি স্বপ্ন নিশ্চুপ হৈ ৰ'ল ক্ষন্তেক। তাৰ দুচকুত যেন গোটেই ঘটনাটো জিলিকি আছে।

"মোক কি প্ৰস্তাৱ দিলে জানা মনা?"

"কি?" - মনালীৰ আতংকিত স্বৰ।

"প্ৰথমে মোক এগিলাচ পানী দিয়া।"

লগে লগে মনালীয়ে উঠি গৈ জাগটোৰ পৰা এগিলাচ পানী বাকী স্বপ্নৰ হাতত তুলি দিলে। পানীখিনি একে উশাহতে শেষ কৰি স্বপ্নই শীতল কণ্ঠস্বৰেৰে ক'লে-

" নিশা ঠিক এঘাৰ বাজি পয়ত্ৰিছ মিনিটত মই দলং এখনৰ তলত এটা শক্তিশালী বোমা থৈ আহিব লাগে। মই তীব্ৰ আপত্তি জনাইছিলো। কিন্তু সিহঁতে মোক মৃত্যুভয় দেখুৱালে আৰু মই গুলীৰ আগত বুকুপাতি দিব নোৱাৰিলো মনা প্ৰাণৰ ভয়ত মই মান্তি হৈ গ'লো। সিহঁতে মোক পঞ্চাচ হাজাৰ টকা দিম বুলিছিল। মই কৈছিলো যে-"বাপৰ ধনে নাটিলে, পাপৰ ধনে আৰু নাটে।"- এই বুলি স্বপ্নই দুচকুত উদাস দৃষ্টি লৈ মনাৰ ভীতিবিহ্বল মুখলৈ চাই থাকিল। ইমানপৰে শ্বাসৰুদ্ধ কৰি সকলো শুনি থকা মনালীয়ে উত্তেজিত স্বৰেৰে ফুচফুচাই কৈ উঠিল-" তই বোম দি আহিলি পন দা?" "তাৰ বাহিৰে মোৰ আৰু অইন পথ নাছিল মনা। মই মৃত্যুক অস্বীকাৰ কৰিলো মাথোন তোৰ ভবিষ্যৎৰ কথা ভাবিয়েই জান মনা! কিমান যে আশা সাচি ৰাখিছো হৃদয়ত স-যতনে! তোক এখন সুন্দৰ ঘৰলৈ উলিয়াই দিমবুলি ন-কইনাৰ সাজেৰে।"-স্বপ্নৰ কথাত মনাই এইবাৰ সজোৰে কান্দি উঠিল-

"এয়াযে বৰ মাৰাত্মক কথা হ'ল পন দা।

এতিয়া আমাৰ কি হ'ব?"

স্বপ্নই ক'লে -

"তাতোকৈ মাৰাত্মক কথা কি জান?"

" কি?"- মনালীয়ে ভয়ত কান্দিবলৈও পাহৰি সুধিলে।

"কেনেবাকে পুলিচে মোৰ কথা গ'ম পাইছে। পুলিচে মোক অনুসৰণ কৰিছে। মই চাইকেলখন ৰাস্তাতে পেলাই থৈ ধাননি পথাৰৰ মাজে মাজে দৌৰি দৌৰি পলাই আহিহে ঘৰ পাইছোহি।"

নিস্তব্ধ নিশাৰ কুকুৰ বোৰৰ শিহৰণকাৰী ভুক-ভুকনিৰ মাজত মনালীৰ উচুপনিয়ে এক বেলেগ ৰূপ ধাৰণ কৰিলে। স্বপ্নয়ো অনাগত বিপদৰ ক্ষণৰ কথা ভাবি স্তব্ধ হৈ ৰ'ল। কি বুলি সান্ত্বনা দিব সি ভনীয়েকক??

"ঘৰ্-ৰম্-ঘম্-ঘম্-!!"- তেনেতে আচম্বিতে কোনোবাই দুৱাৰত এক প্ৰচণ্ড গোৰ সোধাই চিঞৰি উঠিল-

"হেই, কৌন হ্যে! দৰৱাজা খোলো!!"

'পুলিচ!!- স্বপ্নৰ মুখেদি উচ্চাৰিত হ'ল। ভয়ত মনালীৰ মূৰ্চ্ছাপ্ৰায় অৱস্থা।

বাহিৰৰ পৰা নানান ধৰণৰ ভাবুকি হুংকাৰ অহাৰ লগে লগে উপায়ন্তৰহৈ স্বপ্নই নিৰ্বিকাৰচিত্তে উঠি গৈ দুৱাৰ মেলি দিলে। লগে লগে হাতে হাতে উদ্যত আগ্নেয়াস্ত্ৰ লৈ এদল সেনা জোৱান ভিতৰলৈ সোমাই আহিল। দুয়োৰে হাতত হেণ্ডকাফ টানি চোচোৰাই লৈ গ'ল। কেইটামানে স্বপ্নক বাহিৰলৈ টানি চোচোৰাই লৈ গ'ল। ক্ষন্তেক পিছতে শুনা গ'ল কেইবাজাঁয়ো বন্দুকৰ গুলীৰ শব্দ আৰু -আৰু স্বপ্নৰ মৰণকাতৰ আৰ্তনাদ। "ম-না-!!"

"পলদাক কলৈ নিলি ঐ ! পন দাক নেমাৰিবি ঐ! প-ন-দা-!"- তীব্ৰ চিংকাৰ কৰি মনালী ঠাইতে অজ্ঞান হৈ পৰিল।

(দুই)

প্ৰায় সাত বছৰ মান পিছত ব্যস্ত চহৰখনৰ এচুকত এগৰাকী আদহীয়া প্ৰায় পাগলীৰ আবিৰ্ভাৱ হ'ল। অসংযত জটা-বন্ধা চুলি। কেতিয়াবা চিঞৰি-চিঞৰি ৰাজপথৰ মাজলৈ দৌৰ মাৰে। মাজে-মাজে তাই ভীষণ ভাৱে চকুখাই উঠে। মানুহবোৰলৈ তাই খেদি যায় দুচকুত চৰম আক্ৰোশসনা দৃষ্টিলৈ। কোনোবা হোটেলৰ কৰ্মচাৰীয়ে হাতত এডাল লাঠি লৈ তাইক চুপ-চাপ বহি থাকিবলৈ ধমকি দিয়ে। বাটৰুৱাৰ ভ্ৰুক্ষেপ নাই পাগলীজনীৰ প্ৰতি। তাই আন কোনো নহয়, মানলী।

তাইয়ে এজনী পাগলী সেয়া হেজাৰ জনে ক'ব কিন্তু তাই কিয় পাগলী হ'ব লগা হ'ল সেয়া কোনোৱে নেজানে বা জানিবলৈ প্ৰয়োজন বোধ নকৰে। এয়াই বাৰু যুগধৰ্ম নেকি ??

## কৌতুক

মিচ্ হিমাদ্ৰী হাজৰিকা
দুখনৈ মহাবিদ্যালয়
উঃমাঃ১ম বৰ্ষ (কলা)

শিক্ষক : জন্, তুমি ডাঙৰ হৈ কি হবা?
জন্ : মই পুলিচ হম আৰু দেউতাৰ পদক্ষেপ অনুসৰণ কৰিম।
শিক্ষক : তেনেহ'লে, তোমাৰ দেউতা পুলিচ নেকি?
জন্ : নহয় ছাৰ, মোৰ দেউতা চোৰহে।

(শ্ৰী ৰাজেন কলিতা)
উঃমাঃ প্ৰথম বৰ্ষ (কলা)

এজন কিতাপৰ দোকানী আৰু এজন গ্ৰাহকৰ কথোপকথন।
(দোকানীয়ে দোকানত বহি আছে)
গ্ৰাহক : হেৰি, দোকানী বাবু বহী আছে?
দোকানী : হয়, অথনীৰে পৰা বহি আছো।
গ্ৰাহক : নহয় মানে লিখা বহী আছেনেকি?
দোকানী : ঔৱা। লিখা বহী আৰু কত থাকিব নিজেইহে লিখি লব লাগিব।

# নাচঁচা শূল

গৌতমণী ৰাভা
স্নাতক ২য় বৰ্ষ (ক'লা)
(ভূগোল বিভাগ)

মা,

জীৱনৰ আঁৰে-আঁৰে বৈ যোৱা জুৰিটিৰ পাৰত বহি তোমালৈ ক্ষমা বিচাৰি লিখা এয়া মোৰ জীৱনৰ বিয়লি বেলাৰ শেষ চিঠি। আশা কৰো তুমি ক্ষমা কৰি দুহাতেৰে আকোৱালি লবা। এনে এখন চিঠি তুমি হয়টো মোৰ পৰা বহুত দিনৰ আগতেই আশা কৰিছিলা; কিন্তু তুমি যি সময়ত আশা কৰিছিলা সেই সময় মোৰ বাবে অসময় আছিল। সময়ৰ ওচৰত মই কৃতজ্ঞ যে বিচাৰা ধৰণে সময়ে মোক সুযোগ-সুবিধা দুয়োটাই দিছে।

এতিয়া নিশা ১০ বাজি গৈছে। খবৰ কৰা মানুহবোৰে গোটেই দিনটো ঘৰ ভৰি থাকে। বহুত মানুহৰ মাজত থাকিও গোপনে মই নিজে সৃষ্টি কৰা আবৰ্তৰ মাজত ধীৰে-ধীৰে ঘূৰি আছোঁ এই আবৰ্তৰ কেন্দ্ৰ বিন্দু হ'লা তুমি। ৰাতিবোৰ মোৰ এতিয়া আটাইতকৈ প্ৰয়োজন। কাৰণ গোপনীয়তাৰে মই চিঠিখন লিখিবলগীয়া হৈছে। সেইখন মোৰ ছোৱালী জিনীতালৈ।

কৰ পৰা আৰম্ভ কৰো বাৰু? কথাবোৰ যেনে ধৰণে মনলৈ আহিছে, তেনে ধৰণে লিখি যাওঁ। প্ৰথমেই তোমাক কৈ থওঁ, এনে এখন চিঠি তোমালৈ লিখাৰ সিদ্ধান্তটো সেইদিনাৰে- যিদিনা মই জানিব পাৰিছিলো-তোমাৰ দুৰ্ভাগ্যৰ বাবে তুমি মোকেই জগৰীয়া কৰিছা। সৌভাগ্যই হওক বা দুৰ্ভাগ্যই হওক; ভাগ্য বোলা কথাটোৰ ওপৰত মই বৰ নিৰ্ভৰশীল নহওঁ। প্ৰত্যেকেই কৰ্মৰ দ্বাৰা নিজ ভাগ্য গঢ়ি লয়।

তুমি বাৰু সঁচাকৈয়ে তোমাৰ স্মৃতিপটৰ পৰা মোক একেবাৰে নিশ্চহ্ন কৰি দিব পাৰিছানে? মই কিন্তু নাই পৰা। তোমালোকৰ সকলোকে, আনকি মৃত দেউতাকো মই মুহূৰ্তৰ বাবে পাহৰিব পৰা নাই। কিন্তু বাহিৰত মই পাহৰাৰ অভিনয় কৰিছোঁ।

মোৰ বিশ্বাস তুমিও মোক পাহৰিব পৰা নাই। কংস বা হিৰণ্যকশিপুৱে শ্ৰীকৃষ্ণক বৈৰীভাৱে চিন্তা কৰাৰ দৰে তুমিও কিজানি মোক বৈৰীভাৱে হলেও মাজে-সময়ে মনত পেলাইছা।

অলপ ৰ'বা। হৰিক দৰব এটা খুৱাবৰ সময় হৈছে।

অ' তুমি চাগে ভাবিছা হৰিৰ নো কি হৈছে? শুনা-হৰিৰ এই পৃথিৱী এৰি যোৱাৰ সময় প্ৰায় সমাগত। দুৰাৰোগ্য ৰোগত আক্ৰান্ত "হৰি" আজি শেষ পথেৰে বহু দূৰ আগুৱাই আহিল। এই দুখৰ বাতৰি তোমাক কোনোৱাই দিছে যদিও তুমি চাগে নিৰ্বিকাৰ ভাবে শুনি থলা। কাৰণ হৰিতো তোমৰ একো নহয়। সঁচাকৈয়ে একো নহয়নে? হৰিৰ লগত তোমাৰ সম্পৰ্ক তুমি অস্বীকাৰ কৰিব পাৰিবানে? হৰিৰ খবৰে তোমাক অকণো বিচলিত কৰা নাই নে? তোমাৰ বুকুখন ধমহকৈ উঠা নাইনে? নুঠিবও পাৰে। কাৰণ তুমিতো এদিন ইয়াকে কামনা কৰিছিলা। তোমাৰ মনৰ বাসনা কিন্তু শেষত পূৰণ নহবগৈ। তাৰ বাবে মই মোৰ দীৰ্ঘদিনৰ প্ৰস্তুতিৰ এয়া শেষ বিন্দুত উপস্থিত হৈছোঁহি।

তোমালোকৰ লগত মোৰ এৰা-এৰি হোৱা আজি ২৩ বছৰ হ'ল। আচৰিত। অনবৰতে পৰিবৰ্তনশীল এই মায়াবী বিশাল জগত খনৰ কিমান যে পৰিবৰ্তন হ'ল ভাবিবই নোৱাৰি। কোৱা শুনিছিলো-তোমাৰ ১৬-১৭ বছৰ মান বয়সতে মোৰ জন্ম হৈছিল। তেতিয়া হলে, মই এতিয়া ৪০ বছৰীয়া প্ৰৌঢ়া হলে তুমি ৫৬-৫৭ বছৰীয়া বৃদ্ধা হ'বা চাগে। এইবোৰ যোগ-বিয়োগৰ কাম মই বৰ টান পাওঁ। তথাপি যাবৰ সময়ত কিছু হিচাপ কৰি চাব খুজিছোঁ। বৃদ্ধা বয়সত তোমাক দুখ দিয়াৰ মোৰ সমূলি ইচ্ছা নাই। মাত্ৰ মোৰ কাৰ্য্যৰ ফল লাভৰ বাবেহে তোমাক মোৰ মনৰ কথা কবলগীয়া হৈছে।

দেউতা জীয়াই থকা হ'লে আজি মোৰ জীৱনলৈ এনে এটা দিন আহিলহেঁতেন নে নাহিলহেঁতেন কব নোৱাৰোঁ। কিন্তু দেউতা ঢুকোৱাৰ পাছত তোমাৰ জীৱনলৈ যে ভয়ানক দুৰ্যোগ নামি আহিল; সেই কথা অনুমান কৰিছিলো। কাৰণ মই গুচি অহাৰ পাছত দেউতাৰ ব্যৱসায় একেবাৰে পৰি আহিল। ব্যৱসায়ৰ প্ৰতি চকু দিবলৈ দেউতা একেবাৰে অনিচ্ছুক হৈ পৰি। ভাই দুটাও তেতিয়া সৰু হৈ আছিল। সাঁচতীয়া টকাও দেউতাৰ অসুখতে শেষ হ'ল চাগে। গতিকে টকা-পইচাৰ সমস্যা আহিল। দেউতাৰ মৃত্যুৰ পাছত ভাই-ভনীকেইটাৰ দায়িত্ব তুমি সম্পূৰ্ণ অকলে বহন কৰিবলগীয়া হ'ল। অতি কষ্টৰে তুমি সিহঁতক মানুহ কৰিলা। এই দুৰ্যোগৰ ধুমুহাই তোমালোকৰ মাজত মোক শত্ৰু হিচাপে পৰিগনিত কৰালে। কিন্তু দেউতাৰ বাবেই যে এদিন ময়ো তোমালোকৰ মাজৰ পৰা হেৰাই যাবলগীয়া হ'লো, সেই কথাটো তুমি ভালদৰে জানিও স্বীকাৰ কৰিব নোৱাৰিলা কিয়? পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্ক, দুটা সন্তানৰ মাতৃ হৈ মই মৰ্মে-মৰ্মে উপলব্ধি কৰিছোঁ আৰু এই উপলব্ধি যিমানে তীব্ৰ হৈছে সিমানে মই মোৰ সিদ্ধান্তত অলৰ-অচৰ হৈ বৈছোঁ। তুমি নাভাবিবা যে মোৰ সন্তানৰ প্ৰতিও মই কৰা এয়া অন্যায়ৰ আন এক ৰূপ। যদি আন কোনোবাই এনেদৰে ভাবে তেন্তে তাৰ বাবে তুমিহে দায়ী হ'বা।

কেনেকুৱা এটা ৰক্ষণশীল পৰিয়ালৰ তুমি বোৱাৰী আৰু মই জীয়ৰী আছিলো সেই কথা এতিয়া আৰু দোহৰাৰ প্ৰয়োজন নাই। পাঁচোটা আঙুলি সমান নোহোৱাৰ দৰে, এক পৰিবেশত ডাঙৰ হোৱা একে পিতৃ-মাতৃৰে সকলো সন্তান সম্পূৰ্ণ একে কেতিয়াও হ'ব নোৱাৰে। আমিও ইয়াৰ ব্যতিক্ৰম ন'হলো। তোমালোকৰ চাৰিটা সন্তানৰ ভিতৰত ময়ো প্ৰথম। সেই হিচাপে তোমালোকৰ প্ৰতি বা ভাই-ভনীকেইটাৰ প্ৰতি ছোৱালী হলেও মোৰ দায়িত্ব কম নাছিল। কিন্তু চাব কিবা খেলিমেলি হৈ গ'ল।

পৰিয়াল এটা সমাজৰ অংশ বিশেষ। সমাজখন শৃংখলিত অৱস্থাত ৰাখিবৰ বাবে মানুহে নানা সামাজিক ৰীতি-নীতি, সৃষ্টি কৰিছে। আজি যিটো সমাজৰ এৰাব নোৱাৰা নীতি, কাইলৈ হয়তো সি অপ্ৰয়োজনীয় হৈ পৰিব। তাৰ ঠাইত আন এটা নতুন নীতি প্ৰতিষ্ঠিত হ'ব। এই নতুন ৰীতি-নীতিবোৰ সদায় উঠি অহা নতুন চামে প্ৰতিষ্ঠা কৰে আৰু পুৰণিচামে প্ৰায়ে সেইবোৰ মানি লবলৈ টান পায়। আমাৰ পৰিয়ালটোত প্ৰাচীন ৰীতি-নীতিৰ পৰম্পৰা ভংগ কৰোঁতা যে প্ৰথম ময়েই হ'ব লাগিব, এই কথা এসময়ত মই ভাবিবই পৰা নাছিলো। তোমালোকেতো কাহানিও নাভাবিছিলাই ইয়াৰ বাবে মোৰ পৰিকল্পিত কোনো আঁচনি নাছিল। দেউতাৰ দৰে দুৰ্দান্ত-প্ৰতাপী, উগ্ৰ মেজাজৰ এজন মানুহ, যাক পৰিয়ালৰ সকলোৱে আনকি ককা আইতায়ো বাঘৰ দৰে ভয় কৰিছিল, তেনে এজন মানুহক মই কেনেকৈ উলাই কৰিলো। বিশ্বাস কৰিবানে- এনে কৰিবলৈ তোমালোকেই মোক বাধ্য কৰিলা। দেউতাই ভাবিছিল খঙেৰে পৃথিৱী দমন কৰিব পাৰি। সকলোকে ভৰিৰ তলত ৰাখিবলৈ বিচৰা দেউতাই কিন্তু নিজ দুহিতাক ভৰিৰ তলত ৰাখিব নোৱাৰিলে। দেউতাৰ কাৰণে এয়া

জীৱণৰ চৰম পৰাজয়। পৰাজয়ৰ গ্লানিয়ে দেউতাক তিল-তিলকৈ মৃত্যুৰ মুখলৈ লৈ যোৱাৰ বাবে তোমালোকে মোক দোষী কৰিছা। কিন্তু মইতো গৰ্বী দেউতাৰ আদৰৰ জীয়ৰী নাছিলো!

কিয় জানো মনত পৰা দিনৰে পৰা অনুভৱ কৰিছিলো-দেউতা যেন মোৰ পৰা বহু দূৰত। সন্তান হিচাপে দেউতাৰ পৰা মই যি ব্যৱহাৰ আশা কৰিছিলো, তাক কোনো দিন নাপালো। দেউতাই ভাই দুটা আৰু ভনীজনীকো মোক কৰাৰ দৰে হয়তো একে ব্যৱহাৰকে কৰিছিল। দেউতাৰ সেই ব্যৱহাৰ সিহঁতৰ দৰে মইনো কিয় সহজভাৱে লব নোৱাৰিলো ক'ব নোৱাৰোঁ। মই বিচাৰিছিলো দেউতাই মোক অত্যন্ত মৰম কৰক। মই কিবা দোষ কৰিলেও দেউতাই মাৰ-পিট বা ডাবি-ধমকিৰে শাসন কৰাতকৈ ওচৰত বহুৱাই মৰম কৰি মিঠা কথাৰে বুজাব যে "এনে কৰা অনুচিত, তোমাৰ ভাই-ভনীহঁতে তোমাক দেখি বেয়া কাম কৰিবলৈ শিকিব; তুমি সিহঁতক ভাল আদৰ্শ দেখুওৱা উচিত।" কিন্তু বিচৰা ধৰণে দেউতাৰ আচৰণ মই কোনো দিনে দেখিবলৈ নাপালো। সাধাৰণ কথা এটাতে জ্বলি পকি উঠা দেউতাৰ পৰা ক্ৰমে মই আঁতৰি যাবলৈ ধৰিলো। মোৰ এতিয়াও হ'লেও মনত আছে কেনেবাকৈ আজ্ঞাত নিমখ বেছি হ'লেও দেউতাই তোমাক ধমকি দিছিল। আনকি জলকীয়াটো বেছি জ্বলা হোৱাটোও যেন তোমাৰহে দোষ! দেউতাই তোমাক দেখুওৱা এই ব্যৱহাৰে মোক অত্যন্ত দুখ দিছিল। মই দেখিছিলো, এই অন্যায়ৰ প্ৰতিবাদ তুমি প্ৰায়ে কৰিছিলা। ফলত তোমালোকৰ মাজত সদায় কাজিয়াৰ সৃষ্টি হৈছিল। তুমি যে জয়ী হ'ব নোৱাৰিছিলা আৰু কান্দি-কান্দি পৰাজয় বৰণ কৰিছিলা এই কথাই মোৰ মনত তীক্ষ্ণভাৱে আঘাত কৰিছিল।

এবাৰ আমাৰ ঘৰৰ বাৰাণ্ডা এখনৰ ভাগি যোৱা পকাৰ মজিয়াখন নতুনকৈ প্লাষ্টাৰ কৰা হৈছিল। সম্ভৱ প্লাষ্টাৰ কৰাৰ পাছদিনা-ভালদৰে নুশুকুৱা মজিয়াত আমাৰ লৰা-ছোৱালী কোনোবা এটাৰ সৰু ভৰিৰ খোজ এটা দেউতাই দেখিবলৈ পালে। তোমাৰ মনত আছেনে "মা"? লগে-লগে বিচাৰ আৰম্ভ হ'ল। কোনেও সৈ নাকাঢ়িলে। আচৰিত কথা, দেউতাই কাকো গালি-গালাজ নাপৰিলে অথবা মাৰ পিটো নকৰিলে। সম্ভৱ আন কিবা কাৰণত সেইদিনা দেউতাৰ মেজাজ বৰ ঠাণ্ডা হৈ আছিল তাৰ সলনি তেখেতে এটা সাধু কলে। সাধুটো কি আছিলে মোৰ মনত নাই। কিন্তু তাৰ যিটো মূল কথা দেউতাই আমাক কৈছিল সেইটো মই আজিও পাহৰা নাই। কথাটো এনে ধৰণৰ-সাধুটোৰ ৰজা জনে এজন দোষীক নচঁচা শূলত দিলে। নচঁচা শূল ডালনো কেনেকুৱা, দোষীজনে কেনেকুৱা যন্ত্ৰণাৰ মাজেৰে মৃত্যু লাভ কৰিলে, এইবোৰ দেউতাই আমাক সুন্দৰ ভাৱে বৰ্ণনা কৰি বুজাই দিলে। সেই দিনাৰ সেই ঘৰুৱা বিচাৰত দেউতাই সেই সাধুটো কোৱাৰ কাৰণ মোৰ ন-বছৰীয়া কিশোৰী মনটোত এনে ধৰণে অংকিত হৈ ৰ'ল। – দেউতাই নিজকে ৰজাজনৰ ঠাইত আমাৰ ভিতৰৰ কোনোৰে এটাক নচঁচা শূলত দিয়া দোষীজনৰ ঠাইত ভাবি লবলৈ দিছিল – যেন দোষ কৰিলে দেউতাই আমাকো নচঁচা শূলত দিব! ভাই-ভনীকেইটাৰ মনত হয়টো এইবোৰ কথাই কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰিছিল ; কিন্তু মই ভিতৰি ভিতৰি কঁপি উঠিছিলো। ময়ে যদি দোষী হওঁ তেন্তে দেউতাই মোকো নচঁচা শূলত দিব নেকি? দিব, দিব। দেউতা যে ৰজা ! দেউতালৈ মা, ককা, আইতা, খুড়া-খুড়ী সকলোৱেই ভয় কৰে। দেউতাৰ নচঁচা শূলৰ পৰা মোক কোনেও বচাব নোৱাৰে।

দেউতালৈ ভয় মোৰ অত্যন্ত বাঢ়ি গ'ল। অথচ দেউতাৰ খং উঠা কামবোৰ কৰি মই এক অদ্ভুত তৃপ্তি পাবলৈ ধৰিলো। হয়টো ই প্ৰতিবাদৰে নামান্তৰ।

ছোৱালীবোৰ বোলে লোকৰ ঘৰ ধৰিবগৈ লাগে কাৰণে সোনকালে ডাঙৰ হয়- ময়ো হ'লো। দেউতাৰ ব্যৱসায়ৰ অন্যতম সহকাৰী হৰি এদিন আমাৰ ঘৰলৈ আহিল। হৰিয়ে দেউতাৰ ব্যৱসায় দ্ৰুত গতিত সফলতাৰে আগবঢ়াই নিলে। হৰিৰ লগত আমাৰ পৰিয়ালৰ সম্পৰ্ক ইতিমধ্যে পাঁচ বছৰ পূৰা হৈছে। ইমান দিনৰ স্বাভাৱিক সম্পৰ্ক এদিন আমি দুয়ো ক'ব নোৱাৰাকৈ মধুৰ সম্পৰ্কলৈ পৰিবৰ্তিত হ'ব খুজিলে। খুউব ভালদৰে বুজিছিলো– দেউতাই আমাক শুদাই নেৰে। তথাপি মই আগবাঢ়িলো। হৰিয়ে সাহসপালে। অতি সোনকালে হৰিয়ে দেউতাৰ ওচৰত বিয়াৰ প্ৰস্তাৱ দিলে। এক মুহূৰ্তৰ বাবে দেউতা বজ্ৰাহত হ'ল। তাৰ পাছত বিস্ফোৰিত বোমাৰ দৰে তেখেতৰ কটু বাক্যই ঘৰখনৰ সকলোকে আঘাত কৰিলে। ৰাজ-সভাৰ বিচাৰত প্ৰাথমিক দণ্ড হিচাপে মাৰ-পিট, অশ্লীল গালি-শপনি গ্ৰহণ কৰিলো। তেখেতৰ চেতনা থাকে মানে স্বজাতিৰ বাহিৰৰ তলতীয়া কৰ্মচাৰীলৈ দেউতাই মোক কেতিয়াও বিয়া নিদিয়ে। তাতে বিয়াৰ ক্ষেত্ৰত মই দেউতাক বাদ দি নিজা সিদ্ধান্ত লোৱাত তেখেতে বেছি হিংস্ৰ হৈ উঠিল। এইবাৰ কিন্তু নচঁচা শূলৰ ভয়ে মোক কঁপাই তুলিব নোৱাৰিলে। কাৰণ মোৰ ওচৰত এইবাৰ ত্ৰাণকৰ্তাৰূপে হৰি আছে। হৰিৰ লগতনো কেনেকৈ জীৱন কটাম, কেতিয়াও কল্পনা কৰা নাছিলো। সঁচা কথা ক'বলৈ গ'লে তোমালোকক দেখি বিবাহিত জীৱনৰ প্ৰতি মোৰ ঘৃণাহে উপজিছিল। প্ৰতিটো বিষয়ত অনুশাসন চলাবলৈকে অভিভাৱকে এজনী ছোৱালীক এজন পুৰুষৰ ওচৰত সম্প্ৰদান কৰে নেকি? এজনী ছোৱালীৰ দেউতাকে বিচাৰে নেকি যে তেখেত যি দৰে নিজ পত্নীৰ ওপৰত উঠি ৰজা-বহি ৰজা, ঠিক সেইদৰে তেখেতৰ জীয়েকৰ ওপৰতো এজন পুৰুষ উঠি ৰজা-বহি ৰজা হওক? এইবোৰ তেতিয়া চিন্তা কৰা নাছিলো। পাছতহে কৰিছিলো। তেতিয়া মোৰ এক মাত্ৰ চিন্তা আছিল নচঁচা শূলডালৰ পৰা কেনেকৈ ৰক্ষা পৰোঁ। হৰিৰ কথাটোত তুমি দেউতাৰ ফালে হ'লা। দেউতাতকৈ তুমি বেছিহে কাঢ়া। প্ৰাচীন পৰম্পৰা তথা বংশ মৰ্য্যদা ৰক্ষা কৰিবলৈ তুমি সততে সচেতন। তেনেস্থলত ভিন্ন সম্প্ৰদায়ৰ হৰিৰ লগত মোক কেনেকৈ যাগ-যজ্ঞ পাতি বিয়া দিবা? ইষ্ট-কুটুম্বৰ সম্মুখত এই বোৰ কম অপমানৰ কথানে? সুবিধা পালেই তুমি মোক কিমান কথা শুনাবলৈ ললা। আনকি খংৰ ভমকত ঘৰৰ পৰা ওলাই যাবলৈকো কৈছিলা। তেতিয়া তুমি চাগে ভবাই নাছিলা, খংত কোৱা এই কথাই তোমাৰ অভিমানী জীয়েৰাক দুঃসাহসী কৰি তুলিব পাৰে।

ৰাহি-জোৰা চোৱাৰ পাছত পিতৃ-মাতৃ সমন্বিতে হাজাৰজনৰ আশীৰ্বাদ শিৰত লৈ অগ্নিসাক্ষী কৰি হৰিৰ লগত মোৰ বিয়া নহ'ল। এইবোৰৰ সলনি আদালতৰ আইনে আমাক স্বীকৃতি দিলে। তোমালোকে এই কাৰ্যক ইমান নিন্দা কৰিলা যেন মই তোমালোকৰ কোনোৱা সাত-শতৰুহে ছোৱালী। ঘটনাটো হঠাৎ ঘটি যোৱাত দেউতাৰ পৰা পাবলগীয়া টকা-পইচাও হৰিয়ে আগধৰি আদায় কৰিব নোৱাৰিলে। বিবাহিত জীৱনত ভৰি দিয়েই আমি অৰ্থনৈতিক সমস্যাত ভুগি বহুত কষ্টেৰে দিনবোৰ অতিক্ৰম কৰিব লগীয়া হলো। এবছৰৰ পাছত আমাৰ মাজলৈ জিনীতা আহিল। ঠিক এনে সময়তে হৰিৰ নতুন কৰ্ম-সংস্থাপন হ'ল। অভাৱৰ দিন লাহে- লাহে শেষ হৈ আহিল। আমি দুয়ো আমাৰ সৰু সংসাৰখন লৈ ব্যস্ত হৈ পৰিলো। এই ব্যস্ততাই মোক ক্ষণিকলৈ হ'লেও নচঁচা শূলডালৰ কথা পাহৰাই ৰাখিছিল। কিন্তু হঠাৎ এদিন দেউতাৰ মৃত্যুৰ বাতৰিয়ে মোক আকৌ সেই শূলডালৰ আঘাত মোৰ বাবে অতিশয় যন্ত্ৰণাদায়ক হৈ উঠিল ; শুনিবলৈপাইছিলো মই গুচি অহাৰ পাছত দেউতাৰ ৰুক্ষ মেজাজ আৰু ৰুক্ষ হৈ উঠিছিল। দিনটো নানা সামাজিক কামত ব্যস্ত থাকিলেও তেখেতে ৰাতি-ৰাতি মদ খাই বহি থাকিবলৈ ল'লে। দেউতাই আগতেও খাইছিল ; এতিয়া বোলে মাত্ৰা বাঢ়ি গ'ল। তোমালোকৰ মতে মোৰ পৰা পোৱা মানসিক আঘাটৰ বাবে দেউতাৰ এনে অৱস্থা হ'ল আৰু

এনে অৱস্থাৰ বাবেই দুৰাৰোগ্য 'কেন্সাৰে' দেউতাক আক্ৰমণ কৰিলে। মোৰ কিন্তু এনেদৰে ভাবিবলৈহে মন যায়। — মই হৰিক বিয়া কৰোৱাতকৈও দাম্ভিক দেউতাই মোৰ ওচৰত পৰাজিত হ'ব লগীয়া হোৱাতহে বেছি আঘাত পালে। শেষ মুহূৰ্তলৈকে দেউতাই আমাৰ প্ৰতি কৰা অতি নিদাৰুণ মন্তব্যবোৰ মোৰ কাণত পৰিছিল। সেইবাবে দীৰ্ঘদিন অসুখত ভুগি থকা দেউতাৰ ওচৰলৈ যাবলৈ মই সাহক গোটাব নোৱাৰিলো। মই ভয় কৰিছিলো—মোক দেখি দেউতাই 'হাৰ্ট ফেইল' কৰি বুলি। তুমিও দেউতাক বুজাবলৈ চেষ্টা কৰাৰ সলনি বেছিকৈ উচতাই যেন জ্বলা জুইত ঘিউহে ঢালিছিলা। অৱশ্যে মই জানো- দেউতাই তোমাৰ বুজনি নামানে। এই গোটেই কথাবোৰ মই জানিবলৈ পাইছিলো অপুদাৰ মুখে। অপুদাই মোক খুউব মৰম কৰিছিল- ভনীৰ দৰে। সেয়েহে তোমালোকে নজনাকৈ তেওঁ সুযোগ পালেই মোৰ ওচৰলৈ আহিছিল। বহু দূৰত চাকৰি বাবে বছৰেকত এবাৰহে অপুদা ঘৰলৈ আহিছিল। তেতিয়াই তেওঁ তোমালোকৰ ঘৰলৈকো গৈছিল আৰু এইফালে মোৰ ওচৰলৈকো আহিছিল।

এই অপুদাই কৈছিল- দেউতাই হেনো শেষ সময়ত কৈ গৈছে কেতিয়াবা যদি মই কিবা বিপদত পৰোঁ তেন্তে তুমি মোক চাব লাগিব। এই কথাষাৰে মোক অত্যন্ত বিচলিত কৰিলে। হয়তো দেউতাই আশা কৰিছিল- মই তেখেতক দেখা কৰিম আৰু মোৰ দোষৰ বাবে ক্ষমা খুজিম। কিন্তু মই দেউতাৰ ওচৰলৈ কেনেকৈ যাওঁ কোৱা 'মা'। তেখেতেতো নাজানে সেই তাহানিতে তেখেতে মোৰ অন্তৰত এডাল নৰ্চচা শূল সুমুৱাই থৈছে যাৰ অস্তিত্ব মই নিৰবে আজিও বহন কৰি আছো।

দেউতাই মোক কি বিপদৰ আশংকা কৰি সেই কথা তোমাক শেষ সময়ত কৈ গ'ল নাজানো। তুমিয়েই বা ইয়াৰ অৰ্থ কি বুজিলা তাকো কব নোৱাৰো। কিজানি দেইতাই ভাবিছিল ; হৰিয়ে মোৰ প্ৰতি অন্যায়-অবিচাৰ কৰিব পাৰে, নাইবা মোতকৈ আগতে যদি হৰিৰ মৃত্যু হয় তেতিয়া তুমি এনে বিপদৰ সময়ত মোৰ ওচৰত থাকিব লাগিব।

কিন্তু তোমোলোকে বা মই ভবা প্ৰথমটো বিপদ মোৰ নহ'ল। অৰ্থাৎ আমাৰ বিবাহিত জীৱন তোমালোকৰ বেদৰ মন্ত্ৰেৰে আঁকোৱালি লোৱা বিবাহিত জীৱনৰ দৰে নাছিল। হৰিৰ মৰম-চেনেহ সহানুভূতিয়ে মোক ভাবিবলৈ বাধ্য কৰালে,- দেউতাৰ পৰাও কিজানি মই এনে মৰমেই আশা কৰিছিলো। নহ'লে ভাই-ভনী কেইটাৰ দৰে ময়ো দেউতাৰ দুৰ্ব্যৱহাৰক চেনেহৰ আন এটা ৰূপ বুলি ল'ব পাৰিলোহেঁতেন।

নিকৰুণ সত্য ! মোৰ বিপদৰ আনটো সম্ভাৱনা প্ৰায় সমাগত এনে এটা বিপদৰ সম্মুখীন হ'বলৈ মই সিদিনাৰে পৰা সাজু- যিদিনা অপুদাৰ মুখে গম পাইছিলো- মোৰ বিপদত দেউতাই তোমাক মোক চাবলৈ কৈ গৈছে। তোমালোকে বিচৰা মতে মোৰ বিপদ এয়া সমাগত। হৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত। হৰিয়ে কোনো নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ নকৰে। আনকি ধুমপানো নকৰে। তথাপি হৰি ৰোগৰ বলি হ'ল। ইয়াৰ বাবে মই কাকো জগৰীয়া কৰা নাই। মোৰ এই দুৰ্ভাগ্যক মই সৌভাগ্য হিচাপেহে মানি লৈছোঁ।

হৰিক লৈ ২৩ বছৰে মই এটা সুস্থ, পৰিপূৰ্ণ যুগ্ম জীৱন কটালো। হৰি অবিহনে মোৰ জীৱন অসম্ভৱ। সেয়ে এনে এটা সিদ্ধান্ত ল'লো- যাৰ বাবে মই তোমাৰ ওচৰত কিয়, সমগ্ৰ মানৱ সমাজৰ ওচৰতে ক্ষমা বিচাৰিছো। হৰিৰ এতিয়া অৰ্ধচেতন অৱস্থা। পত্নী হৈ প্ৰাণসম স্বামীৰ চিৰনিদ্ৰাৰ সময়ত স্বীকাৰোক্তি লিপিবদ্ধ কৰিবলৈ মানসিক দৃঢ়তা মোৰ কেনেকৈ সম্ভৱ হৈছে সেই কথা ভাবি সকলো আচৰিত হ'ব। কিন্তু এই দৃঢ়তা মোৰ বহুদিনীয়া প্ৰস্তুতিৰ ফল। দেউতাই যিদৰে মোৰ মুখ নাচাওঁ বুলি দৃঢ় হৈ থাকিল, ঠিক সেইদৰে ময়ো তোমাক মোৰ বিধৱাৰ ৰূপ নেদেখুৱাওঁ বুলি দৃঢ় সিদ্ধান্ত ল'লো। হৰিৰ অৱস্থা দেখি মোৰ বুজিবলৈ অকনো অসুবিধা হোৱা নাই যে সময় নিচেই ওচৰ চাপিছে। ডাক্তৰেও কৈছে- এৰাতি বা দুৰাতি। হৰি যোৱাৰ লগে লগে টোপনি অহা পিলকেইটা খাই মই শুই পৰিম। "হাৰ্ট পেচেন্ট" হিচাপে এয়াই মোৰ উত্তম উপায়।

মোৰ সন্তান জিনীতা আৰু জিতৰ প্ৰতি মই অন্যায় কৰিছোঁ বুলি তুমি নাভাবিবা। সিহঁতকো মোৰ ক'বলগীয়াখিনি মই কৈ যাম। প্লেন, ৰেল বা মটৰ দুৰ্ঘটনাটতো একোটা পৰিয়াল সম্পূৰ্ণ নিশ্চিহ্ন হৈ যায়। মাক-দেউতাক এনেকুৱাই কিবা এটা দুৰ্ঘটনাত হেৰাই গ'ল বুলি সিহঁতে ধৰি ল'ব। এতিয়াও ঠায়ে-ঠায়ে সতীদাহ প্ৰথা চলি আছে। আমাৰ সমাজতো ধৰি লব পাৰে,- ময়ো স্ব-ইচ্ছাৰে সতী গ'লো। মইতো আন বহুতৰ দৰে কঠোৰ বাস্তৱৰ মুখা-মুখি হ'বলৈ ভয় কৰি জীৱনৰ পৰা পলায়ন কৰা নাই। জিনীতা-জিতেও কষ্ট পাব। পাওক। সিহঁত মোৰেই সন্তান সিহঁতে নিশ্চয় প্ৰেমৰ মৰ্য্যাদা বুজি পাব। সিহঁতৰ কষ্ট কিঞ্চিত পৰিমাণে কম হোৱাৰ ব্যৱস্থা মই কৰিছো।

যোৱা বছৰ বি,এ পাছ কৰাৰ পাছতে অনিৰুদ্ধলৈ জিনীতাক বিয়া দিলো। বিয়াৰ এমাহৰ পাছতে অনিৰুদ্ধই নিজ কৰ্মস্থান মুম্বাইলৈ জিনীতাক লৈ যোৱাৰ কথা আছিল যদিও হৰিৰ অসুখ আৰম্ভ হোৱাৰ বাবে জিনীতা থাকি গ'ল। দেউতাকৰ যে এতিয়া শেষ অৱস্থা সেই কথা জনাই তাই অনিৰুদ্ধক মাতি পঠাইছে। হয়টো দুই-এদিনতে অনিৰুদ্ধ পাবহি। জিনীতাক অনিৰুদ্ধৰ হাতত গতাই নিশ্চিত হ'লো। জিতৰ ব্যৱস্থাও মই কৰিছোঁ। এই বছৰ বি,এছ,চি. ফাইনেল দিব সি। সকলোৱে আশা কৰা মতে সি ভাল ৰিজাল্ট কৰিব। কাৰণ সি বি,এছ, চি. চেকেণ্ড ইয়েৰত পজিশ্বন পাই সুনাম অৰ্জন কৰিছে। তাৰ দায়িত্ব জিনীতা আৰু অনিৰুদ্ধক দিলো। দেখাই-শুনাই, স্বভাৱে-চৰিত্ৰই জিত জাকতজিলিকা ল'ৰা। মুম্বাইত তাৰ কিবা এটা ব্যৱস্থা কৰি দিবলৈ অনিৰুদ্ধকো মই কৈছোঁ।

মা, সঁচাকৈয়ে বাৰু হৰিক বিয়া কৰাই মই বৰ নীচ কাম কৰিলো নেকি- যাৰ বাবে তোমালোকৰ পৰা মোক চিৰদিন আঁতৰাই ৰাখিলা ? এতিয়া আৰু এই প্ৰশ্নৰ উত্তৰ মোক নালাগে। জিনীতা-জিততকৈ হৰিৰ জীৱন মোৰ বাবে বেছি মূল্যবান। হৰিৰ যোগেদিহে মই সিহঁতৰ জননী। সেয়ে হৰিৰ লগতে ময়ো বিলীন হৈ যাবলৈ বিচাৰিলো। সময়ে মোক-সিহঁতক প্ৰতিষ্ঠিত কৰি যাবলৈ সুযোগ দিলে কাৰণে সময়ৰ ওচৰত মই অতিকৈ ঋণী। বিদায়।

ইতি-

তোমাৰ মানত চিৰ অপৰাধিনী

"পূজা"

দেউতাই প্ৰেম-প্ৰীতিৰ নিচিনা বিষয়ত গুৰুত্ব নিদিলে, স্বামীহীনা হোৱাটোৱেই নাৰীৰ চৰম বিপদ ইত্যাদি কথাবোৰ ভাবি-ভাবি, খামটোৰ ওপৰত বহুদিনৰ মূৰত মাকৰ নামটো লিখিবলৈ লওঁতে পূজা ফুকনৰ চকু দুটা জল মলাই উঠিল।

# উজাগৰী নিশাৰ অন্তত

মিচ্ গীতিমা কলিতা
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

নিশা গভীৰ হোৱাৰ লগে লগে যেন গোটেই পৃথিৱীখনেই এটা শান্ত শিশুৰ দৰে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লৈছে। কাৰো কতো সাৰ সিকতি নাই। ব্যস্ত পৃথিৱীখনে ৰাতিৰ লগে লগে যেন আহৰি পাই জিৰণী লৈছে। মাথো নিঃসঙ্গ মনে এখন বিচনাত সাৰে আছে নয়না। মানে নয়না বৰুৱা। তাইৰ চকুত আজি টোপনি নাই। বাৰে বাৰে বাগৰ সলাই তাই শুবলৈ চেষ্টা কৰিছে। কিন্তু আজি তাইৰ চকুত টোপনি নাই। বাৰে বাৰে মনলৈ আহিছে তাইৰ নীলাই কৈ যোৱা কথাবোৰ। নীলা ৰাতিপুৱা ১০ মান বজাত তাইৰ ওচৰলৈ আহিছিল। বহু দিনৰ মুৰত নীলাক দেখি নয়নাই সুধিছিল-

ঃ নীলা, তুমি বাৰু ইমান দিন কিয় অহা নাছিলা? আজি দেখোন নীলাৰ মনটো মৰা। তাইৰ তেনেকুৱা পৰিবৰ্তন দেখি নয়নাই আচৰিত হৈ সুধিছিল-

ঃ নীলা তোমাৰ হৈছে কি? তাই নয়নাৰ কথাৰ কোনো উত্তৰ নিদি মাথো কৈ গৈছিল-

ঃ নয়না, তুমি মোৰ জীৱনটো ধংস কৰিবলৈ ওলাইছা কিয়? মইতো তোমৰ কোনো দোষ কৰা নাই। মনত ৰাখিবা তুমি এজনী বিধবা। ৰূপমৰ মুৰ খালা, এতিয়া আকৌ অমৰক তুমি মোৰ পৰা কাঢ়ি নিবলৈ ওলাইছা।

ইমান সময় নয়নাই থৰ লাগি নীলাৰ কথাবোৰ শুনি গৈছিল। নীলাক তাই ক'ব পৰা নাছিল মাত্ৰ কৈছিল-

ঃ নীলা তুমি মোক এইবোৰ কি কৈছা?

ঃ এতিয়া নজনাৰ ভাও জুৰিব নালাগে নয়না। নিজৰ জীৱনটোতো শেষ কৰিলা, এতিয়া আকৌ মোৰ বিয়াখনো ভাঙিলা?

তোমাৰ কি অধিকাৰ আছিল মোৰ জীৱনটো ধংস কৰিবলৈ? — কৈ নীলাই তীব্ৰ গতিৰে গুচি গৈছিল।

নয়নাই বহুবাৰ নীলা নীলা বুলি মাতিলে, কিন্তু নীলাই তাইৰ কোনো কথা নুশুনি ধুমুহাৰ গতিৰে গুচি গৈছিল। নীলা যোৱাৰ পিছত নয়নাই উচুপি উচুপি স্বগতোক্তি কৰিছিল-

ই কি ভগৱান মই কি শুনিছো! নীলাৰ বিয়া ভাঙিল। তাইকতো অমৰে আঙুঠি পিন্ধাইছিল। তাৰ মানে নীলা আৰু অমৰৰ মাজত মোৰ বাবেই নিশ্চয় কাজিয়া হৈছে। ইচ্ ভগৱান! ইয়াৰ আগতে মোক মাৰি নিনিলা কিয়? মই আৰু কিমান দুখ, কষ্ট সহ্য কৰিম।

তুমি মোক ভুল বুজিলা নীলা। নাৰী হৈ এগৰাকী নাৰীক তুমি নুবুজিলা। মইতো একো দোষ কৰা নাই। তথাপি এই পৃথিৱীখনেই যেন মোৰ শত্ৰু হৈ পৰিছে। মাথো অমৰে মোৰ অসহায় অৱস্থাটো দেখি সহানুভূতিতেই বহুত সহায় কৰিছিল। মোৰ বাবে সেয়ে যথেষ্ট কিন্তু মইতো কেতিয়াও অমৰক আপোন কৰি লব বিচৰা নাই। অৱশ্যে দুদিনমান আগতে অমৰে নয়নাৰ ওচৰলৈ আহিছিল। তাৰ মুখত সেইদিনাখন হাঁহি নাছিল। অমৰৰ তেনেকুৱা পৰিবৰ্তন দেখি নয়নায়ে সুধিছিল-

অমৰ, আজি তোমাৰ বাৰু হৈছে কি?" তেতিয়া অমৰে কৈছিল- "মোৰ একো হোৱা নাই নয়না। মাথো ভাবিছো তোমাৰ কথা তুমি বাৰু আৰু কিমান দিন এইদৰে মানুহৰ কথা শুনিবা নয়না? তুমি বাৰু ভবিষ্যৎ জীৱনলৈ নামি আহিবলগীয়া ভয়াবহ ধুমুহা বোৰ কেনেকৈ অকলে পাৰ কৰিবা? মই তোমাক এটা কথা কওঁ। হয়তো তুমি কথাটো শুনাৰ পিছত মোক চৰিত্ৰহীন, স্বাৰ্থপৰ বুলি কবা, কিন্তু মই যে কবই লাগিব। যদি তুমি ইচ্ছা কৰা মই তোমাক বিয়া কৰাবলৈ সাজু নয়না। () তুমি কথা দিয়া। এই কথা মই মোৰ স্বাৰ্থৰ বাবে কোৱা নাই নয়না। মাথো পোনাকণৰ বাবে কৈছো। সি এতিয়া লাহে লাহে ডাঙৰ হ'ব ধৰিছে। দুদিন পিছত সি তাৰ দেউতাকৰ কথা তোমাক সুধিব তেতিয়া তুমি তাক কি বুলি উত্তৰ দিবা? তাৰোপৰি সকলোৱে তোমাক বেয়া চকুৰে চায়। নানাজনে নানা কথা কয়। মই তোমাৰ আৰু দুখ, কষ্ট চাই থাকিব নোৱাৰো নয়না।" ইমান সময় নয়নাই মাথো শুনি গৈছিল অমৰৰ কথাবোৰ। হঠাৎ তাই অমৰৰ গালত সজোৰে এটা চ'ৰ বহুৱাই দি কৈছিল-

"অমৰ! তোমাৰ হৈছে কি? মইতো তোমাৰ পৰা কেতিয়াও এনেকুৱা সহায় বিচৰা নাই। তুমিতো জানাই মই ৰূপমৰ অবিহনে জীয়াই আছো মাথো পোনাকণৰ বাবে। পোনাকণ নথকা হ'লে কেতিয়াবাই মই—। মোৰ বাবে তোমাৰ জীৱনটো ধংস কৰিবা নেকি? তোমাৰ দেখোন নীলাৰ লগত বিয়া ঠিক হৈছেই, গতিকে কি যুক্তিত তুমি এনেকুৱা সময়ত মোক এইবোৰ ক'বলৈ আহি ওলালা?" "তুমি মোক ভুল নুবুজিবা নয়না। মোক যে এই সমাজখনে তোমাক এই কথা কবলৈ বাধ্য কৰাইছে। তুমি মোক বেয়া পালেও মই তোমাক ভাবি চাবলৈ দুদিন সময় দিলো।" কৈ অমৰ গুচি গৈছিল।

কিন্তু ইপিনে নীলাই তাইক ভুল বুজিছে। নাই তাই আৰু কাৰো পৰা সহায় নিবিচাৰে। অমৰে তাইৰ বাবে বহুত কৰিলে। এয়ে তাইৰ বাবে যথেষ্ট। ৰূপমে ট্ৰেইনিঙলৈ যাবৰ সময়ত অমৰক কৈছিল-

"অমৰ, মই ঘুৰি নহালৈকে মোৰ পোনাকণ আৰু নয়নাক চোৱাৰ দায়িত্ব তোমাক দিলো। তুমি মোৰ কথা ৰাখিবা।" -আৰু অমৰে হয়তো তাৰ বন্ধুৰ শেষৰ কথাষাৰ ৰাখিবৰ বাবেই আজিলৈ তাইক সহায়কৰি আছে। নয়নাৰ মুখৰ সামান্য হাঁহি অমৰে আনিছিল কিন্তু আজি যেন সিয়ো মৰহি গ'ল। তাইৰ আজি যেন জীয়াই থাকিবলৈ সমুলি ইচ্ছা নোহোৱা হ'ল। কিন্তু তাই যে মৰিব নোৱাৰে পোনাকণৰ বাবে। পোনাকণৰ মাজত তাই ৰূপমক দেখা পায়। আজি সচাঁকৈয়ে নয়নাই ভীষণ আঘাত পালে। তাই মাথো বিচনাত পৰি উচুপিছে। আজি বাঁৰে বাৰে তাইৰ মনত পৰিছে ৰূপমলৈ। ৰূপমক লৈ তাই যে কত কিমান কল্পনা কৰিছিল। ৰূপমৰ বাবে তাই ঘৰৰ সকলোকে ত্যাগ কৰি আহিছিল। কলেজত পঢ়ি থাকোতেই তাই ৰূপমক ভাল পাইছিল। ৰূপমে তাইত কৈ কেই বছৰ মান আগতে বি,এ, পাছ কৰিছিল। তথাপিও সি কলেজত মাজে সময়ে নয়নাক লগ পাবলৈ আহিছিল। ৰূপমৰ আপোন বুলিবলৈ মাথো মোমায়েকহে আছিল আৰু সেইবাবে সি মোমায়েকৰ ঘৰত থাকি পঢ়িছিল। ৰূপমে বি, এ পাছ কৰি মাথো চাকৰি চাকৰি কৰি ঘূৰি ফুৰিছিল। ইপিনে নয়না আৰু ৰূপমৰ ভাল পোৱাক তাইৰ ঘৰৰ মানুহবোৰে সহজভাবে লব পৰা নাছিল। তাৰবাবে সদায় তাই ঘৰৰ মানুহবোৰৰ পৰা কটু কথা শুনিছিল। হঠাৎ এদিন মাকে নয়নাক কৈছিল-

ঃ নয়না, তুমি অহাকালি কলেজলৈ নাযাবা। তোমাক চাবলৈ মানুহ আহিব। কথাটো শুনি তাই ধৈৰ্য্য ধৰিব পৰা নাছিল আৰু অৱশেষত তাই ৰূপমৰ ওচৰলৈ আহিছিল। ৰূপমৰ ওচৰ পাই তাই সকলো কথা তাক কৈছিল। তাই কান্দি কাটি অস্থিৰ হৈ পৰিছিল। ৰূপমৰ মোমায়েকে সিহঁতৰ গভীৰ

ভালপোৱা দেখি দুয়োকে বিয়াৰ অনুমতি দিছিল। প্ৰথমে ৰূপমে নয়নাহঁতৰ ঘৰলৈ গৈ তাইৰ দেউতাকক বিয়াৰ কথা কৈছিল। কিন্তু নয়নাৰ দেউতাকে ৰূপমক নানা অপমান কৰিছিল। শেষত ৰূপমে উপায়হীন হৈ নয়নাক সেইদিনাই কৰ্ট মেৰেজ কৰিলে। নয়নাহঁতৰ ঘৰত কথাটো গম পাই দেউতাকে গৰ্জি উঠিছিল আৰু সেইদিনাৰ পৰা তাইৰ লগত সম্পৰ্কচ্ছেদ কৰিছিল। ৰূপমৰ মোমায়েকে সিহঁতক বিয়াৰ অনুমতি দিছিল সঁচা কিন্তু বিয়া হোৱাৰ পিছত দুয়োকে বুজাই কৈছিল-

"চোৱা ৰূপম! তোমাৰ এতিয়া চাকৰি বাকৰি একো নাই। তোমালোকক বাধ্যত পৰিহে বিয়াৰ অনুমতি দিলো কিন্তু যিমান দিনলৈ তুমি চাকৰি নোপোৱা বা নিজে কোনো উপাৰ্জন কৰিব নোৱাৰা সিমান দিনলৈ তোমালোকে আগৰ দৰে থাকিবা"। মোমায়েকৰ কথা দুয়ো শুনিছিল।

ছমাহ মান পাছত ৰূপমে এটা চাকৰি পাইছিল গুৱাহাটীত। সেইদিনাখন দুয়োৰে আনন্দ চায় কোনে? ৰূপমে জইন কৰিলে আৰু মোমায়েকৰ অনুমতি লৈ নয়নাক গুৱাহাটীলৈ লৈ গ'ল। গুৱাহাটীত এটা ভাড়া ঘৰ লৈ দুয়ো থাকিবলৈ লৈছিল। বিয়াৰ পিছৰ ডেৰটা বছৰ ভালভাবেই পাৰ হৈছিল। সেই সময়তে সিহঁতৰ সংসাৰলৈ পোনাকণ আহিল।

সেইদিনা আছিল শনিবাৰ। সেইদিনা ৰূপমৰ নলে গলে লগা বন্ধু অমৰ আহিছিল। অমৰ ৰূপমৰ সৰুৰে পৰা বন্ধু। মোমায়েকৰ ঘৰৰ ওচৰতে তাৰ ঘৰ। গুৱাহাটীলৈ আহিলে সি ৰূপমৰ তাত এবাৰ আহিবই। দেউতাকৰ একমাত্ৰ লৰা সি। দেউতাকৰ বাহিৰে তাৰ কোনো নাছিল। ৰূপমক খুব ভাল পায়। সেই দিনাখন ধেমালী কৰি আটায়ে খাই বৈ উঠিছে। এনেতে খবৰ আহিল যে ৰূপমে এবছৰৰ বাবে ট্ৰেইনিংলৈ যাব লাগে। খবৰ পাই নয়নাই কান্দি কাটি হায়ৰান হ'ল। ৰূপমৰো পোনাকণ আৰু নয়নাক এৰি থৈ যাবলৈ সমুলি ইচ্ছা নাছিল। কিন্তু চাকৰিৰ খাতিৰত সি যে যাবলৈ বাধ্য। ৰূপমে তাৰ পৰিয়ালটো চোৱাৰ দায়িত্ব অমৰক দি ৰাতিৰ ট্ৰেইনতে গুচি গৈছিল। দুদিনৰ পিছতে নয়নাহঁতে খবৰ পালে যে ট্ৰেইন এক্সিডেণ্টত ৰূপমৰ মৃত্যু হৈছে, কিন্তু মৃত দেহটো এতিয়ালৈ উদ্ধাৰ কৰিব পৰা হোৱা নাই। অবিৰাম কান্দি কান্দি নয়না পাগলীৰ দৰে হৈ পৰিছিল। অমৰে তাইক বহুত বুজনি দিছিল।

বিধবা হোৱাৰ পিছত নয়নাই গাওঁলৈ ঘুৰি আহিল। কিন্তু তাইক যেন আগৰ দৰে কোনেও ভাল নোপোৱা হ'ল। আনকি মোমায়েক, মামীয়েকেও তাইক অত্যাচাৰ কৰিবলৈ ধৰিলে। তাইৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল। মাথো অমৰে তাইৰ অসহায় জীৱনটোৰ সহায় হৈ থাকিল। অমৰে সদায় তাইক স্ফুৰ্তিত ৰাখিবলৈ চেষ্টা কৰিছিল কিন্তু তাই যে আগৰ দৰে হাঁহিব নোৱাৰা হ'ল। তাইৰ মুখৰ হাহি যেন ৰূপমে কাঢ়ি লৈ গ'ল। ইপিনে অমৰে সিহঁতৰ ঘৰলৈ অহা দেখি ওচৰ চুবুৰীয়া আনকি মামীয়েকেও তাইক বাধা কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰথমতে তাই অমৰক আহিবলৈ মানা কৰিছিল কিন্তু অমৰে কাৰো কথা শুনা বিধৰ ল'ৰা নাছিল। সি এনেকুৱা অসহায় অৱস্থাত সিহঁতৰ ঘৰখন এৰিব নোৱাৰা হৈছিল। পোনাকনৰ মৰমতে সি সিহঁতৰ ঘৰখনলৈ আহিবলৈ লৈছিল। এই এবছৰে নয়নাই উপলব্ধি কৰিলে বিধবা জীৱন যে কি ভয়াবহ! মানুহৰ মুখ বন্ধ কৰিবৰ বাবেই অৱশেষত হয়তো অমৰে তাইক বিয়াৰ প্ৰস্তাৱ দিছে। কিন্তু তাই কেতিয়াও সেইটো হ'বলৈ নিদিয়ে। ৰূপমৰ প্ৰতিচ্ছবি তাই কেতিয়াও হৃদয়ৰ পৰা মচিব নোৱাৰে। নীলাই তাইক আজি তেনেকৈ বিষোদগাৰ নকৰিলেও তাই কেতিয়াও অমৰক আপোন কৰি নললেহেতেন। নাই, তাই আৰু এইটো জীৱনত কেতিয়াও কাৰো সহায় নিবিচাৰে। নাই, তাই আৰু ইয়াত নাথাকে। ৰাতি পুৱাৰ লগে লগে অমৰ আহি নাপাওতেই তাই এই ঠাই এৰি গুচি যাব। এদিন তাই পোনাকনক ডাঙৰ মানুহ কৰি ৰূপমৰ স্বপ্ন বাস্তৱ ৰূপ দিব। তাই পোনাকনৰ মাকো হ'ব আৰু দেউতাকো হ'ব। অজস্ৰ চিন্তাই আগুৰি ধৰিছে আজি তাইক।

নিশাৰ নিস্তব্ধতা ভেদ কৰি সেয়া ঘড়ীটোৱে তিনি বজাৰ সংকেট দিছে। সুদুৰৰ পৰা কোনোবা অচিন চৰাইৰ কৰুণ বিননি ভাহি আহিল। ইমান পৰে বিছনাত অস্থিৰ ভাবে পৰি আছিল নয়না। এইবাৰ তাই উঠি বিছনাত বহি ললে। নাই, তাইৰ আজি টোপনি নাহে। ৰাতিপুৱাৰ লগে লগে তাই এই ঠাই এৰি গুচি যাব। ৰূপমৰ কৰুণ মুখ এখনহে যেন তাইৰ চকুৰ আগত ভাহি উঠিল। এযোৰ উদাসীন চকু। সেই চকুযুৰিয়ে তাইক চকুৰ টোপনি হৰণ কৰিছে।

এনেতে দুৱাৰত কোনোবাই নক্ কৰিলে। নয়নাই হঠাতে উচপ খাই উঠিল। কোন বাৰু? এই ৰাতিখন। অমৰেতো ৰাতিপুৱা ৯ বজাতহে অহাৰ কথা আছিল। কিন্তু — — তাই এখোজ দুখোজকৈ আগবাঢ়ি গ'ল। নয়না অ' নয়না! বাহিৰৰপৰা এটা চেপা কণ্ঠস্বৰ ভাহি আহিল। এইটো দেখোন তাইৰ চিনাকি মাত। তাই দুৱাৰৰ হুকডাল খুলি দিয়াৰ লগে লগে বজ্ৰপাত পৰা মানুহৰ দৰে থৰ্ লাগিল। মাথো মুখেৰে ওলাল ৰূ--প--ম তোমাৰ--- তো।

তাইৰ কথা সম্পূৰ্ণ নোহোৱাতেই ৰূপমে কৈ উঠিল- "নয়না! মই মৰানাই নয়না। তোমাৰ আৰু পোনাকনৰ মৰমে মোক জীয়াই ৰাখিছে নয়না। মোৰ দেহটো পানীত পৰিছিল। অজ্ঞান অৱস্থাত কোনোবাই মোক কৰিমগঞ্জৰ হস্পিতালত ভৰ্তি কৰিছিল। হঠাতে তিনিদিন মানৰ আগতেই মাত্ৰ জ্ঞান ঘুৰি অহাৰ লগে লগে মোৰ প্ৰতিটো কথা পাহ পাহকৈ মনত পৰিবলৈ ধৰিছিল। মই অলপো পলম নকৰি সেইদিনাই ৰিলিজ লৈ গুৱাহাটীলৈ আহিছিলো কিন্তু তাত তোমালোকক দেখা নাপাই মই ইয়ালৈকে আহি অমৰৰ তালৈ গ'লো আৰু তাৰ পৰাই মই তোমাৰ সকলো কথা জানিব পাৰিলো। পোনাকন ক'ত নয়না"? নয়নাই আৰু একো ক'ব নোৱাৰ হ'ল। তাই ৰূপমৰ গাতে বাগৰি পৰিল।

ইতিমধ্যে কাহিলী কাহিলী পোহৰ হৈছিল। দুই এটা চৰাইৰ কোলাহলে পুৱাৰ আগজাননী দিছিল। এনেতে অমৰে সিহঁতৰ কোঠালৈ সোমাই আহি দেখিলে ৰূপমে পোনাকনক কোলাত লৈ নয়নাৰ কপালত এটি চুমা আঁকি দিছিল। অমৰে মাথো সিহঁতৰ পিনে এবাৰ চাই এটা মিচিকিয়া হাঁহি মাৰি কোঠাৰ পৰা ওলাই আহিছিল। অমৰে আজি লক্ষ্য কৰিলে তাৰ দুগালেদি চকুলো বৈ গৈছে কিন্তু সেই চকুলো দুখৰ নে আনন্দৰ সি নিজেই নাজানিলে।

## কৌতুক

শিক্ষক : শ্ৰেণীত এজন নতুন ছাত্ৰ দেখি ছাত্ৰজনক নামটো সুধিলে।
ছাত্ৰ : প্ৰেমধৰ বৰ্মণ, ছাৰ।
শিক্ষক : নামটো ইংৰাজীতে কোৱা।
ছাত্ৰ : লাভ কেটচ্ বিগ মাইণ্ড, ছাৰ।

(শ্ৰী বিৰাজ কুমাৰ সাউদ)
উঃমাঃ বিঃ ১ম বৰ্ষ (কলা)

# এখন চিঠি এটোপাল অশ্ৰু

শ্ৰীৰূপলেখা বনিয়া
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

"অ বাইদেউ! বাইদেউ! ...."

এক অনুচ্ছস্ব নাৰীকণ্ঠ শুনি পিচলৈ ঘূৰি চালোঁ। বেলিটোৱে তেতিয়া মেলানি মাগিছিল। পূৰ্ণিমাৰ জোনৰ স্নিগ্ধ, শীতল জোনাকে পৰিবেশটো ৰমনীয় কৰি তুলিছিল। দিনটোৰ কৰ্মব্যস্ততাৰ পিছত, ঘৰলৈ ওভোটাৰ পথত গধুলিৰ শীতল পৰশে মন জুৰাই পেলাইছিল। কিন্তু পিছফালৰ পৰা কাৰ এয়া কণ্ঠস্বৰ! জোনাকৰ পোহৰত তাইক চিনি পাবলৈ মোৰ চকু আৰু স্মৃতিয়ে বেছি কষ্ট কৰিবলগীয়া নহ'ল।— মিঠা বৰণীয়া, মৰম লগা, কৰুণ চাৱনি ভৰা, অনুজ্জ্বল দুটি চকু আৰু মূৰত এথোপা কুঞ্চিত চুলিৰে এৰা সেয়া তায়েই। নামটো — বাৰু কি আ-ছিল?— মইচোন মনত পেলাব— অ' পূজা! মই ঘৰৰ পৰা ক'ৰবালৈ যাওঁতে বা আহোঁতে সিহঁতৰ আগেৰেই যাব লাগে। ঘৰটো নামতহে বুলিব পাৰি— চালত ঢাকনি ৰূপে কেইবা বছৰো পুৰণা পচা খেৰ, সৰু পজাঁ ঘৰ, চাৰিওফালৰ জেওৰা খন নামতহে আছে — মাজে মাজে দুই এডাল পচা বাঁহৰ কাঠি—।

তাই দেখিলেই মোক হাঁহিভৰা মুখখনিৰে সদায়ে সুধিব— "বাইদেউ ক'লৈ যায়?" মইয়ো হাঁহি এটিৰেই তাইৰ প্ৰশ্নৰ যথোচিত উত্তৰ দিবলৈ চেষ্ট কৰোঁ।

এখোজ দুখোজ কৈ তাই মোৰ কাষ আহি পালে— কিন্তু ই কি? আজিচোন মই তাইৰ মৰম লগা মুখখনিত হাঁহিৰ বেঙনি আৱিস্কাৰ কৰিব পৰা নাই তাৰ সলনি এক কৰুণ চাৱনি— ককালটো সামান্য বেঁকা হৈ হালি দুই তিনি বছৰীয়া সৰু ল'ৰা এটাক কোলাত লৈ আছে, কাষত পাঁচ বছৰীয়া মান, ধুলি বালিৰে খেলি বিকৃতৰূপ লৈ থকা এটা নাঙঠ ল'ৰা।

তাই মোৰ কাষলৈ আহি তলমূৰকৈ থিয় হৈ থাকিল। তাই এনেদৰে মোৰ কাষলৈ অহাৰ কাৰণ বহু ভাৱিও বিচাৰি উলিয়াব নোৱাৰিলো। মনৰ কৌতুহল ৰাখিব নোৱাৰি সুধি পেলালোঁ— "কিনো হ'ল?" তথাপিও তাই একো উত্তৰ নিদিয়াকৈ তলমূৰ কৰি ভৰিৰ বুঢ়া আঙুলিৰে মাটিত কিছুমান আক্-বাক্ আঁকি থাকিল। তাইক পুনৰ সুধিলোঁ — "কিনো হ'ল, নকওঁ কিয়?"

এইবাৰ তাই তলমূৰহৈ থাকিয়েই উত্তৰ দিলে — "বাইদেউ মোক এখন চিটি লিখি দিব নেকি?" মই অকনমান আচৰিত হ'লোঁ। চিঠি!! "কিনো লিখিব লাগে — কালৈনো লিখিব লাগে?" মই তাইক সুধিলো।

এইবাৰ তাইৰ মাতটো কিছু থোকা-থোকি হ'ল— নিগৰি পৰিব খোজা চকুপানীখিনি গামোচাৰ কোন এটাৰে টুকি লৈ তাই কব ধৰিলে," বাইদেউ-আমাৰ মাই আৰু বিয়া কৰাইছে নহয়। বাবাইও আগতে আৰু এজনীক বিয়া কৰাই শালমাৰাত থাকে। মা আৰু নতুন বাবাটোয়ে আমাক ঘৰৰ পৰা ওলাই যাব দিছে। বাবাৰ তাত যাম— সেইবাবে আমাৰ বাবাৰ বাবে এখন চিঠি লিখি দিব লাগে। বাইদেউ দিবনে?"

মই তাইৰ কথা শুনি আচৰিত হ'লোঁ। তাইক কি বুলি উত্তৰ দিম— কি বুলিনো বুজনি দিম!! মই দেখোন নিজকেই বুজনি দিব পৰা নাই। তাইৰ বৈ পৰা চকুলোৱে মোৰ অন্তৰাত্মাক বাৰুকৈয়ে খুন্দিয়াইছিল। নিৰৱতাই পৰিবেশটোক আৰু বেছি কৰুণ আৰু গহীণ কৰি তুলিছিল। লাহেঁকৈ সুধিলোঁ "—চিঠিখন কি বুলিনো লিখিম? মই দেখোন ভাবিয়েই পোৱা নাই— তইয়েই ক'চোন তই কোৱাৰ দৰেই লিখি দিম দিয়া।"

তাই তলমূৰকৈ কিবা চিন্তা কৰাত লাগিল। মই তাইলৈ চাই ৰৈছিলোঁ। নিশব্দতা ভঙ্গ কৰি তাই ক'লে—" বাইদেউ লিখিব যে—

বাবা, বাবা— মাই নহয় আমাক ঘৰত থাকিব নিদিয়ে, নতুন বাবা আৰু মাই আমাক সদায়েই মাৰধৰ কৰে আৰু আমাক ঘৰৰ পৰা খেদি দিয়ে। খাব ল'ব নিদিয়ে— বাবা আমি কত যাম? আমাক আহি ইয়াৰ পৰা লৈ যোৱা—" এয়া কৈ তাই কিছুসময় নিশ্চুপ হৈ থাকিল। মই সুধিলোঁ আৰু কি লিখিব লাগিব? অকমান চিন্তা কৰি তাই ক'লে," বাইদেউ সেয়াই লিখিব আৰু আন একো নালাগে।"

হ'ব দিয়া বুলি কৈ মই ঘৰলৈ বুলি খোজ পেলালোঁ। এক ভাবক্ৰান্ত মন লৈ...। ফৰকাল আকাশৰ তৰাবোৰলৈ চাই ভগৱানক নিৰৱে প্ৰশ্ন কৰিলো। ....... ভগৱান এই সৰু অকনমানি ন-দহবছৰীয়া ছোৱালীজনীয়েনো কি পাপ কৰিছে.. তাইকয়ে তুমি ইমান কঠোৰ দুখ দিছা।" পিছলৈ এবাৰ এনেয়েই ঘূৰি চালোঁ। তাই মোৰ ফাললৈ এতিয়াও ভাই দুটাক লগত লৈ চাই আছে। মই মোৰ চকুলোৰ কৰুণ জোৱাৰখিনিক বান্ধি ৰাখিব নোৱাৰিলোঁ। ৰুমালেৰে চকুলো মোচি নিজকে চম্ভালি ললোঁ। কিন্তু পিছ মুহূৰ্ত্ততে মোৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল.... মোৰ চকুপানী যেন এক অভিনয় মাথোন ..প্ৰকৃত হোৱা হ'লে তাইক এই কৰুণ বাস্তৱিকতাৰ পৰা মুক্ত কৰিবলৈ নিশ্চয় কিবা কৰিলোহেঁতেন .. কিন্তু .. নাই ... মইতো কৰিব পৰা নাই।

আজি নিশায়েই মই চিঠিখন লিখিব লাগিব . . তাই আশাৰে বাট চাই ৰব .. এৰা তাই কোৱাৰ দৰেই লিখিব লাগিব ... "বাবা ... বাবা...

ঃঃঃ

## কৌতুক

দেউতাকে মানুহ এজনৰ লগত ভীষণ কাজিয়া লগাত পুতেক থানাৰ ও, চি, ৰ কাষ পালেগৈ।

চাৰ, চাৰ, দেউতাক এজন মানুহে বৰকৈ মৰিয়াই আছে।

ও,চি ঃ কিমান দেৰি হ'ল?

আধা ঘণ্টামান হ'ল চাৰ।

ও,চি ঃ ইমান সময়ে মোক কোৱা নাছিলা কিয়?

ইমান সময়ে দেউতাই জিকি আছিল।

কিন্তু এতিয়া........!!

# নিয্যতিতা জননী

মিচ্ মোনালী দাস
স্নাতক ২য় বৰ্ষ (কলা)

মই নিয্যাতিতা জননী
তোমাৰ পূণ্যৰে এদিন
পবিত্ৰ হৈছিলো
আজি তোমাৰে পাপত
তাক হেৰুৱালে।
হে অধৰমী মানুহ
তোমাৰ মহান কীৰ্তিৰ কথা
ইতিহাসে লিখি থৈছে
সোনীলী আখৰেৰে।
আজি তুমি সেইবোৰ
মচিব খুজিছা।
তুমি টকাৰ লোভ সামৰী
তুমি বেয়াবোৰ পাহৰি যোৱা
তুমি কৰা প্ৰকৃতিৰ নিৰ্য্যাতন বন্ধ কৰা।
নহলে সেউজী পৃথিবীখনি
এদিনাখন
সৰু হৈ যাব।



# "এজুপি ফুল"

প্ৰৱীন চক্ৰবৰ্ত্তী
উঃ মাঃ ১ম বৰ্ষ

এজুপি ফুল হৃদয় ব্যাকুল
আছিল দুটি কলি।
চৌপাশে বিলালে সুবাস সুগন্ধি,
কলি দুটি ফুলি।।

এজুপি ফুল মন মছগুল
লৈছিলো আকোৱালি,
সাজিলো মই ফুলৰ গৰাকী,
হলো বনমালী।।

এজুপি ফুল মায়া তাৰ মূল
সু-কোমল পাহি,
বুলিলো আপোন নহয় যে সপোন,
ই যে ফুলৰ হাঁহি।।

এজুপি ফুল তুলনা অতুল
আছিল হালি জালি,
বিধাতাই কৃপাত সাজিলে তাক,
সোনোৱালী কিৰণ ঢালি।।

এজুপি ফুল নাই কোনো কুল
জীৱন হ'ল ব্যাৰ্থ,
পলকতে ছিঙি পেলালে যে গুঙি,
কি যে জগতৰ স্বাৰ্থ।।

# তুমি মহান

শ্ৰী ভাস্কৰ নাথ
বি ঃ এ ঃ প্ৰথম বৰ্ষ

বাতৰ দুবৰি গছকি পাৰ হলো
সেই গাওঁত
এতিয়াও মনত আছে কৃষ্ণ চুড়াৰ
বিদায় সম্ভাষণ
সেই বোৰ মাঁথো স্মৃতিৰ
দেশৰ কথা
কিন্তু এতিয়াও সচা সেই মাদলৰ মাত
যত আছিল খাতিখোৱা মানুহৰ
অপৰাজেয় ৰণৰ হুঙ্কাৰ ।।

## 'পথাৰ'

শ্ৰী হৃদয়া নন্দ দাস
স্নাতক ৩য় বৰ্ষ (কলা)

হে শাশ্বত সম্ভাৱা পথাৰ,
যুগে-যুগে তুমি মোৰ স্বপ্ন, মোৰ কল্পনা
তুমি মোৰ জীৱনৰ আধাৰ।
পৃথিৱী খনেই চোন আছিল যেতিয়া
এই পৃথিৱীত কেৱল আন্ধাৰ -
ধূৱঁলি-কুঁৱলি সেই দূৰ অতীততে
নিৰন্ধ্ৰ আন্ধাৰ ফালি দেখা দিয়া
কংখিত কোনো এক হিম্ময় প্ৰভাতত
ঘাম আৰু তেজেৰে তোমাক।
সৃষ্টিৰ অমল উন্মাদনাত
বুকুৰ আপোন কৰি তুমিও সিদিনা মোক
ধৰিলা সাৱতি
সেই সুদিন ধৰি ক'ত যে যুগ ক'ত যে কাল
পাৰ হৈ আহিলো আমি
যাৰ লেখ পৃথিৱীৰ হাঁহিয়েই দিব।
মই আহিছো প্ৰোখন কৰি
তোমাৰ জৰায়ুত মোৰ নতুন শস্যৰ ভ্ৰুম
আৰু অনন্ত যৌৱনা তুমি সৃষ্টিৰে তোমাৰ
পৃথিৱীক যোগাই আহিছো আশা পূৰ্ণ হাঁহি।
তুমি মোৰ মাতৃ
মই তোমাৰ পিতৃ
আমি দুয়ো অভিন্ন হৃদয়।
সেই তাহানিতে ঃ
কৃষক-সিৰলুৰ একা বেকা আখৰেৰে লিখি থলা তুমি
নামটো মোৰ পলসুৱা তোমাৰ
আৰু দেহৰ প্ৰতিবিন্দু তেজৰ মই
লিখি থলো নামটো তোমাৰ।
পথাৰ ——
পথাৰ ——
স্নেহশীলা সুকলা পথাৰ।



## 'নিস্তব্ধ হৃদয়'

শ্ৰী হিতেশ্বৰ ৰয়
স্নাতক ৩য় বৰ্ষ (কলা)

মুক্ত পৃথিৱীখনত
লগৰীয়াৰ সতে
মিলি যাওঁ
এটি আনন্দৰ হাঁহিৰে,
কোনেও নজনাকৈ
ঢাকি ৰাখি
মনৰ বেদনা বোৰ,
কল্পনা ৰাজ্যত যেতিয়া
হওঁ উপনীত,
পৃথিৱীখনক লাগে
অতি সুন্দৰ, নিৰ্মল আৰু
আনন্দৰে ভৰা,
কিন্তু বাস্তৱ বোৰ
নিষ্ঠুৰ,
নোখোজে কবওঁ মনে
মোৰ বেদনাভৰা বুকুৰ কথাবোৰ,
কমনো বাৰু কাক ?
মোৰ বুকুত থকা
বেদনাবোৰৰ কথা !!

## Chemistry

Sri Raben Ch. Roy
B.Sc. Part - I

Chemistry, Chemistry,
এটা বিশাল Chemistry!
ব্যাখ্যা কৰি, কৰি তাৰ,
নাপাই, নাপাই আহৰি।
আজি পঢ়িলে, কালি যায় পাহৰি।
Chemistry, Chemistry,
এটা বিশাল Chemistry!
Reaction, Reaction,
Chemistry ৰ Reaction,
বৰ ভয়ংকৰ, ভয়ংকৰ Reaction !
Fission reaction,
এইবোৰ Nuclear reaction।
ইয়াৰে এটা Reaction, য়ে,
পৃথিৱী চাৰ-খাৰ কৰিব পাৰে।
এনেকুৱা Chemistry,
পঢ়িলে, লাগে আমনি।
ভাবিলে মুৰৰ ঘাম মাটিত পৰে।
শেষত ৰাতি, টোপনিহে আহে।
Chemistry, Chemistry,
এটা বিশাল Chemistry,
ব্যাখ্যা কৰি, কৰি তাৰ,
বগা কাগজৰ দিস্তাবোৰ,
চিয়াহীৰ দাগেৰে,
ভৰ্তি কৰিব পাৰি সেয়েহে Chemistry।

## 'উত্তৰ কোনে দিব'

সুমন দাস
স্নাতক ৩য় বৰ্ষ (কলা)

আজি গোতেই অসমতে
জ্বলিছে জুই,
দাও দাও কৈ
মাথো জ্বলিছে জুই ।
কিয় হৈছে বাৰু এনেকুৱা
জানানে তোমালোকে ;

আজি সকলো পিনে
মাথো হিংসা হত্যা লুণ্ঠন।
নাই আজি কতো
মৰমৰ ভাষা,
কিয় হৈছে বাৰু এনেকুৱা
জানানে তোমালোকে।

আজি নাই
মানুহৰ জীৱনৰ মূল্য,
সকলোতে মাথো
ভয় বিভিষীকাৰ সৃষ্টি
কিয় হৈছে বাৰু এনেকুৱা
জানানে তোমালোকে।
দিবানে তাৰ উত্তৰ।



## মৃত্যু-বিভিশিকা'

শ্ৰী হেমেন নাথ
স্নাতক ২য় বৰ্ষ (কলা)

বিচিত্ৰ পৃথিৱী
বিচিত্ৰ তাৰ মানৱ,
নোৱাৰি বুজিব সৃষ্টিৰ
অপৰূপ মহিমা।
আজিৰ সমাজ, আজিৰ দেশ,
পৰিছে উপচি অন্যায়-দুৰ্নীতিৰে
নীতি হৈ পৰিছে হিংসা আৰু কুটনীতি
মানৱ আজি ক্ষুধাতুৰ নৰখাধক।
নাই তাত স্থান অহিংসা-ন্যায়পৰয়নতাৰ
নাই তাত মানৱতা বোধ,
নাই তাত স্থান দুখীয়া-নিচলাৰ-
আৰু নাই সত্যবাদী পৰোপকাৰী।
কিন্তু !
সময় নিশ্চয় আহিব এদিন
মৃত্যুৰ ভয় আৰু নেথাকে,
কলিজা বোৰ হাতত লৈ সকলো ওলাল
আকৌ সুদিন আহিব
তেতিয়া সকলো হৰ বুজিৱ আমি জীয়াই আছোঁ।

## 'সোঁৱৰণী'

ধীৰাজ পাঠক
স্নাতক ৩য় বৰ্ষ (কলা)

জীৱনৰ প্ৰথম দৃষ্টিত
তোমাক দেখি
আঁকিছিলো হৃদয়ৰ
প্ৰথম খিলাট এটি,
গোলাপ ফুলৰ দৰে।
বুটলি ললো ফলটো
অশেস কষ্টৰে ----
কাইটৰ মাজৰ পৰা,
মৰহি গ'ল হৃদয় কোঠাত।
অঁকা নহল গোলাপ ফুল
বাস্তৱ প্ৰতিৰূপত।
ঘাট প্ৰতিঘাতৰ অন্তৰালত
মৰ্মান্তিক আঘাটৰ মাজেৰে
মানস পাটত উৱ হ'ল দাগ,
মধ্যান্তৰত পালো কলঙ্কৰ ভাগ।
জীৱনৰ প্ৰথম স্তৰত
ধ্বংশৰ সৃষ্টি,
ধ্বংশৰ সৃষ্টি।
পাহঁৰনি নে গৰ্ভত
ৰৈ গ'ল সোঁৱৰণী
বাস্তৱ জীৱনৰ দিঠক
হৃদয়ৰ প্ৰথম খিলাত।

## 'হৃদয়ৰ বতৰা'

শ্ৰী ভূমা পাটগিৰী
স্নাতক ৩য় বৰ্ষ (কলা)

প্ৰত্যুত্তৰত পলম হ'ল বুলিয়েই
উটুৱাই দিবা নে
তোমাৰ আৰু মোৰ
সপোনত গঢ়ি উঠা
ৰজাৰ দিনৰে সেই ৰংঘৰ।
চোৱাচোন মই কেনেকৈ অনুভৱ কৰো
তোমাৰ প্ৰাণত প্ৰাণ মই
হৃদয়ত হৃদয়
বাসনাৰে ভৰা উৰন্ত চৰাইৰ দৰে।
তোমাৰ ডেউকা ভঙা শব্দই
আজিও বতৰা আনে
তুমি যেন পাখি মেলি আহিবা পুনৰ।

## "সাৰথি"

শ্ৰী গীতিমা
উঃ মাঃ ২য় বৰ্ষ (কলা)



জীৱনৰ এই সীমাহীন পথত
বাটকুৰি বাই যাবা নিতে -
দুনাই নলবা সুঁৱৰি অতীতক

অতীত স্মৃতি এটি ব্যাথা ভৰা
সুৰ মাথো
তাত উটুৱাই নেপেলাবা
বৰ্তমান সাৰথি কৰি
ভবিষ্যতক লৱা অকোৱালি
এতিয়াহে দেখিবলৈ পাবা এটি
পহৰৰ ৰেঙ নি

জীৱন বাটত চাৱনিতে-
সত্য, শিৱ আৰু সুন্দৰক
যাবা সদায় আগুৱাই
এই পথেৰেই
দুনাই ঘুৰি নাচাবা
এই এন্ধাৰক-
যদিহে উঠে ঢৌ জীৱন নদীত
হেৰুৱাই নেপলাবা নিজক।

ভাহি অহা ফেন আৰু কন-কন
বালি চাহিয়ে -
শান্তনা দিবহি মনক
সেয়েহে অহে দৰদী সখী
জীৱন-বাটত বাটকুৰি যাবা নীতে
কাঙ্কত ভবিষ্যতক তুলি
ভুলতো ভাবি নহবা হতশা
জীৱনত কি পালো-বুলি।

## 'দুৰ্দান্ত যাত্ৰী মই'

কংকন কুমাৰ শৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)

"শব্দ" আহে
নিয়ৰৰ দলিচা গছকি গছকি
এই বাৰো সমাজত
কিন্তু !!
নিখোজ প্ৰিয়াৰ উকা উকা সাজন-কাচত
চঞ্চল সমীৰণ আৰু নহয় উন্মানা
ধৰ্ষিতা লাঞ্চিতা জননীৰ
চকুলোঁৰ চিয়াঁহীৰ (তুলিকাৰে)
বিযাদ ভৰা অনন্যা কবিতা
ৰচিম নিৰ্বিকাৰে
ধ্বংস বিহনে 'সৃষ্টি' হবনে ?
প্ৰজ্ঞা বত্তিয়ে
জীৱন চাকনৈয়া ভেদি
ৰক্তাক্ত ভূমিত
সহস্ৰ আশাৰ ৰঙীণ সপোন
ৰচিবনে................. ?
তুলিকাৰ কালি শুকালেও
সৰ্ব্বহাৰাৰ লোটক
নশুকাই কোনো কালে
সৃষ্টিৰ দলিলত নিতৌ
স্বাক্ষাৰত হ'ব
অবিৰত গুঞ্জন ধ্বনি
হাঁহি ক্ৰন্দনৰ............. ।
মোৰ হাঁহিৰ সুষমাই
অট্ৰহাস্য কৰে কাৰোবাক
দগ্ধ হ'ব খোজে "হিয়াৰ আমঠু"
আৰু কেতিয়াবা
কাৰোবাৰ অট্ৰহাস্যৰ উষ্ণতায়ো
গোলাব নোৱাৰে (মোৰ) কবিন হিম খন্যক
সেয়ে-
দুৰ্বাৰ প্ৰগতিৰ "দুৰ্দান্ত যাত্ৰী মই" !

# এটি অবাস্ত সপোন

শ্ৰী দুলাল কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

কিয় তুমি নজনালা
সহাঁৰি মোক ?
ৰক্তাক্ত পত্ৰ তুমি
কৰিলা বিসৰ্জন;
ভাবিলে নে নাভাবিলা
মোৰ সপোন।
সোনৰ পখিলা বুলি
ভাবিলো মই
কৰিলো মৰন দয়ো
সমান এতিয়া মোৰ।
পূৰ্ব্বতে কৰিছিলো
ক'ত যে কল্পনা,
পাম বুলি ৰঙীন সহাঁৰি
চিলমিল টোপনি,
তোমাক দেখাৰ আঁচনি
জিল্‌মিল্ ৰূপহী
তুমি জানো নোহৰা
মোৰ জীৱনৰ লগৰী



# 'দুঃ সময়'

শ্ৰী জ্যোতিপ্ৰসাদ ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)

কেতিয়াবা কেতিয়াবা
সময়ক বৰ নিষ্ঠুৰ যেন লাগে
যেতিয়া
হাঁহি থকা ফুলৰ বিৰুদ্ধে
নিয়তিৰ সতে
মিতিৰালি পাতে।
সময় বৰ বিষময় হৈ পৰে
কলম থমকি ৰয় হঠাতে
হৃদয়ে ভাষা হেৰুৱায়
নিয়তিৰ মৰণ শীতল চুমাৰ পৰশত।
আপোন মনে
সুগন্ধি হাঁহিৰে
জক্‌মকাই থকা এপাহ ফুল
অকালতে সৰি পৰে।

# বিননি

শ্ৰী নব কুমাৰ কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

শান্তি শান্তি কৰি ঘুৰি ঘুৰি
শেষত আকৌ পাওঁ সেই
একেই বিশৃংসলতা
কিয় !
কিয় আজি মানুহৰ মনৰ পৰা
ভয় নগুচা হ'ল -
কিহৰ বাবে আজি ডেকা-বুঢ়া
সকলোটি হব লগা হ'ল পলাতক
পাৰিবা জানো উত্তৰ দিব?
আছে জানো কাৰোবাৰ এই সাহস ?
কিহৰ বাবে আজি এই দেশ
লাগিছে আমাক ?
যদি মাতৃভূমি বুলি কবলৈ
নাই অধিকাৰ
কাৰ বাবে এই দেশ
য'ত নিজৰ দেশতেই আজি
দেশ মাতৃৰ সন্তাকে বুকু
পাতি লব লগা হ'ল
সেই দল বৰ্বৰ চিপাহীৰ বন্দুকৰ
লৌহ তপত গুলি -
সিহঁতৰ অত্যাচাৰত আজি
কিমান মৰিছে,
কিমান জন জীৱনলৈ হৈছে পঙ্গু
ক'ত জনৰ মাতৃয়ে ক'ত জনৰ পিতৃয়ে
কান্দিছে হিয়া ঢাকুৰি আজি
তাৰ জানো খবৰ ৰাখিছে সিহঁতে !
কৰিছিল বাদন
সেই খন দেশৰেই আজি
কিয় হ'ল এনে অৱস্থা
কোৱা বন্ধু
কিয় হ'ল এনে অৱস্থা।

## "স্বদেশৰ হকে"

শ্ৰী স্মিতা ৰাভা
স্নাতক ১য় বৰ্ষ (কলা)

মইয়ে গৈছিলো
শৰাই ঘাটলৈ,
মইয়ে গৈছিলো
হাতত তৰোৱাল লই
মোৰেই নাম
লাচিত, খৰ্গেশ্বৰ, মূলা, কনকলতা
শত্ৰুক পঠিয়াইছিলো কৰি বিফলতা।
আকৌ ওলাইছো মই
ন সাজেৰে
গঢ়ি যাম মাতৃক
ন সাজেৰে
কেতিয়াও উভতি নাহো মই
মনত ভয় লই।
আগবাঢ়ি যাম মই
লক্ষ্যাস্থললৈ
কৰিম নিধন
দূৰ্নীতি শোষনক,
ভয় নাই মোৰ গুলি বাৰুদৰ।

## "যৱনিকা"

শ্ৰী কন্দৰ্প নাথ
স্নাতক ২য় বৰ্ষ (কলা)

লক্ষ্য যদি কবিতা হয়
নীৰৱতা হব লগৰীয়া,
মৰম যদি ছলনা হয়
বেদনা হব প্ৰিয়া।

গীত যদি প্ৰানৰ সুহৰী
সুৰ হব প্ৰেৰণা,
আশা যদি নিৰাশা হয়
প্ৰতিশ্ৰুতি হব প্ৰতাৰণা।
দিঠক যদি কষ্ট কময় হয়
সপোন হব মৰিচিকা,
জীৱন যদি নাটক হয়
সমাধি হব যৱনিকা।

## "প্ৰিয়া"

প্ৰনৱ কুমাৰ হৰিজন
উঃ মাঃ ১ম বৰ্ষ (কলা)

তোমাক মই দোষ নিদিও প্ৰিয়া
ভাগ্যকো দোষ দিয়াৰ অধিকাৰ মোৰ নাই।
তুমিয়েটো কৈছিলা;
ভাগ্য বোলে মানুহৰ কৰ্মেৰে তিল তিল
কৈ গঢ়া
কোনো এটা কৰ্মৰ ফল!
তোমাৰ সেই দৰ্শনক মইয়ো বিশ্বাস কৰো,
দূৰ্বলতা ঢাকিবলৈ আনদহ জনৰ দৰে
সমাজকো মই দোযাৰোপ নকৰো।
তোমাৰ মোৰ অজ্ঞতা সেয়াই নহয়নে !
আমাৰ জীৱনলৈ ধুমুহা বোৱাই দিয়াৰ অন্যতম
কাৰণ?
জীৱনৰ পাকচক্ৰ আদি অন্য কেৱাটাও
কাৰণ।
আন বহুতো কাৰণ হয়টো আছে !
তাৰ ভিতৰত নিশ্চয়কৈ আছে সমাজ!
কিন্তু সেই বোৰ গৌন নহয়নে প্ৰিয়া?
সমাজ বা জীৱনৰ পাক চক্ৰয় পৰিছিল
আমাৰ পবিত্ৰ ভালপোৱাই দেখোন অকল
লেওচিব পাৰিলে।
তেনেহলে সমাজক কেনেকৈ দোষ দিয়ো,
এটা কথা ভাবো কেতিয়াবা !
মোৰ ভাল পোৱায় তোমাক আমনি
দিছিলে নেকি ?
নহলে ইমান ভয়ংকৰ প্ৰতৰনা কিয়
কৰিলা ?
প্ৰিয়া তুমি নহলে তোমাৰ অমতৰ কি
হব পাৰে !
এয়া তুমি বাৰু এবাৰো ভাবি নাচালা।

## "সেন্দুৰীয়া কলিটি"

শ্ৰী দিক্ষীতা চৌধুৰী
স্নাতক ২য় বৰ্ষ
(কলা)

বহাগ অহা গম পাই
মুখত মিচিকিয়া হাঁহিটি লই
আহিছিল তাই সাজি কাচি
সেন্দুৰীয়া সাজেৰে ধুনীয়াজনী হই।
কিন্তু হঠাৎ
এটা কলা অসুৰ আহি
আৱৰি ধৰিলেহি নীলা আকাশক
অসুৰৰ ধোঁৱা বৰণীয়া দাঁতবোৰে
ইটোৱে সিটোক আলিসন কৰি গৰজিছিল
পৃথিৱী তেতিয়া এন্ধাৰ
ভয়ত পাৰ জুৰি কপিছিল।
তথাপি তাই হাঁহিছিল,
কাৰণ তাইতো জনা নাছিল
তাৰিৰ সেন্দুৰীয়া হাঁহিটি
তাৰি লাহি ককলৰ দেহটি
অসুৰৰ স্বাস প্ৰশ্বাসত
হৈ পৰিব পাৰে চিৰ কুৎসিত।

## প্ৰতিবাদ

মিচ্ হীৰামনি কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

চৌদিশে আজি
বিপ্লৱী জনতাৰ প্ৰতিধ্বনি
বঞ্চিত, নিপিড়িত জনাতাই
বিচাৰিছে প্ৰাপ্য।

হাতত হেং দান লৈ
ধ্বংশ কৰিব
ৰক্ত পিপাসুৰ দালালক
ভাষা সংস্কৃতি গ্ৰাস কাৰীক।
চৌদিশৰ আৰ্তনাদত
বাধাৰ প্ৰাচীৰ এদিন ভগিবই
আঁতৰিব কলা মেঘ
কাল ৰাত্ৰিৰ ------
আহিবই নতুন প্ৰভাত
বিলাব প্ৰেম, শান্তি
আৰু সমিপতি।

## পৃথিৱীৰ আত্মকথা

শ্ৰী মনিন্দ্ৰ ৰাভা
স্নাতক প্ৰথম বৰ্ষ (কলা)

মোৰ দুহাতত এতিয়া বাস্তৱতাৰ গধুৰ শিকলি,
মোৰ দুচকুৰ অবাট খোজো আজি স্থিৰ,
মোৰ সপোনৰ সুৰবোৰো এতিয়া হতাশাৰ।
আনকি
মোৰ ঘৰৰ চালে-চোতালেই গজি আহিছে নিৰাশাৰ অলেখ পুলি।
মোৰ প্ৰতিটো খোজতে আধুনিকতাৰ অগনন কাইট
ৰাস্তাৰ দুয়োকাষে থিয় দিছে মোৰ তেজ বিছাৰি
অগনন মানৱতাহীন বাট-ভিক্ষাৰী।
খুব নিষ্ঠুৰ ভাৱেই কাঢ়ি নিলে মোৰ দুচকুৰ মৰম
মোৰ নিজস্ব বিবেক আজি সিহঁতৰ চাকৰ।
মোৰ জীৱন ৰচা সভ্যতা
প্ৰতি পলে পলেই আঁকি গৈ আছে এতিয়া
এটাই পিছত এটা বৃথা।
মোৰ বুকুতে থাকি সিহঁতে নিজকেই পাহৰি পেলাই এতিয়া, মোৰ অসুখ।

## ঘোঁৰা

শ্ৰী পদুম কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

সৰ্ব্বদেহত দুৰ্ভেদ্য কবচ,
আমোঘ শক্তি লৈ
দু ৰন্ত গতিৰে চেকুৰিছে
লেকাম বিহীন
তেজাল শুকান ঘোঁৰাটো,
প্ৰতিটো মৃত পোৱালিৰ
তেজৰ চেকুৰা নেওচি
আকাশ লন্ধী,
কপিছে সমতাৰ অট্টলিকা
প্ৰতিটো জাপত,
প্ৰচণ্ড উত্তাপ কিম্বা শীততো
অবিৰ-অবিৰ সি,
মাথো এটাই
অনুভুতিৰ সুনে কটুৰিছে
তাৰ হৃদয় আলয়,
কালৰাত্ৰিৰ শেষ প্ৰহৰ,
পুৰ্ব্বদিশলৈ ধাৱমান
সংকল্প —
কপালত দগমগীয়া
ৰক্তিম সুৰুয আঁকাৰ,
চেকুৰিছে .......
তেজাম শুকুলা ঘোঁৰাটো।

## এখন চিঠি কবিতালৈ

শ্ৰী গজেন চন্দ্ৰ ৰায়
স্নাতক তৃতীয় বৰ্ষ (কলা)

উপায় নেপাই তোমালৈ চিঠিখন লিখিলো,
তুমিচোন আহোবুলি কৈয়ো নাহিলা;
বৈ বৈ ভাগৰি পৰিছো ; আহিবানে কবিতা ?
সেইদিনা লগপোৱাৰ পিছত বহুদিন দেখা নাই,
জোনাকেও তোমাৰ খবৰ নিদিয়ে।
সেই দিনা যে সেউজীয়া ঘাঁহনিত দুয়ো বহিছিলো,
সিৰসিৰীয়া বতাহজাকে উৰুৱাই দিয়া তোমাৰ আঁচলখন
মোক যে আমনি দিছিল!
তুমিচোন লিখিব প্ৰেৰণা দিছিলা
এটি এটিকৈ বাগকৰি দিছিলা
প্ৰতিটো ফুলৰ সৰু সৰু ৰেনুবোৰ।
মায়াবী পখিলাটিৰ ৰূপটো ভিন্ন ৰঙেৰে
তুমিয়ে আঁকা নাছিলা জানো?
অ, এটা কথা; তোমাৰ সতে থকা মোৰ গোপন প্ৰেম
সিহঁতে জানিছে —
মোক ইতিকিং কৰে ; মই কওঁ ভাল পাওঁ তোমাক।
তোমাৰ চাগে মনত নাই
তুমি যে ফুলনিৰ ভোমবাটোলৈ আঙুলীয়াই
ৰঙা গোলাপ কলিটোৰ বশ কেনেকৈ শুহে
দেখুৱাইছিল !
বহুত ভাবিও মনত নপৰে
সেই যে নিজৰা এটি বৈ অহা
চিৰসেউজীয়া পাহাৰখনত বগাই
দুৰণীৰ বালিছৰটো চাইছিলো।
ৰিনিকি মনত পৰে
কেনেকৈ যে ঢৌ খেলি খেলি নীলা
সাগৰ ঢৌৱে নাচিছিল।
আমি যে দুয়ো হাঁহি হাঁহি নীলা পানীখিনিয়ে
ধোৱাই দিয়া
গাৰ কাপোৰ বোৰ চেপি চেপি
পানী উলিয়াই তৰাভৰা আকাশখনলৈ
একেথৰে চাই আছিলো !
মনত পৰেনে ? সেই যে বিম বিমকৈ বৰষুণত তিতি
নুম নুমকৈ জ্বলি থকা চাকিটোৰ পোহৰও
জুপৰীটোত সোমাইছিল ;
পোক এটিয়ে তোমাক কামুৰি দিয়াত তুমি
বিকট চিঞৰ মাৰি মোৰ উদং বুকুত সোমাইছিলা।
তোমাৰ কথা জগতৰ সকলোকে কৈ দিব্ৰ মন যায়
নোৱাৰো দেখোন, ভাষাই হেৰায়
তথাপি তুমি আহি বাচোন
তোমাৰ বাবে মোৰ কলমত চিয়াহী ভৰাই ৰাখিছো
অকনো ক্ষতি কৰা নাই;
তুমি কিন্তু আহিবাদেই কবিতা



## সপোনৰ সোনজনীলৈ

মিচ্ জনতা বৰ্মণ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

বুকুৰ তেজেৰে কবিতা লিখিছো
তুমি জানো পঢ়ি চাবা
পদুলীতে বৈ চকুলো টুকিলো
তুমিজানো বুজি পালা

যোৱাগৈ তোমাক মই বিচৰা নাই
কাষতে আছিলো কিনো দিলা মোক
দূৰনিলৈ গুচি গ'লা কিনো
হব মোৰ
যোৱাগৈ
তোমাক মই
বিচৰা নাই।

আন্ধাৰ সিমানেই ভয়াবহ নহওক কিয়
প্ৰভাত হবই
সেয়েহে চাৰিও ফালৰ পৰা
আন্ধাৰে আৱৰি ধৰিলেও
ভয় নাখাবা
প্ৰভাত
হবই।

## এটি পথ

মীনাক্ষী নাথ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

এদিন জনাৰন্য পথেৰেই
নীৰৱেই মই গৈছিলো পাৰ হৈ
তাৰ প্ৰদৰ্শনী স্থাপত্য ঐতিহ্যই
বহুৱাইছিল অকন মান ছাপ স্মৃতিত মোৰ
মনত মোৰ আছে আজিও হৈ অম্লান
অকস্মদ দেখা হোৱা এজন পুৰুষ স্মৃতি
অকন মান।
যি পুৰুযে পথ ৰুদ্ধ কৰি ছিল মোৰ
প্ৰেম প্ৰীতি আৰু প্ৰনয়েৰে
দুয়ো দুয়োৰে গছিলো কাষ চাপি
তাৰ বাহিৰে চব কথা গৈঁছো পাহৰি
অকন মান মনত পৰে তাকেই দেখিছিলোঁ মই।
স প্ৰেম ধৈৰ্য্য লৈ আছিলো বৈ মোৰ কাষতেই।
তথাপিও বিপথত হৈছিলো বিভ্ৰান্ত আমি কেতিয়াবা
ভাল পাইছিলো ; আঁতৰিও আহিছিলো পুনু
আকৌ সি মোৰ ধৰিছে হাতত
মই যে নাযাওঁ আৰু কোনোদিন সেই চহৰত
স্পষ্ট দেখিছোঁ কথা আৰু বেদনাই
বিষণ্ণ কৰিছে, সেই ঠাই অতি বিষময়।

## ঋতুৰ পাছত ঋতু

শ্ৰী চন্দনা কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

ঋতুৰ পাছত ঋতু
দিনৰ পাছত দিন
পালন কৰিছো হৃদয়ত সাহসৰ সন্তান
ঋতুৰ পাছত ঋতু
ৰোপন কৰিছো মাটিত শব্দৰ শস্য

প্ৰতিটি দিনৰ বাবে সাজিছো ফুলৰ উপহাৰ
প্ৰতিটি ঋতুৰ বাবে ভালপোৱাৰ মধুৰ প্ৰতীক্ষা

সৈনিকৰ গৰ্বেৰে মই থিয় হৈছো
আৰু আলিংগন কৰিছো সম্ভাৱনাময় অলেখ যৌৱন
ঋণৰ বেশত মই থিয় হৈছোঁ
আৰু অন্যায়ৰ বিৰুদ্ধে উগাৰি দিছো মোৰ ক্ৰোধ অথবা ঘৃণা

মই যৌৱনৰ বেশত সাজিছো
মই প্ৰেমিকৰ বেশত সাজিছো
আৰু দিনৰ পাছত দিন ঋতুৰ পাছত ঋতু
পালন কৰিছো হৃদয়ত পৰম আকাংক্ষিত
সাহসৰ সন্তান।

## কবিতা

(শ্ৰী চচিন্দ্ৰ মোহন নাথ
স্নাতক ৩য় বৰ্ষ (কলা)

বিফল জীৱন মোৰ
বিফল সকলো আঁশা,
ভাগ্যহীন আজি মই
মোৰ হীয়া বেদনাভৰা।
সৰি পৰে আজি মোৰ
দুচকুৰ নীৰ,
কদাপিও নাপালো মই
তাইৰ প্ৰেমৰ তীৰ।
দিঠকৰ সপোন মোৰ
মৰিচিকা হৈ বল মোৰ হৃদয়ত,
জীৱনক ভুৱা দি গ'ল তাই
মোৰ সপোনৰ ৰাজ্যত।
মাজে ৰৈ গ'ল
চকুৰ চিনাকি দুদিনৰ।

## সোঁৱৰণি

শ্ৰী শ্যামল চন্দ্ৰ দাস
স্নাতক তৃতীয় বৰ্ষ (কলা)

(মাদাৰ টেৰেছাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে)

মহীয়সী নাৰী
চিৰ সুন্দৰৰ পূজাৰী ;
মাদাৰ টেৰেছা তুমি
সোঁৱৰিছো তোমাকে আমি ।।
বিশ্বৰ দুখ নিবাৰণী
নিপীড়িত জনৰ বাবে
সমগ্ৰ জীৱন
উছৰ্গা কৰা
মহীময়ী মাতৃ,
তুমিয়ে বৰ্তমানৰ
বিশ্ব মানৱৰ ।।
হে মহান ;
মাতৃ মহীয়সী
তোমাৰ মৃতদেহ আঁকোৱালি লৈ ;
সমুগ্ৰ বিশ্বৰ মানৱে
টুকিছে চকুপানী ।।
তোমাৰ বিদেহী আত্মাই
লাভ কৰক চিৰশান্তি ।
এই প্ৰতি-শ্ৰুতিৰে
সোঁৱৰিছো তোমাকে আমি ।।
বিশ্বৰ মানৱক
এটুপি চকুলো পেলাই
গুচি গ'লা তুমি
অজান ঠাইলৈকে !
হে মহান মানৱ- প্ৰেমী
মাতৃ মহীয়সী ।।
তোমাক সোঁৱৰিছো আমি ।

# Psycholosy of Literature

*Prof. A. R. Bhattarcharhee*
*M.A. BT.*
*Dept. of English.*

Literature is the artistic expression of thought. According of Lord Morley : ' Literature consists of all the books where moral truth and human passion are touched with certain largeness, sanity and attraction of form'. Literature heightens human life with the expriences and spiritual intutions of man through the charm of language. Whenever thought is embodied in forms that appeal to human ideals, sensibilities and tasted rather than in forms, literature may be said to exist. It consists of all the books where moral truth and human passion are touched with certain attraction and as such, literature explores the strange voyages of man's moral reason and impulses of human heart. Poets, dramatists, novelists, and the character writers--- are all men of literature, who teach man to know man and nature of human being. According to Emerson : ' Literature is a record of best thoughts. In other words, by literature, we mean the written thoughts and feelings of intelligent men and women arranged in a way that shall give pleasure to the readers. The object of literature in education is to open the mind and to comprehend and digest its knowledge through application and expression.

William Henry Hudson has claborated the chief features of literature in the following words : 'first, there is the intellectual element -- the thought which the writer brings to bear upon his subject, and which he expresses in his work, Secondly, there is the emotional element -- the feeling (of whatever kind) which his subject arouses in him, and which in turn he desires to stimulate in us. Thirdly, there is the element of imagination (including its light form, which we call fancy), which is really the faculty of strong and intense vision, and the exercise of which he quickens a similiar power of vision in ourselves. These elements combine to furnish the substance and the life of literature.' From the extract above it is clear that the essential characteristic of literature is to produce aesthetic pleasure beyond intellectual and emotional content and beyond fundamental quality of life, which appeals to us by reason of its form. The subject matter is required to be moulded and fashioned in accordance with principles of order, symmetry, beauty and effectiveness. This means that literature is a fine art and like all fine arts, it has its own laws and conditions of workmanship, as it communicates experience of the writer. The writer requires to translate his experince into some symbolic equivalence of language in such a manner that the symbol may be translated back again by the reader's inmagination into a similiar experience.

Now, my view point have in this topic is to bring out the relation of psychology with literature and how psychology has influenced literary art. But before discussing it let us have a glimpse on the aspects of psychology. Psychology is defiened as the science of mental life and the stresses of conscious experience, whereas, science of behaviour emphasises over activities of organisms. Psychology has further led psycho-analysis. In this context it may be interpreted that psychology is the investigation of psychological motivation of human behaviour through the study of mental conteut. In order to understand why a person behaves as he does, it is necessry to discover that person's earlier experiences, (particularly the emotionally upsettaing ones, now forgotten by the individual. These early experiences) over not simply forgotten but repressed, as some emotionally disturbing effect is forgotten and lost to the conscious memory which continues to exert effect on the individual.

Pscho-analysis has had profound effect

upon the intellectual climate of the modern age. By psychology of litrature, we mean the psychological study of the writer, as type and as individual or the study of the creative process or the study of psychological types and laws present within works of literature or finally, the effects of liteture upon readers. In this context it is rather a difficult task to deal with all the branches of literature together which are influenced by psychology. So, I have limited discussion to main characteristic forms of novel in modern literature.

The one thing that stands out prominently in the history of the English novel, is its immense popularity in the 20th century. Historically, the novel first served as the literary expression of middle clas. In 18th century novel came to its own and was not afraid to speak the blunt truth with uncompromising courage and determination. The 18th century novel was perhaps the first to emphasise that an individual had not only different modes of life, but had an inner life as well as an outer life. However since then the novelists had ventured to depiet individuals as often in conflict with prosaic commercialism of the milieu. This conflict has now served as the central theme of the modern novel.

According to Elizabeth Drew "the novel, dealing as it does with the actions and passions of human beings whom we think of in terms of fellow living creatures, and telling of crisis, incident, character and circumstance within the observation of us all, is bound to express certain of the moral values men live by and by implication, if not directly, the attitude of author towards those values. The closing period of 19th century was an extremely self- conscious one. Changing currents and crosscurrents influenced thought and literature.

As the forging discussion has already indicated, the modern novel is pre-dominantly psychological. It was early years of the 20th century that Freud and Jung shook the foundation of human thought by their revolutionary discoveries in the field of psychology. They revealed that human consciousness has very deep layers and, furied under the conscious, we the subconscious and the unconscious. Thoughts buried deep in the unconscious or the subconscious constant of human personalily cannot be complete and satisfactory unless these hidden elements are given their due weight. Novelists, like Henry James, James Joyace, Virginia Woolf, Dorothy Richardson, Elizsbeth Bowen, have made the english novel pschological in nature.

The modern novel is not merely an entertainment, not merely a light story for after dinner-reading. It has evolved as serious art-form. As E. Albert Points out, 'Henry James and Courad evolved techniques which revolutionised the form of novel. Basically, the amount to an abandonment of the direct and rather loose biographical method in favour of an indirect of oblique narrative, with a great concern for the asethetic consideration of Pattern and composition, and a new conception of characterisation built upon the study of inner consciousness.' Under the influence of new psychological theories, life is not regarded as a continuous flow, but as a series of seperate and successive moment. Among the psychologists, Bergson's theory of time has been of for reaching significance in this connection. He divided Time into (a) Inner time or Duree or Psychological time and (b) clock time or mechanical time. Inner time or Duree is conceived of as a flow, a continuous moving stream and division into part, Present and future as artificial and mechanical time. The Past lives on the present in memory and its consequences, and in this way it also shapes the future. The aim of the modern psychological novesist is to render the soul orpsyche truthfully and realistically. In many respects the soul is not individualised as belonging to this or that ego, but is a mere jet of the vitality common to our race or social group.

Psychology whose progress during the last three quarters of a century has been amaringly rapid had taught many novelists a better understanding of mental process. The modern novelists attempts an elucidation of the eternal riddle of man --- his nature, mind and spirit --

with the help of what they call the New Psychology. Under the influence of new Psychology, modern novelists treat of the physical side of sex in a blunt manner without hiding the naked facts like the Victorians. D.H. Lowrence wrote from within -- from inside the man, the woman, the fox, the tree and the mine. The most powerful and influential representative of the philosohy of the liberation of sex is this 'astonishing diagostician of life' who has been called the Ruskui of sex. D. H. Lowrence believes all men to be primary 'passional' beings, growing into ever new knowledge of life through sponteneous, instinctive and creative moments. Sex is depicted in the light instead of in the darkness of taboo and prejudice. He was deeply interested in the animal and vegetable layers of human consciousness. Fortified by moral scepticism, he resorted sexual relations to a serious, almost holy place in human existence, and his devotion was given to the sexual act in itself. Lowrence felt the mystery and power of sex as the primal life urge. He realised the fallacy of attributing more power to the faculty of reason than to instinctive feeling. Aldous Huxley, too, in his novels, concentrates on the portrayal of sexual life. 'Antic Hay' is a high spirited novel in which the Victorian pruderies and inhibitious are swept away. In 'Point Counter Point' Huxley seems to be wholly preoccupied with sex. James Joyace has also been accused of pornography. Novelists like James Joyace seem to believe in Freudian theory that the activities of the Sub-conscious mind are of the true personality. They consider it important to present man's practical and emotional experience as well as the intentious and adventures of his spirit. They seem to illustrate Bernard Shaw's definition of an artist as one who adds a fresh extension of sense to the heritage of the race, giving his readers a new intenser sense of inner emotional realities.

As a matter of fact, a new technique was developed in the psychological fiction, and the new trand found its best exposition in the stream of consciousness, where in extrem emphasis is laid on subjectivism, and the passive state of mind. Transitions are sudden, and progression is hempered. Past is mixed up with the present, and retrospect intrudes upon prospect. Present memories are inextricably confined and mixed up with the past memories in an incoherent manner. Strict chronological development of the story is marred by rapid transitioin, and an electric notation copes with times swift spining. In one respect, the stream of consciousness novel bears a close similarity to Imagist Poetry. Words are employed by novelists of this school not in accordance with the rules of conventions of grammar, but in a peculiar manner of thier own using them in thier original or imagestic sense. In thier endeavour to dramatise all shades of consciousness, they allow thought and emotion to shape and formulate words which do full justice to them.

Again, the stream of consciousness novelists depict characters not by reporting their actions and saying, but by making the characters themselves reveal their inmost thoughts, moods and feelings. The great advantage and consequently the best justification of stream of consciousness novel depends on its potentialities for delineating character more graphically, accurately and realistically. 'It provides, says David Daiches, 'a method of presenting character outside time and place; in the double sense that it seperates the presentation of consciousness from the chronological sequence of events, and, secondly it enable, the quality of given state of mind to be investigated so completely, by means of pursuing to their end the remote mental associations and suggestions, that we do not need to wait for time to make the potential actual before we can see the whole.□

# LACK OF HUMANITY DEFUSED CIVILISATION

**Miss Purabi Roy**
*T.D.C. 1st year (Arts)*

Man is a miracle of creation. The majestic advancement he has made, invites every ones amazement. He has come a long way from his cannibalistic heritage and claims himself to be a civilised animal superior to other millions of species. He has spun the cotton into warm garments to cover his skin. He has shifted from the old cave into cement caked suffocating stuffy holes. He has devised the machines to work for him. He invented heaven and hell, and stream of philosophy followed. Religions took roots in the hearts of men and women. He succeeded in evolving more and more amusements for him. Antipodeans could communicate each other. Monstrous missiles are developed with remote control devices. But, if these are the proofs of civilization, one would shudder at the sight of such a shabby scene in the present day world.

There is not a part of the world that is free from terrorism and violence. Every where it is like a furnace. There is killing every where. May be on the pretext of religion or politics or economic compulsions. Whatever they are, the magnitude of terrorism has gone beyond all dimensions. State organised terrorism, is a sort of attempt to destablize the neighbouring countries. It is a well planned programmatic attempt. This sort of terrorism is perpetuated by certain power blocks. There is another school of terrorism fathered by communal enthusiasts and zealots. Their prime concern is to instigate their followrs to run into a jihad. We can only symphathise with them because they are intoxicated by the cream of superstitions. They refuse to inhale the breeze of adaptibility. They want the rest of the world to fall in life line with their preposterous jingoism. These people are very dangerous. Once the devil is let loose, he goes playing all the tragedy in the world. Another set of terrorists also there who are self styled reformers and power brokers. Actually they are mercenaries dealers in death. They are the It is quite obvious that man will never learn to love each other, at least to live together. The chances for a peaceful co-habitation on this planet are far remote. And possibility for the realization of those 'high sounding' ideals is not better than searching for a black cat in the dead darkness.

Man's fratricidal instinct is not going to be sublimated. We are the victims of those evils, though we are very little aware of life. They are like our shadows, from which we feel that we are unable to escape. We are like the floating bubbles or the yellow leaves drifting in the wind, in the fall. We are haunted by those notions. Certainly they are the biproducts of modern civilization.

The primitive man was as free as a bird. His mind was not tarnished with a sense of guilt or fear or sin. He lived according to his own whims. Every moment of life was packed with excitement. Of course, he had to fight against his own fellow-men. If the rival ever proved to be stronger, he surrendered only to be eaten up by his victor. He had to fight all the time against the animals and venomous reptiles. Very often those beasts over came the strength of human beings. Man had no social norms of a society such as one we have today. He had not evolved anything of a society. He lived in a state of nature. He led a promiscuous life. He braved the inclemencies of weather. He stood against the ferocity of curnivorous beasts. He graped his way all along.

Homo crectus eventually attained the heights of Homo Sapiens. But he remained as a child of nature. Life is fed upon life. He killed everything that come his way. He did not feel anything wrong in his own action. At times he killed his own fellow men when he could not find anything to satiate his hunger. Of course, it was a manifestation of cannibalism. We condemn it

now. But we have still in us, the vestiges of that despicable practice. The primitive man gabbled and guzzled blood dripping human flesh. Not with wrath or revenge. He was an anthropophagus out of sheer necessity. But gradually the conditions of life began to undergo an alchemical change. The law of life too recieved a glint of refinement. Men with vision and concern for the perpetuation of life, were prompted to realize that if the practice of head hunting was allowed to continue without inhibition, the species as a whole, was sure to vanish from the face of the earth soon. They found that the society could be harmonished and brought within a single matris, if only a code of law was framed. Association of ideas very often generates a sense of surprise, as well as mystery. Philanthropists of yore took advantages of this situation. Passionately they gave shape to certain social norms. Their attempts were crowned with success. Cities have been growing and the ways of city life are marking in roads into the everyday life of man, in every walk of life, living in the remotest corner of the world. But it does not bring a new stream of culture. It has been producing more and more junks every where. Civilization spot- lights on external advancement. But it is quite conpicuous that at heart, man is still a man-eater : Culture is certainly something that belongs to the realm of mind. It is the some total of impression imprinted and transmitted from one generation to another which reflects in one's movement and behaviour. It has the music of the mind symphonised by the social, political, economic, educational, religious and philosophical quintessence. It means very much Education alone does not matter much in the development of culture. But its importance could not be under estimated. Educated brutes and idiots are more amongst us. They are mostly crooks whose learning is not worthier than pearls cast before a swine. Modern cannibalism is done up in glittering garments. There is not a jot of human touch, not a glint of love, not an iote of commitment, but endless and unqucenchable thrist for more and more blood in one form or another.

But just as every object has its own shadow, every social transition also carry the ghost of its past. The innate desire of human being for the prolongation of life, led him to discover a new world the empyrean world of amaranthine beauty. Modern man is a demented, de-intellectualized psychotic. It is imperative to put an end to those benumbing evils of the past. We have to introduce a new social perspective. It is positive gesture of love, of compassion and commiseration for one another. These divine concepts can undoubtedly change the outlook of a society.□

# কৌতুক

১। এদিনাখন এজন শিক্ষকে ছাত্ৰ সকলক সুধিলে, " তোমালোকৰ চহৰত কোনোবা 'ডাঙৰ ব্যক্তি' জন্ম হৈছে নেকি ?"
এজন ধেমেলীয়া লৰাই টপৰাই উত্তৰ দিলে, "নাই হোৱা ছাৰ, মোৰ চহৰত অকল শিশুহে জন্ম হয়, ডাঙৰ ব্যক্তি জন্ম নহয়"।

২। ৰাজীৱ ঃ- গছত উঠি, মই ইয়াৰ পৰা ছোৱালী হোষ্টেলটো ধুনীয়াকৈ দেখিছো, মনোজ ।
মনোজ ঃ- যদি তুমি গছৰ পৰা পৰি যোৱা, তেনেহলে মেডিকেল কলেখনো দেখিবলৈ পাবা।

৩। এজনী সৰু ছোৱালী, নাম ৰুমী, তাইৰ দেউতাক " ইনফ্লুয়েনজা" হৈ বিচনাত পৰি আছে । আৰু তাইৰ মাকে, বাপেকে খোৱা কাহীবোৰ ভালকৈ গৰম পানীত উতলাই দুইছে। তাকে দেখি ৰুমীয়ে মাকক শুধিলে, " মা, তুমি কাহীবোৰ কেলেই উতলাইছা ?"
মাক ঃ- দেউতাই খোৱা কাহীবোৰত বিজানু লাগি আছে কাৰণে আকৌ।
ৰুমী ঃ- মা, তুমি একেবাৰেই বুৰ্ব্বক।
মাক ঃ- কিয় ?
ৰুমী ঃ- তুন সদায় সদায় কাহীবোৰ গৰম পানীত উতলাথিকাত্তৈক একেবাৰে দেউতাকে কিয় গৰম পানীত ধুই নিদিয়া।



শ্ৰী অনুপ ৰাভা



শ্ৰী কাৰ্তিক ৰাভা
শ্ৰেষ্ঠ এথলীট



শ্ৰী অচ্যুত শৰ্মা



মিচ্ দিপালী ডেকা
অধ্যাপিকা



শ্ৰী জিবেশ্বৰ কোচ



শ্ৰী অশোক ৰঞ্জন ভট্টাচাৰ্য্য



শ্ৰী হৰ কুমাৰ নাথ
তত্বাৱধায়ক
মহাবিদ্যালয় আলোচনী



শ্ৰী দশৰথ কাকতি



শ্ৰেষ্ঠা অভিনেত্ৰী
মিছ্ পাপৰি কলিতা



শ্ৰেষ্ঠা গায়িকা
মিছ্ মামণী শীল



শ্ৰী নৱদ্বীপ খাখলাৰী
শ্ৰেষ্ঠ শৰীৰ চৰ্চ্চাবিদ
মিঃ দুধনৈ কলেজ সন্মান বিজিত' ৯৯

# ৰাভা কবিতা

## চাম্‌নি পাৰ

প্ৰনৱ কুমাৰ ৰাভা
উঃমঃ ২ম বৰ্ষ (বিজ্ঞান)

পাৰ চাভেবা নাং মানচাজো হাদাম পাৰবাপানী
গ্ৰান তথবা মানছাজো নাং শেৱালিনি শাৰীটি,
পাৰ উনে ফামানেবা ৰাখুছাজো না ভা হাদাম পাৰ বাগিনি
জিমিক্ - জামাক তয় নায়-নায় চাভেবা
মানছাজো নাং লাংগ্ৰে ৰাংচাং আফেনি হাদাম
নক খুতুস্কাং পাৰেবা নাং
লাগিছা ৰিবানা পাৰবাগানিনা উনে,
উছিয়ান মানো নাং পুৰল্যা চামনি লিগা।

## ঋতুয়ো ছামে...............

শ্ৰী মৃন্ময় ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

নাঙি দৈলিক ৰি বিকায়-ৰিংকায় ৰামিয়ান
আঙ খেনছেংকায় পান ।
নাঙি প্ৰেৰেঙে ৰূপতিয়ান
আঙি ময় তোৰা কান ।
নাঙ ৰি ৰিছাদং আঙি খেনছেংকায় ছাক পাৰে ৰিবিছা
আৰো বায়-ছিকায় ছাকৱা দাগাছা ।
আঙি কাননি ৰং ট্ৰায়কায় আৰো
আঙি ব্যছাৰানি ৰূপ মানকায়বা
নাঙি বাদঙান ............................
নাঙি গ্ৰীস্মনি তুংকায় ছানিয়ান আত কান কুতুঙা,
আৰো বৰ্ষানি ৰাংফাচিতিয়ান ছিকাবা ৰূৱা ।
শৰৎনি মৃককায় ৰাংখোপবা আঙা চি ববায়া,
নাঙি হেমন্তনি চ্যিক্ চ্যিক্ প্ৰমচি নি ৰাম্পাৰবা আঙা নেমেনান
জংকায় ৰিঙা।
নাঙি শীতনি ছ্যিক-ছ্যিককায় ভাৱ আঙি কানটি
দুঙে ৰ্‌যিজামা।
আৰো বসন্তনি বতৰিবা ত'বিজান আঙি ডালায়টি
পাকে নাথোকায় ছায় চাৰুঙা।
নাঙি দৈলিক ৰিবিকায়-ৰিংকায় ৰামিয়ান
আঙ তেৰে নাঙাছে ছামা।

## "দুঃখনি বাংচিং"

মিচ্ ৰীতা ৰাভা
উঃ মঃ ১ম বৰ্ষ (বিজ্ঞান)

আয়া যিসময়ি
পাৰনি মালা টিকানে
গুৰটানো ;
চাঙোবা তোৰা চুস উনদাংচে !

তে ফাৰ-চান
কামিনি মাজাবিবা,
দুঃখনি বাংচিঙান
খাপাক প্ৰোতে
দাখা-ঘনতলায় দৃগোনা,
দুখনি 'অ প্ৰৰা' ফিচাআ
চ্যুম্প্ৰাকায় নেকেনিভি ।।

ট্ৰ্যপকায় খাপকিনি খাপকায়
চ্ৰিৰং চ্ৰিৰং খাৰে
মতে মতে খাপা ;
গাংগামলায় নাঙকায়
ৰংকানি খাপাকবা
চাকনৰি ফেনা।
বই বিবিয়া তিকাঙি
ফামানা-পামানচা চাঙে
তানে জাৰে ৰিবাকায়
সেন চ্ৰেৰং টামব্ৰংহাকাপিনি
মিনিয়া-তামাচানি
ধ্যুঙা-ব্যুৰা ঢোবিজান।।

তাপানান !
নেকেন আঙি হান্দাৰ খাৰজো
চাক্ৰাচা আককায় ৰাংখপান।।

## নায়কায়ো চান্দায়

শ্রী সঞ্জয় কুমাৰ ৰাভা
স্নাতক ২ম বর্ষ (কলা)

তাছি মুঠি ৰাঁমে
পাওঁ থাঁপজো চিং তে
নায়কায়ো চান্দায়,
হাজাৰবা গীতি হান্দাৰচা আনা
তাঁপাতেছে ৰাবানো
পুঙিনি পাঁইলা খাঁছান নায়কায়ো ।
হান্দাৰনি খৰ-খাপ্লাক ৰামি
পাওঁ গাকছুক দংবা
আতোৰানি ভাওঁতি
ছুন চাফুকদংবা
চাকে বা বে থাঁমাকে
ৰাবানোন চিং নায়কায়ো
অ আয়া বাঁছামাঁতা ৰাখু চিঙা
নাঙি পামানচাতায় বাঁলনি আস্তা
ৰেঙেতা চিং চান্দায়
গীতি হান্দাৰনি মাজাৰি
তাঁনানোন ইনে ছায়তা কিৰা
হাছংনি কায়কায়ো ।

---

## জাতিনি বাদাং

শ্ৰী জয়চন্দ্ৰ ৰাভা
স্নাতক ২ম বর্ষ (কলা)

ৰিবা দগোতে ৰাভা জাতিনি বাদাং
চিঙি মাজাৰি চ্যুন ৰুবুঙা লাগিনো,
ৰাভা খুৰাং তংদাংচে চিং যাচিবা
নেমৰাছং ৰাভা হাছং ফামানা মানো।
ৰংদানী, পাতি, কোচ, মায়তাৰ
হানা, টোটোলা, বিতলীয়া, আৰোদাহৰি,
দ্যুমদাক মিলি চে চিং চাঙাতা
নেমকায় চুকায় গচা ৰভা জাতি।
দ্যিমদাক দৰাই দ্যিমদাক গাভূৰ
ত্যিকাঙান নেমৰাঙে দগোতে ৰিবা,
চিঙি ৰাভা জাতি ফামানেবা আনা
খাপেতা তেৰা জাতিনি বাদাং ।
ফৌ ৰিবা চিং দ্যুমদাক ৰাভাতাং
নেমকায় ৰামোঁফানে চুংকায়ো তাকে,
তাতোং গুৰে চিং ৰাভাতাং তুয়ছ্ছ সময়
ৰাছামা চিঙি ৰাভাতাঙো চোক্কে ।

---

## ৰাভা চায় পিদান

শ্ৰী ভাস্কৰ তাৰা
স্নাতক ২ম বর্ষ (কলা)

নাঙি কাথা মুনি কিদং
নেক্কেন নি চিকানালা
খাপাঙি পাৰা
বয় দগোতা
চুনকিয়া নাঙি কাথা ।

চিকা ঝৰায় হাংচেংনি নক
তাড়াতামৌন নাঙি বাদাং ।
খিনিখেৰে চার্পাক লাঁগা উনে
নুঙাতামৗন সংসাৰানি চং ।।
ৰাং পাৰচুং ৰিবায়
হাদাপে সংজো
আঙি সংসাৰানি জুমাং
